# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday, the 31st May, 2006.

The House met at 9.00 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, Speaker in the Chair.

## ANNOUNCEMENT FROM THE CHAIR

**Mr. Speaker :** Item No. 1. Report of the Business Advisory Committee.

"Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee at 11.45 a.m. on 30th May, 2006 in the Conference room of my Office Chamber for rotational allocation of time to various Legislatures parties, groups and Independent Members for participation in the discussion on the Debate on Governor's Adreess and to finalise the calender for the first Session of the Twelfth Assam Legislative Assembly.

The Committee after a threadbare discussion decided that the total time that would be made available for the Debate on the Governor's address will be approximately 180 minutes including the reply of the Hon'ble Cheif Minister and each individual Member will get approximately land half minutes.

The Committee further decided to approve the calender for the first session of the twelfth Assam Legislative Assembly has been circulated amongst all the Hon'ble Members of the House.

I hope this has the approval of the House.

## DEBATE ON THE GOVERNOR'S ADDRESS

**Mr. Speaker :** Now, Item No. 2. Debate on the Governor's address.

I have received four amendment notices on the motion of Thanks on Governor's Address moved by the Hon'ble Member, Shri Rameswar Dhanowar, in the name of the Hon'ble Members, Shri Brindaban Goswami, Shri Drupad Borgohain, Shri Mohibul Haque and Shri Ananata Deka. I, now request Shri Brindaban Goswami, Hon'ble, Member to move his amendment motion.

(As the Hon'ble Member Shri Brindaban Goswami at that time was not present in the House, Shri Chandra Mohan Patowary, Hon'ble Member read out the amendment motion on his behalf.)

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী :** মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ বিৰোধী দলৰ দলপতিৰ হৈ প্ৰস্তাৱ কৰো যে অসম বিধান সভাৰ মাননীয় সদস্য শ্ৰী ৰামেশ্বৰ ধানোৱাৰে প্ৰস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওক—

(ক) ৩ নং পৃষ্ঠাৰ 'আইন শৃঙ্খলা পৰিস্থিতি' শিতানত ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰ আৰু উক্ত গোটৰ মাজত দুলানি আলোচনা অনুস্থিত হৈছে। এই বাক্যশাৰীৰ পিচতে উক্ত আলোচনা ত্বৰান্বিত কৰাৰ স্বাৰ্থত ইতিমধ্যে চৰকাৰে ঘোষণা কৰা মৰ্মে ৫ (পাঁচ) জন কাৰাৰুদ্ধ 'আলফা' নেতাক মুক্তি দিয়াৰ সিদ্ধান্ত লোৱা হৈছে।"

(খ) ১২ আৰু ১৩ পৃষ্ঠাত "স্বাস্থ্য আৰু পৰিয়াল কল্যান" শিতানত মেলেৰিয়া ৰোগ নিয়ন্ত্ৰণ কৰিবৰ বাবে চৰকাৰে যুদ্ধকালীন ক্ষীপ্ৰতাৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে' বাক্যশাৰীৰ পৰিবৰ্তে "মেলেৰিয়া ৰোগ নিয়ন্ত্ৰণ কৰিবৰ বাবে চৰকাৰে যুদ্ধকালীন ক্ষীপ্ৰতাৰে বিশেষ ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে বহুলোক মৃত্যু মুখত পৰিবলগীয়া হ'ল।

**Mr. Speaker :** The second Amendment motion on the Motion of Thanks on Governor's Address is in the name of Shri Drupad Borgohain, Hon'ble Member. I now, request Shri Drupad Borgohain to move.

**Shri Drupad Borgohain :** Hon'ble speaker Sir, in the Motion of Thanks on the Governor's Address my amendments are as follows :

(1) In page no. 5, after the first paragraph under caption "Implemention of Assam Accord" it should be inserted that –

"Inspite of sincere eforts made by the State Government to implement the Assam Accord, the Government, by and large failed to detect and deport the foreigners from Assam who came after 25th March, 1971 and to protect the identity of Assamese people through constitutional, legal and administrative means."

(2) In page no. 8 after the first paragraph the following line should be inserted "However several lift irrigation system of the Dikhow and the Dichang rivers at Sivasagar district are completely defunct and Government payment has been made for nothing in last several years."

(3) At page 21, after the first line a new sentence should be added "but the Mukhya Mantrir Khowa Pani Jogan Abhiyan and the Swajaldhara Scheme and Prime Minister's fund do not bring the necessary results of removing scarcity of drinking water in such places."

(4) In page 31, after the 2nd paragraph this should be added "However no progress as regards to development has been witnessed in general towns including Nazira-Simoluguri.

(5) At page 27, after the 1st sentence of 3rd paragraph "However my Government fails to convince the Union Government in bringing a bill in the Parliament to classify the Scheduled Tribes."

**Mr. Speaker :** The third amendment on the motion of Thanks on Governor's Address raised by the Hon'ble Member, Shri Mohibul Haque. I now, request the Hon'ble Member, Shri Mohibul Haque to move.

**শ্ৰীমহিবুল হক :** এই বিধান সভাৰ মাননীয় সদস্য শ্ৰী ৰামেশ্বৰ ধানোৱাৰে প্ৰস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সংশোধনত প্ৰস্তাৱৰ অন্তত তলত দিয়া কথাখিনি

যোগ দিয়া হওক "পৃষ্ঠা ২৯ ৰ ২ নং দফাৰ পিছত "উল্লেখ্য যে কিছু বছৰ আগতে হিংসাত্মক ঘটনাত ক্ষতিগ্ৰস্থ হৈ কোকৰাঝাৰ আৰু বঙাইগাঁও জিলাৰ কিছুমান শিবিৰত পৰিত্যক্ত অৱস্থাত পৰি থকা সংখ্যা লঘু শৰনাৰ্থী সকলক এই বছৰৰ ভিতৰতে উপযুক্ত পুনৰবাস আৰু যোগ্যতাৰ ভিত্তিত কৰ্মসংস্থান দিবলৈ মোৰ চৰকাৰ বদ্ধ পৰিকৰ।"

**Mr. Speaker :** The 4th amendment on the Motion of thanks on the Governor's Address raised by the Hon'ble Member, Shri Ananta Deka. I now request to Hon'ble member Shri Ananta Deka to move his amendement.

**শ্ৰীঅনন্ত ডেকা :** এই বিধান সভাৰ মাননীয় সদস্য শ্ৰী ৰামেশ্বৰ ধানোৱাৰে প্ৰস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ সংশোধনত প্ৰস্তাৱৰ অন্তত তলত দিয়া কথাখিনি যোগ দিয়া হওক—

(ক) ৰাজ্যপালৰ ভাষণৰ ৬ নং পৃষ্ঠাৰ প্ৰথম বাক্যটিৰ পিছতেই 'পূৱ ডেফেলি আৰু বেতনা মৌজাৰ হেজাৰ হেজাৰ বিঘা খেতিৰ মাটি সামৰি লোৱা অথচ আজিকোপতি অকাৰ্য্যকৰী হৈ থকা শুক্লাই জলসিঞ্চন আঁচনি পুনঃকাৰ্য্যক্ষম কৰা হওক।

(খ) ৰাজ্যপালৰ ভাষণৰ ১৩ নং পৃষ্ঠাৰ তৃতীয় দফাটিৰ পৰিবৰ্তে "মেলেৰীয়া ৰোগ বিয়পি পৰাটো চৰকাৰ কাৰণে উদ্বেগৰ কাৰণ হৈ পৰিছে। মেলেৰীয়া ৰোগ ক্ষীপ্ৰতাৰে নিয়ন্ত্ৰণত স্বাস্থ্য বিভাগৰ দুৰ্বলতাৰ কাৰণে অসমৰ ভালেমান অঞ্চল ভয়ানকভাবে মেলেৰীয়া ৰোগৰ কবলত পৰিছে। এই ৰোগ দ্ৰুততাৰে নিৰাময়ৰ কাৰণে ব্যাপক হাৰত ডি ডি টি ছটিওৱা, নগৰ অঞ্চলত ধোৱা দিয়া, শ্লাইড সংগ্ৰহ কৰা তেজৰ নমুনা ভ্ৰাম্যমান দলৰ দ্বাৰা পৰীক্ষা কৰা, বেচৰকাৰী সংস্থা আৰু পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানক জড়িত কৰি ৰাজহুৱা ভাবে উন্নত চিকিৎসা প্ৰদান কৰিবলৈ ব্যাপক হাৰত স্বাস্থ্য কৰ্মীৰ অচিৰেই নিযুক্তি দিয়া হওক।"

(গ) ৰাজ্যপালৰ ভাষণৰ ১৬ নং পৃষ্ঠাৰ প্ৰথম দফাৰ অন্তত "শিক্ষাৰ সম্প্ৰসাৰণৰ স্বাৰ্থলৈ লক্ষ্য ৰাখি শিক্ষাৰ ক্ষেত্ৰত বিনিয়োগ বৃদ্ধি আৰু বিভিন্ন হাৰত ভিন ভিন মাধ্যমত খালী হৈ থকা পদ সমূহ অচিৰেই মেধাৰ ভিত্তিত পূৰণ কৰাৰ কাৰণে ৰাজ্য চৰকাৰে প্ৰয়াস চলাব। অ বি বি শিক্ষক সকলৰ চাকৰি নিয়মীয়া কৰা হওঁক। ৰাজ্যখনত ভেন্সাৰ স্তৰত থকা বিভিন্ন বিদ্যালয় সমূহক পৰ্য্যায় ক্ৰমে প্ৰাদেশিকীকৰণ কৰা হওঁক।"

(ঘ) ৰাজ্যপালৰ ভাষণৰ ১৬ নং পৃষ্ঠাত "খাদ্য আৰু অসামৰিক যোগান" শীৰ্ষক দফাটিত—

১। ৰাজ্য চৰকাৰে কেৰাচিনৰ আৱণ্টন কেন্দ্ৰীয় চৰকাৰে হ্ৰাস কৰাত উদ্বেগ প্ৰকাশ কৰে আৰু কেৰাচিনৰ আৱণ্টন বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত টানি অনুৰোধ

জনায়। ৰাজ্য চৰকাৰে কেৰাচিন তেলৰ যোগানৰ ক্ষেত্ৰত চলি থকা দুৰ্নীতি, কলাবজাৰ আৰু খেলি মেলি আতৰ কৰাৰ কাৰণে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব। সাৰ্বজনীন ৰাজহুৱা বিতৰণ ব্যৱস্থা সুনিশ্চিত কৰাৰ কাৰণে প্ৰতিটো পৰিয়ালকে ৰাজ্য চৰকাৰে ৰেচন কাৰ্ড দিব। দৰিদ্ৰ সীমাৰেখাৰ তলত থকা সকলো লোকে বি পি এল কাৰ্ড পোৱাৰ ব্যৱস্থা কৰা হওঁক।"

২। হঠাতে দাম বঢ়াই মুনাফা লুণ্ঠন কৰা বৃহৎ ব্যৱসায়ী গোষ্ঠীৰ বিৰুদ্ধে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।"

(ঙ) ৰাজ্যপালৰ ভাষণৰ ২৬ নং পৃষ্ঠাৰ "শ্ৰম আৰু নিয়োগ" শীৰ্ষক আলোচনাৰ শেষত "ৰাজ্য চৰকাৰে নিযুক্তিৰ ক্ষেত্ৰত থকা সকলো নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিব আৰু চৰকাৰৰ বিভিন্ন দপ্তৰত খালী হৈ থকা পদ সমূহ পূৰ কৰাৰ ব্যৱস্থা শীঘ্ৰে গ্ৰহণ কৰা হওঁক।"

(চ) ৰাজ্যপালৰ ভাষণৰ ২২ নং পৃষ্ঠাৰ ". পৰিবহন"ৰ ওপৰত আলোচনাত দ্বিতীয় দফাৰ পিচত "ৰাজ্য চৰকাৰে ৰেল সেৱাৰ মান উন্নত কৰাৰ স্বাৰ্থত গজ ৰূপান্তৰ, দ্বৈত লাইন চাংসাৰী আৰু ৰঙিয়াকে ধৰি বিভিন্ন স্থানৰ গুৰুত্বপূৰ্ণ লেভেল ক্ৰছিংবোৰত উৰণীয়া সেতু নিৰ্মাণ কৰা আৰু কেন্দ্ৰীয় ৰেল বাজেটত প্ৰস্তাবিত ৰঙিয়াৰ পৰা ভূটানলৈ ৰেল পথ নতুনকৈ নিৰ্মাণৰ বাবে ভাৰত চৰকাৰক সম্ভৱপৰ সকলো পদক্ষেপ গ্ৰহণ কৰাৰ বাবে হেচা দিয়া হওঁক।"

(ছ) ২৮ নং পৃষ্ঠাৰ ৰাজহ শিতানৰ পিছতে "ভুমি সংস্কাৰ" শীৰ্ষক এটি দফা অন্তৰ্ভুক্ত কৰা হব লাগে আৰু এই শিতানত এই পৰ্য্যন্ত ৰাজ্যখনত গ্ৰহণ কৰা ভূমি সংস্কাৰ সংক্ৰান্তীয় ব্যৱস্থাৱলীৰ পৰ্য্যালোচনা হ'ব লাগে। ৰাজ্যখনত চিলিং বহিৰ্ভূত মাটিৰ পৰিমাণ, দেবোত্তৰ ব্ৰহ্মোত্তৰ, তৌজিভুক্ত আন আন ধৰণৰ মাটিৰ হিচাপ; চৰকাৰে অধিগ্ৰহণ কৰা মাটিৰ বিবৰণ প্ৰকৃতপক্ষে কিমান খেতিয়কক মাটিৰ পট্টা দিয়া হ'ল ইত্যাদি কথাবোৰ লিপিবদ্ধ হ'ব লাগে। কৃষিৰ উন্নতিৰ কাৰণে ৰাজ্য চৰকাৰে ভূমি সংস্কাৰ ক্ষেত্ৰত কি কি ব্যৱস্থা ল'ব তাৰো বৰ্ণনা কৰিব লাগে।"

(জ) মাননীয় ৰাজ্যপালৰ ভাষণৰ "৩৩ নং পৃষ্ঠাৰ প্ৰথম দফাৰ পিচত "দুৰ্নীতি ৰোধ" বুলি এটা দফা অন্তৰ্ভুক্ত হ'ব লাগে আৰু নিম্নোক্ত কথাখিনি সন্নিবিষ্ট কৰিব লাগে—

"চৰকাৰী আচনি সমূহৰ সঁচা অৰ্থত ৰূপায়ণৰ ক্ষেত্ৰত প্ৰধানতম অন্তৰায় হৈছে বিভিন্ন স্তৰত চলা দুৰ্নীতি আৰু ৰাজহুৱা ধনৰ অপচয়। ৰাজহুৱা ধনৰ অপচয় ৰোধ কৰা আৰু দুৰ্নীতি আৰু ৰাজহুৱা ধনৰ অপচয়। ৰাজহুৱা ধনৰ অপচয় ৰোধ কৰা আৰু দুৰ্নীতি নিৰ্মূল কৰাৰ স্বাৰ্থত চৰকাৰে কঠোৰতম পদক্ষেপ গ্ৰহণ কৰিব।"

**Mr. Speaker :** I now call upon Shri Rameswar Dhanowar to participate in the dabete.

**শ্ৰীৰামেশ্বৰ ধানোৱাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ সমৰ্থন কৰি মই দুআষাৰমান ক'বলৈ আগবাঢ়িছো। আমাৰ চৰকাৰ আগৰবাৰ ক্ষমতালৈ অহাৰ সময়ত দেশৰ অৰ্থনৈতিক অৱস্থা ইমান জুৰুলা হৈ আছিল যে তিনি চাৰিমাহ ধৰি চৰকাৰী কৰ্মচাৰী সকলে দৰ্মহাই পোৱা নাছিল। অৰ্থনৈতিক শৃঙ্খলা আনিবৰ কাৰণে আমাৰ চৰকাৰে আপ্ৰাণ চেষ্টা কৰিছিল। তাৰ ফলতেই আজি ৰাজ্যখনলৈ বিত্তীয় শৃঙ্খলা ঘুৰি আহিল। এতিয়া আৰু আমি ৰিজাৰ্ভ বেংকৰ অভাৰ ড্ৰাফট বিচাৰিব নালাগে। আমাৰ এতিয়া বিত্তীয় অৱস্থা ইমান টনকিয়াল যে আমি আৰু এতিয়া কাৰো ওপৰত নিৰ্ভৰ কৰিব নালাগে। এইয়া আমৰ চৰকাৰৰ বিত্তীয় ক্ষেত্ৰত কৃতিত্ব।

আইন শৃঙ্খলাৰ অৱস্থাটো আমাৰ চৰকাৰ শাসনলৈ অহাৰ সময়ত একেবাৰে ভাগি পৰিছিল। আমাৰ চৰকাৰে এই ভাগি পৰা অৱস্থাৰ পৰা আইন শৃঙ্খলাৰ অৱস্থাটোৰ উন্নতি ঘটাবৰ কাৰণে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল। যাৰফলত আজি আইন শৃঙ্খলাৰ পৰিস্থিতি স্বাভাৱিক হোৱাৰ লগে লগে যথেষ্ট উন্নতও হ'ল। আমাৰ চৰকাৰখনে আইন শৃঙ্খলা ৰক্ষা কৰাৰ লগে লগে ৰাজ্যখন আগুৱাই নিয়াৰ বাবে আৰু কিছুমান আচনি গ্ৰহণ কৰিছিল। বহুখিনি কল্যানমূলক আচনিও গ্ৰহণ কৰিছিল। তাৰ ভিতৰত কল্পতৰু আচনি, জ্ঞানজ্যোতি আঁচনি, ধৰ্মজ্যোতি আঁচনি আদি এনে ধৰণৰ বিভিন্ন আঁচনি চৰকাৰে গ্ৰহণ কৰিছিল। যাৰফলত আমৰ ৰাজ্যখনেই সাম্প্ৰতিক ভাৱে আগুৱাই যাবলৈ সক্ষম হ'ল।

দ্বিতীয়তে আমাৰ নিবনুৱা সমস্যাৰ কাৰণে ৰাজ্যখন একেবাৰে জুৰুলা হৈ পৰিছিল যে চাৰিওফালে হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছিল। সেয়ে নিবনুৱা সমস্যাৰ কাৰণে আমাৰ চৰকাৰে যিহেতু অকল চৰকাৰী চাকৰিৰে নিবনুৱা সমস্যাৰ সমাধান সম্ভৱ নহয়, সেয়ে আত্মসহায়ক গোট গঠন কৰাই নিবনুৱা সকলক আত্মনিৰ্ভৰশীল হ'বলৈ সহায় কৰি দিলে। চৰকাৰে তেওঁলোকৰ কাৰণে বিভিন্ন বেংকৰ যোগেদি ঋণৰ ব্যৱস্থাও কৰি দিছে। যাতে বেংকৰ ঋণ আদি লৈ আত্ম সংস্থাপন কৰি নিবনুৱা সকলে আত্মনিৰ্ভৰশীল হ'ব পাৰে। এই ধৰনে বহুতো নিবনুৱাই আত্মপ্ৰতিষ্ঠাৰ কাৰণে আজি সুযোগ পালে। এই ধৰণেই চৰকাৰে নিবনুৱা সমস্যা সমাধানৰ কাৰণে যথেষ্ট চেষ্টা কৰিছে। আজি শিক্ষাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে যিহেতু আৰ্থিক অৱস্থা টনকিয়াল কৰিব পাৰিলে সেয়ে শিক্ষাৰ ক্ষেত্ৰতো বহুতো আঁচনি গ্ৰহন কৰিলে, তাৰ ভিতৰত আমি দেখিছো প্ৰত্যেকখন কলেজক ১০ লাখকৈ টকা অনুদান দিয়াৰ ব্যৱস্থা কৰিলে। বিশ্ববিদ্যালয়ো অনুদানৰ পৰা বাদ পৰা নাছিল। তাৰোপৰি ইঞ্জিনিয়াৰিং কলেজ, মেডিকেল কলেজ আদি সকলোৱেই অনুদান পাইছে। আকৌ হাইস্কুল, হায়াৰচেকেণ্ডাৰী স্কুল, আনকি এম ই,

এম ভি স্কুলেও এই অনুদান পাইছে। শিক্ষাৰ ক্ষেত্ৰত শিক্ষাৰ আন্তঃগাঠনি সবল কৰিবৰ কাৰণে এই ধৰণৰ অনুদান দি শিক্ষানুষ্ঠানসমূহক গুৰুত্ব প্ৰদান কৰি চৰকাৰে শিক্ষা ব্যৱস্থাটোকে বহুখিনি আগবঢ়াই নিলে। এই ক্ষেত্ৰত আমি ক'ব পাৰোঁ যে ২০০৬ চনত আমাৰ ৰাজ্যৰ পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰ এতিয়া বহু বাঢ়ি গৈছে। ইয়াৰ দ্বাৰাই আমাৰ ৰাজ্যৰ শিক্ষাৰ উন্নত অৱস্থাটোকে সূচাইছে। আমি শিক্ষাৰ ক্ষেত্ৰতো যে আগবাঢ়িছো এইটো প্ৰতীয়মান হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে যোৱাবাৰ ৰাইজক প্ৰতিশ্ৰুতি দিছিল যে ৰাজ্যখনত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব বুলি আৰু আমাৰ চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ ৭ মাহৰ ভিতৰতে ৰাজ্যখনত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰি পঞ্চায়তৰ যোগেদি ৰাইজলৈ ক্ষমতা হস্তান্তৰ কৰা হ'ল। এতিয়া ৰাইজে পঞ্চায়তৰ জৰিয়তে বিভিন্ন উন্নয়ন মূলক কাম কৰি ৰাজ্যখনক উন্নতিৰ দিশত আগবঢ়াই নিবলৈ সক্ষম হৈছে। উদ্যোগৰ ক্ষেত্ৰত মই ক'ব খোজো যে আমাৰ ৰজ্যখনত বিভিন্ন বিভাগৰ অধীনত ৪৮ টা ৰাজহুৱা উদ্যোগ প্ৰতিষ্ঠান আছে— ইয়াৰে মাত্ৰ ৭ টাহে সুচল অৱস্থাত আছিল আৰু বাকীবোৰ মৃত্যুমুখী অৱস্থাত আছিল। আমাৰ চৰকাৰে এই মৃত্যমুখী ৰাজহুৱা প্ৰতিষ্ঠান সমূহ পৰ্য্যায়ক্ৰমে পুনৰ জীৱিত কৰিবৰ বাবে চেষ্টা চলাই আহিছে আৰু প্ৰথম পদক্ষেপ হিচাপে ৰাজ্যিক পৰিবহন নিগমক আমাৰ চৰকাৰে জীয়াই তুলিবলৈ সক্ষম হৈছে লগতে অসম চাহ নিগমকো পুনৰ জীৱিত কৰিবলৈ সক্ষম হৈছে। ইয়াৰ ফলত হেজাৰ হেজাৰ চাহ শ্ৰমিকৰ মুখত আজি ভাত কাপোৰ পৰিছে। এইটো কথা সঁচা যে আমি সকলো মৃতপ্ৰায় উদ্যোগ বা ৰাজহুৱা প্ৰতিষ্ঠান জীয়াই তুলিব পৰা নাই কিন্তু আমাৰ চৰকাৰে তাৰ কাৰণে বিভিন্ন প্ৰকাৰে চেষ্টা চলাই আহিছে আৰু অহা ৫ বছৰত এই ক্ষেত্ৰত আৰু সফল হ'ব বুলি মোৰ দৃঢ় বিশ্বাস। আমি দুই এটা ৰাজহুৱা প্ৰতিষ্ঠানৰ শ্ৰমিক কৰ্মচাৰী সকলক ভি আৰ এছ প্ৰদান কৰাৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰিছো। ৰাজ্যখনত নতুন উদ্যোগ স্থাপনৰ ক্ষেত্ৰটো আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। আপোনালোকে ইতিমধ্যে গম পাইছে যে অসমত গেছ ক্ৰেকাৰ প্ৰকল্প স্থাপনৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমতি লাভ কৰা হৈছে আৰু ইয়াৰ কাম অতি সোনকালেই আৰম্ভ হ'ব। আনহাতে আমাৰ চৰকাৰে ৰাজ্যখনত এটা বয়লাৰ টেষ্টিং কাৰখানা স্থাপনৰ কাৰণে কাৰ্য্যকৰী ব্যৱস্থা হাতত লৈছে। আগতে আমি এই কামৰ কাৰণে পশ্চিম বঙ্গলৈ যাবলগীয়া হৈছিল যাৰ বাবে ৰাজ্য চৰকাৰৰ যথেষ্ট টকা খৰছ হৈছিল। এতিয়া এই বয়লাৰ টেষ্টিং কাৰখানাটো স্থাপনৰ কাম সম্পূৰ্ণ হৈ উঠিলে ৰাজ্যখনৰ বহুতো নিবনুৱা যুৱকে ইয়াতে প্ৰশিক্ষণ লৈ নিজা ববীয়াকৈ সৰু সুৰা উদ্যোগ স্থাপন কৰিবলৈ সক্ষম হ'ব। চাহ উদ্যোগৰ ক্ষেত্ৰটো ৰাজ্যখনত কয়লাৰ দ্বাৰা কলঘৰ চলাই উৎপাদন ব্যয় কমাবৰ বাবে ব্যৱস্থা হাতত

লোৱা হৈছে আৰু এই কাম সম্পূৰ্ণ হ'লে ৰাজ্যখনৰ চাহ বাগান সমূহ উপকৃত হোৱাৰ লগতে চাহৰ দামো প্ৰতি কিলোত ৪-৫ টকাকৈ কমি আহিব। পৰিয়াল কল্যান আঁচনিৰ ক্ষেত্ৰটো আমাৰ চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। ৰাজ্যখনত ৩ হেজাৰ উপস্বাস্থ্য কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা হাতত লোৱা হৈছে আৰু ইয়াৰ কাম ভালেখিনি আৰম্ভ হৈছে লগতে এই স্বাস্থ্য কেন্দ্ৰ সমূহত একোগৰাকী ধাত্ৰী বা নাৰ্চ থকাৰ ব্যৱস্থাও চৰকাৰে কৰিছে। ইয়াৰ উপৰিও আমাৰ চৰকাৰে জিলা সদৰত থকা সকলো চিভিল হস্পিতাললৈ বিভিন্ন উন্নয়মূলক আঁচনি ৰূপায়ন কৰিবলৈ ৫০ লাখকৈ টকা আবণ্টন দিছে। ইয়াৰ উপৰিও গ্ৰাম্য জনসাধাৰণৰ স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দি প্ৰতিখন পি এইচ চিকে ৰাজ্য চৰকাৰে ৫০ লাখকৈ টকা দিছে। এই টকাৰে উক্ত স্বাস্থ্যকেন্দ্ৰ সমূহত বিভিন্ন উন্নত সা-সুবিধা উপলব্ধ হ'ব। স্বাস্থ্য বিভাগত বৰ্তমান খালী হৈ থকা বিভিন্ন পদো আমাৰ চৰকাৰে জৰুৰীভাৱে পূৰণ কৰাৰ ব্যৱস্থা হাতত লৈছে। আমাৰ বিভিন্ন জাতি-জনজাতি লোক সকলৰ চিডিউলিং কৰিবৰ বাবে ভাৰত চৰকাৰলৈ অনুমোদন জনাইছে। এনে হ'লে এই পিচপৰা লোক সকলৰ উন্নয়নৰ গতি ক্ষীপ্ৰ হ'ব। চাহ জনগোষ্ঠী, মটক, মৰাণ আদি সকলক জনজাতি হিচাবে ঘোষণা কৰিবলৈ আমি ভাৰত চৰকাৰক জোৰ দিছো। যাতায়তৰ ক্ষেত্ৰটো আমাৰ চৰকাৰে যোৱা ৫ টা বছৰত যথেষ্ট কাম কৰিছে— বহুত ৰাস্তা পকীকৰণ, দলং পকীকৰণ, পূল নিৰ্মাণ আদি কৰা হৈছে। আগৰ চৰকাৰৰ দিনত ৰাস্তাঘাটৰ অৱস্থা অতি শোচনীয় আছিল। আমি জানো যে পৰিবহন ব্যৱস্থা উন্নত নহ'লে ৰাজ্যৰ উন্নতি ক্ষীপ্ৰ নহয় সেয়ে আমাৰ চৰকাৰে এই ক্ষেত্ৰত যথেষ্ট কৰিছে— মুখ্যমন্ত্ৰীৰ ৰাষ্ট্ৰীয় চৰক পকীকৰণ আঁচনিৰ জৰিয়তে নতুন নতুন ৰাস্তা পকা কৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয় , আমি যিখিনি আঁচনি লৈছো আমাৰ বিশ্বাস অহা পাঁচ বছৰৰ বিতৰত সুকলমে পূৰণ কৰিব পাৰিম আৰু দেশখনক জয় জয় ময় ময় অৱস্থালৈ আনিব পাৰিম। ভাৰতবৰ্ষৰ কোনো এখন প্ৰদেশতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ল'ৰা-ছোৱালীক কম্পিউটাৰ দিয়া হোৱা নাই। কিন্তু আমাৰ চৰকাৰে সেই বিলাক ল'ৰা-ছোৱালীক কম্পিউটাৰ যোগান ধৰিছে। তাৰ ফলত ল'ৰা-ছোৱালীবিলাক উৎসাহিত হৈছে আৰু ফলাফলো আমি পাইছো। পাচৰ পৰীক্ষা বিলাকত অধিক সফলতা দেখুৱাইছে। আমি কোনো জাত-পাত বিচাৰ নকৰাকৈ সকলোকে কম্পিউটাৰ যোগান ধৰিছো। এই বিষয়ে বহুতে সমালোচনাও কৰিছে। কিন্তু আমাৰ চৰকাৰখনে চাৰিওফালৰ পৰা দেশখনক কেনেকৈ উন্নতিৰ পথত আগবঢ়াই নিব পাৰি তাৰ কাৰ্য্যকৰী ব্যৱস্থা হাতত লৈছে। আমি আশা ৰাখিছো অহা পাঁচ বছৰত আমি আমাৰ ৰাজ্যখনক আমাৰ উন্নতিৰ লক্ষ্যত আগবঢ়াই নিব পাৰিম। মাননীয় ৰাজ্যপালৰ

ভাষণৰ ওপৰত অনা ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Hon'ble Member, Shri Mebor Gogoi.

*শ্ৰীমেম্বৰ গগৈ ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত মই মাত্ৰ দুটামান কথা ক'ব বিচাৰিছো। ইতিমধ্যে উপৰোক্ত মাননীয় সদস্যজনে কৈ গৈছে। এটা কথা ঠিক যে যিখিনি কথা ইয়াত সন্নিৱিষ্ট কৰা হৈছে তাৰ ওপৰত ভিত্তি কৰিয়েই অসমৰ ৰাইজে মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত পুনৰ চৰকাৰ গঠন কৰিবৰ কাৰণে আমাক ইয়ালৈ পঠাইছে। ইয়াৰ পৰাই বুজা যায় যে যোৱা পাঁচ বছৰত অসমৰ ৰাইজৰ কাৰণে যিখিনি কাম কৰিছে তাত অসমৰ ৰাইজে সমৰ্থন জনাইছে। এখন দেশ উন্নত হ'বলৈ হ'লে প্ৰথমতে অৰ্থনৈতিক দিশটো ভাল হ'ব লাগিব। আমাৰ মুখ্যমন্ত্ৰীৰ নেতৃত্বত আপোনালোকে নিশ্চয় দেখিছে যোৱা চৰকাৰৰ দিনত দুই আঢ়ৈ বছৰ অৰ্থনৈতিক দিশটো উন্নতি কৰাৰ কাৰণে কেনেকৈ চেষ্টা কৰা হৈছিল। আৰু লাহে লাহে উন্নতি হোৱাৰ পিছত অন্যান্য দিশত দেশখনক কেনেকৈ আগুৱাই নিয়াৰ কাৰণে পদক্ষেপ লোৱা হ'ল দেখিছে। অৰ্থনৈতিক সাফল্যৰ লগতে দেখিছো আইন শৃংখলাৰ পৰিস্থিতি উন্নত হোৱাটো। আইন শৃংখলাৰ পৰিস্থিতি যদি ৰাইজৰ মনঃপুত নহ'লহেঁতেন তেতিয়া হ'লে কাকপথাৰৰ নিচিনা ঘটনাৰ পিছতো ৰাইজে আমাক ভোট নিদিলেহেঁতেন। তিনিচুকীয়া জিলাৰ আটাইকেইটা সমষ্টিতে আমাৰ দলৰ প্ৰাৰ্থী জয়ী হৈছে। কৃষি বিভাগৰ যোগেদি ৫৫ হাজাৰ ট্ৰেক্টৰ আৰু ২৪১২ খন পাৱাৰ টিলাৰ ৰাইজৰ মাজত বিতৰণ কৰা হৈছে। আমাৰ ৰাজ্যখন এখন কৃষি প্ৰধান দেশ। কৃষি প্ৰধান দেশ এখনৰ যদি অৰ্থনৈতিক উন্নতি কৰিবলগীয়া হয় তেতিয়া হ'লে কৃষিত মনোনিবেশ কৰিব লাগিব। আমাৰ চৰকাৰ এই ক্ষেত্ৰত সজাগ। ষ্টেট বেংঙ্কলৰ লগত যোগা-যোগ কৰি ৬০ হাজাৰ নলীনাদ আৰু ২০ হাজাৰ পাৱাৰ পাম্প দিয়াৰ ব্যৱস্থা কৰা হৈছে। ৰাইজক সকাহ দিয়াৰ কাৰণে মুখ্যমন্ত্ৰীয়ে কৰ্মজ্যোতি আঁচনি আৰু ধৰ্মজ্যোতি আঁচনিৰ জৰিয়তে সহায় কৰিছে। উৎপাদনমুখী আঁচনি হিচাপে কল্পতৰু আঁচনিৰ জৰিয়তেও ফলপ্ৰসু হৈছে। ধৰ্মজ্যোতি আঁচনিৰ বিষয়ে ক'ব খোজো যে এইখন দেশত শান্তি আনিবলৈ হ'লে আধ্যাত্মিক দিশত সফল হ'ব লগিব। ঢেকীয়া খোৱা নামঘৰত, মধুপুৰ সত্ৰ আৰু আজান পীৰৰ নামটো টকা দিছে। হাৰীয়ালী প্ৰজেক্টৰ কথাও আৰম্ভ হৈছে। এই প্ৰজেক্ট সফল কৰাৰ কাৰণে বিভিন্ন কতৃপক্ষক আহ্বান জনোৱা হৈছে। শিক্ষাৰ ক্ষেত্ৰত ইতিমধ্যে কৈছে। আমি জানো যে ৰাজ্যখনৰ উন্নতি কৰিবলৈ হ'লে চেলফ্‌হেল্প গ্ৰুপৰ যোগেদি কিছুমান কাম কৰিব লাগিব। সেই গ্ৰুপ বিলাকে কি কি কাম কৰিছে সেই বিলাক আমি চাব

* Speech not corrected

লাগিব। আমি কিছুমান এজেঞ্চি কৰি হ'লেও প্ৰতিটো পৰিয়ালক অৰ্থনৈতিক দিশত আগবঢ়াই নিব লাগিব। নহ'লে সুখ-শান্তি নহ'ব। এইখিনি কৈয়ে ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থন জনাই সামৰণি মাৰিছো।

**Mr. Speaker : Now, I call upon Shri Brindaban Goswami to participate in the debate on Governor's Address.**

**শ্ৰীবৃন্দাবন গোস্বামী :** মাননীয় অধ্যক্ষ ডাঙৰীয়া, দ্বাদশ অসম বিধান সভাৰ কংগ্ৰেছ দলৰ নেতৃত্বত বি পি পি এফৰ সমৰ্থনত গঠিত চৰকাৰখনলৈ মই ধন্যবাদ জনাইছো। আমাৰ দলে অসমৰ লাখ লাখ জনসাধাৰণৰ ৰায়লৈ চৰকাৰ গঠনৰ দিশত আগবাঢ়িছিল যদিও অসমৰ জনসাধাৰণে আমাৰ দলক বিৰোধীৰ দায়িত্ব দিলে আৰু আমি সেই কামত নিষ্ঠা সহকাৰে আগবঢ়াই নিম। মাননীয় ৰাজ্যপালৰ ভাষণৰ শেষৰ বাক্যশাৰী উল্লেখ কৰিব বিচাৰিছো!!! "নীতি আৰু কাৰ্য্যসূচীবোৰ ৰূপায়ণ কৰিবলৈ মোৰ চৰকাৰে সকলো প্ৰচেষ্টা হাতত ল'ব আৰু শান্তি আৰু উন্নয়ৰ দ্বৈত লক্ষ্যত উপনীত হ'বলৈ আহোপুৰুষাৰ্থ কৰিব। মই আশা ৰাখিছো সদনত আপোনালেকে কৰা আলোচনা-বিলোচনাই এই লক্ষ্য সাধনত সহায় কৰিব।"

অধ্যক্ষ ডাঙৰীয়া, আমি বিৰোধী পক্ষৰ ফালৰ পৰা চৰকাৰৰ নীতি আৰু কাৰ্য্যসূচী ৰূপায়নৰ ক্ষেত্ৰত গঠনমূলক ভাৱে আলোচনাত অংশ গ্ৰহণ কৰিম আৰু ৰাইজৰ উন্নয়নৰ কাৰণে লোৱা কাৰ্য্যসূচীত সহযোগ কৰিম। আজি এনে এটা অৱস্থা আহিছে যে বিগত দিন বিলাকত কোন চৰকাৰে কি কাম কৰিলে সেই বিলাক কথা নাহে। অহা দিনবিলাকত কি কৰিব লাগিব বা কৰিম তাক প্ৰত্যাহ্বান হিচাবে লৈহে আলোচনা হ'ব লাগে। অসম এখন সমস্যাবহুল ৰাজ্য। ইয়াত লাখ লাখ নিবনুৱা আছে। বহু বানাক্ৰান্ত লোক আছে। সেই সকলক সংস্থাপন দিয়াৰ দায়িত্ব আছে।

অধ্যক্ষ মহোদয়, আমি কংগ্ৰেছ বা এ জি পি বুলি নহয়,আমাৰ ৰাজ্যখনৰ সন্মুখত যিবিলাক প্ৰত্যাহ্বান আছে সেইবিলাক নিৰপেক্ষ ভাৱে সন্মুখীন হোৱাৰ বাবে মই চৰকাৰক আহ্বান জনাইছো। আমাৰ অসমৰ বিভিন্ন সমস্যাৰ ভিতৰত আমাৰ ২০ লাখ নিবনুৱাই আশাৰে বাট চাই আছে । আমি তেওঁলোকৰ কথা ভাবিব লাগিব। লক্ষ লক্ষ বান আক্ৰান্ত লোক সকলৰ অভাৱ অভিযোগ বিলাক আমি অৱহেলা কৰিব নোৱাৰো। তাৰোপৰি আমাৰ অসমত বহুতো সৰু-সুৰা জনগোষ্ঠী আছে আৰু সেই জনগোষ্ঠী সকলৰ যি আশা-আকাঙ্খা সেইখিনি আমি সদনত প্ৰতিফলিত কৰিব লাগিব। মই চৰকাৰক আহ্বান জনাইছো যে এই সমস্যাবিলাক নিৰপেক্ষ ভাৱে সমাধানৰ বাবে চৰকাৰে আগবাঢ়ক তাত আমাৰ সকলোৰে পূৰ্ণ সহযোগ থাকিব। মাননীয় অধ্যক্ষ

মহোদয়, ৰাজ্যপালৰ ভাষণত ৰাজ্যখনৰ আইন-শৃঙ্খলা সম্পৰ্কে ভালেমান কথা কোৱা হৈছে। আমাৰ বিধান সভাৰ যি ঐতিহ্য আছে এই ঐতিহ্য পৰম্পৰা ৰক্ষা কৰি আমি দল মত নিৰ্বিশেষে এই আইন-শৃঙ্খলাৰ সমস্যাবিলাক সমাধানৰ বাবে চৰকাৰক পূৰ্ণ সহযোগ আগবঢ়াম বুলি আজি মই কথা দিছো। কিন্তু চৰকাৰে এই বিলাক সমাধানৰ ক্ষেত্ৰত নিৰপেক্ষভাৱে আগবাঢ়িব লাগিব। কাৰণ ৰাজনীতিৰ কাৰণে বহুতো সৰু-সুৰা আইন-শৃংখলাৰ পৰিস্থিতি সৃষ্টি কৰে। যোৱা নিৰ্বাচনৰ আগতে এনে ধৰণৰ বহুতো সৰু-সুৰা আইনশৃংখলাজনিত ঘটনা হৈছিল। মাননীয় অধ্যক্ষ মহোদয়, আমি কিছুমান ক্ষেত্ৰত আইন শৃংখলাৰ সমস্যাৰ বাবে ৰাজনৈতিক ভাৱে সমাধানৰ বাবে আগবাঢ়িব লাগিব। এন ডি এফ বিৰ দৰে কিছুমান বিদ্ৰোহী সংগঠনে কিছুমান ৰাজনৈতিক প্ৰশ্ন উত্থাপন কৰিছে। তেওঁলোকৰ সমস্যাবিলাক সমাধানৰ বাবে ৰাজনৈতিক ভাৱে পদক্ষেপ ল'ব লাগিব। আমাৰ চৰকাৰে আলফা সমস্যা সমাধানৰ বাবে বৰ্তমান পি চি জি গ্ৰুপৰ লগত আলোচনা আৰম্ভ কৰিছে। আমি আশা ৰাখিছো এই সমস্যাটোৰ এটা আশু সমাধান ওলাব আৰু এই ক্ষেত্ৰত চৰকাৰৰ লগত আমাৰ পূৰ্ণ সহযোগ থাকিব। আমাৰ চৰকাৰে আলোচনা ফলপ্ৰসু কৰাৰ বাবে আলফা সংগঠনৰ কেইজনমান বন্দী সদস্যক 'পেৰলত' দিয়াৰ বাবে সিদ্ধান্ত লৈছে। এই সিদ্ধান্তৰ বাবে মই আগতেই চৰকাৰৰ পদক্ষেপক আদৰনি জনাইছিলো আৰু আজিও এই পবিত্ৰ সদনত মই আদৰণি জনাইছো। লগতে মই অনুৰোধ জনাইছো আমাৰ ৰাজ্যচৰকাৰে যি সদিচ্ছাৰে এই ক্ষেত্ৰত আগবাঢ়ি আহি এই সমস্যাটো সমাধানৰ ব্যৱস্থা ল'ব লাগে মাননীয় অধ্যক্ষ মহোদয়, আইন শৃঙ্খলাৰ প্ৰশ্নত মই চৰকাৰক আৰু এটা অনুৰোধ জনাম যে আজি অসমত যিখন চৰকাৰ গঠন হৈছে সেইখন কংগ্ৰেছ বা বি পি পি এফ দলৰ চৰকাৰ নহয়, সেইখন অসমৰ মানুহৰ চৰকাৰ, আমাৰ চৰকাৰ। গতিকে এই চৰকাৰৰ থাকিব লগিব নিৰপেক্ষ ভুমিকা আৰু নিৰপেক্ষ দৃষ্টিভংগী। অসমৰ প্ৰতিজন লোককে এই চৰকাৰে নিৰপেক্ষভাৱে নিৰাপত্তা নিশ্চিত কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, মই আশা ৰাখিছো আমাৰ চুবুৰীয়া ৰাজ্যকেইখনৰ সীমান্ত অঞ্চলত যি আইন - শৃঙ্খলাৰ পৰিস্থিতি হৈ আছে এই বিষয়ত চৰকাৰে মনোনিবেশ কৰিব লাগে। কাৰণ ইয়াৰ কাৰণে আমাৰ সীমামুৰীয়া অঞ্চলৰ যিসকল লোক, সেইসকলে নানা হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছে। অধ্যক্ষ মহোদয়, বৰ্তমান আমাৰ ৰাজ্যখনত বহুতো মহিলা বিক্ৰী হোৱা, বহুলোক অপহৰণ হোৱাৰ ঘটনা ঘটিছে। ইয়াৰ ভিতৰত বিৰোধী আৰু শাসকীয় দলৰ লোকো আছে আৰু এই বিষয়ে বাতৰিকাকত বিলাকত প্ৰকাশ পাইছে। এইবিলাক ঘটনাৰ ওপৰত নিৰপেক্ষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই চৰকাৰক অনুৰোধ জনাইছো। অসম চুক্তি ৰূপায়নৰ ক্ষেত্ৰত চৰকাৰে

যি ব্যৱস্থা লৈছে, দিল্লীত অনুষ্ঠিত হোৱা ত্ৰিপাক্ষিক বৈঠকত ১৯৭১ চনৰ মাৰ্চ মাহৰ পৰা নাগৰিকপঞ্জী প্ৰস্তুতকৰণৰ যি ব্যৱস্থা লৈছে, যি প্ৰতিশ্ৰুতি দিছে, অসম চুক্তি ৰূপায়ণৰ বাবে সদৌ অসম ছাত্ৰ সংস্থাৰ লগত আলোচনাৰ বাবে যি বিশেষ ব্যৱস্থা লৈছে তাৰ বাবে মই চৰকাৰক আদৰণি জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, মইআৰু এটা কথা ক'ব বিচাৰিছো, বৰ্তমান আমাৰ দেখশনত বিশ্বায়নৰ কথা চলি আছে। এনে ক্ষেত্ৰত আমাৰ দৃষ্টি ভংগী সলনি কৰিব লাগিব। ইয়াৰ পৰা আমি আতঁৰি থাকিব নোৱাৰো। কিন্তু আমি আমাৰ ৰাজ্যখনৰ সমস্যা বিলাক বিভিন্ন জনগোষ্ঠী বিলাকৰ সমস্যা বিলাক আওকান কৰিব নোৱাৰো। অসমৰ জনগোষ্ঠী বিলাক অৰ্থনৈতিক ভাৱে অতি দুৰ্বল আৰু বিশ্বায়নৰ প্ৰভাৱত এই জনগোষ্ঠী বিলাকেই বেছি ক্ষতিগ্ৰস্থ হয়। তথাপিও আমি বিশ্বায়নৰ দৃষ্টিভংগী ল'ব লাগিব। পৃথিবীৰ নতুন নতুন টেকন'লজী গ্ৰহণ কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰক দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আমাৰ এ জি পি দলৰ এজন বিধায়ক আজি সদনত উপস্থিত থাকিব পৰা নাই। তেওঁ দুবৃত্তৰ দ্বাৰা গুলিবিদ্ধ হৈ নতুন দিল্লীত চিকিৎসাধীন হৈ আছে। তেওঁ হৈছে আমগুৰিৰ প্ৰদীপ হাজৰিকা। তেওঁক আক্ৰমণকাৰীক উচিত শাস্তিৰ দাবীত যোৱা কালি এ জি পি দলে, বিধানসভাৰ সন্মুখত ধৰ্না দি ৰাজ্য চৰকাৰক আৰু মোৰ হাতত এখন স্মাৰক পত্ৰ দিছে। এই সংক্ৰান্তত এটা সংগঠনে দায়িত্ব স্বীকাৰ কৰিছে যদিও আমগুৰিৰ ৰাইজ আৰু শ্ৰীহাজৰিকাই নিজেও ইয়াত ৰাজনীতিৰ গোন্ধ পাইছে। সেই বাবে ইয়াৰ ওপৰত চি বি আইৰ দ্বাৰা এনকুৱাৰী কৰোৱাৰ বাবে দাবী জনাইছে। মই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক ইয়াৰ ওপৰত বিহিত ব্যৱস্থা ল'বলৈ অনুৰোধ জনাইছো। আমি দেখিছো, আমাৰ দলৰ বহু সদস্যৰ নিৰপত্তাৰক্ষী প্ৰত্যাহাৰ কৰিছে। বহুতৰ নিৰাপত্তা হ্ৰাস কৰিছে । কিন্তু মই চৰকাৰক আহ্বান জনাইছো নিৰপেক্ষ ভাৱে চৰকাৰে সকলোৰে নিৰাপত্তা সুনিশ্চিত কৰক। অসমত সুশাসনৰ বাবে নিৰপেক্ষ ভাৱে চৰকাৰে লোৱা সকলো ব্যৱস্থাকে আমি সমৰ্থন জনাম। মই আৰু বেছি কথা ক'বলৈ নাযাও। আমি পুৰণি সকলো কথা পাহৰি দল-মত নিৰ্বিশেষে অসমৰ ৰাইজক নিৰপেক্ষ দষ্টিভংগীৰে নিৰাপত্তা নিশ্চিত আৰু এখন সুস্থিৰ চৰকাৰৰ সেৱা দিবৰ বাবে আহ্বান জনাই মোৰ বক্তব্যৰ সমৰণি মাৰিলো।

**Mr. Speaker :** Now, Hon'ble Member, Shri Ranjit Dutta.

**শ্ৰীৰঞ্জিত দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি এই পবিত্ৰ সদনত মননীয় ৰাজ্যপাল মহোদয়ে যি ভষণ আগবঢ়ালে তাত আমাৰ বি জে পি দলৰ ফালৰ পৰা চৰকাৰক কিছু

গঠনমূলক পৰামৰ্শ দিব খুজিছো। আমি আশা ৰাখিছো যে বি পি পি এফ দলৰ সহযোগত গঠন কৰা এইখন চৰকাৰে অসমৰ ৰাইজক এখন নিৰপেক্ষ চৰকাৰ দিব পাৰিব। আৰু বিৰোধী দল বিলাকৰ পৰা যিবিলাক গঠন মূলক পৰামৰ্শ আগবঢ়োৱা হৈছে সেইবিলাক কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আগভাগ ল'ব। ৰাজ্যপালৰ ভাষণত, আইন শৃঙ্খলাৰ কথা উল্লেখ কৰিছে। ইতিমধ্যে পি চি জি গঠন কৰি আলফা সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত দুবাৰ আলোচনা কৰিছে আৰু তাৰ বাবে মই চৰকাৰক আদৰণি জনাইছো। ইয়াৰ লগতে সংগতি ৰাখি ৫ জন আলফা বন্দীক মুক্তি দিয়াৰ যি ব্যৱস্থা কৰিছে তাৰ বাবেও আমি চৰকাৰক আদৰণি জনাইছো। অধ্যক্ষ মহোদয়, চৰকাৰে ৰাজ্যৰ আইন শৃঙ্খলা পৰিস্থিতি উন্নত হৈছে বুলি কৈছে যদিও, আমি দেখা পাইছো যে বিভিন্ন ঠাইত আইন শৃঙ্খলাৰ পৰিস্থিতিৰ অৱনতি ঘটিছে। যোৱা নিৰ্বাচনৰ পিচত অগপ দলৰ প্ৰাক্তন মন্ত্ৰী তথা বৰ্তমান বিধায়ক প্ৰদীপ হাজৰিকাৰ ওপৰত আক্ৰমণ হৈছে। ইয়াৰ প্ৰতিবাদত আমগুৰি অঞ্চলৰ ৰাইজে বিধান সভাৰ সন্মুখত যোৱাকালি ধৰ্না দি ইয়াৰ ওপৰত চি, বি আইৰ তদন্তৰ দাবী কৰিছে। কেইদিনমান আগতে অইলৰ শ্ৰমিকৰ ওপৰত পুলিচে অতিশৰ্য্য চলাইছে। যোৰহাটত গনপদ চৌধুৰী নামৰ এজন ব্যৱসায়ীয়ে সাংবাদিকৰ ওপৰত আক্ৰমণ চলোৱাৰ ফলত আইন শৃংখলাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত চৰকাৰক পৰামৰ্শ আগবঢ়াইছো যে অসম চুক্তি ৰূপায়নৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে উদ্যোগ ল'ব লাগে। ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগতে অহা বিদেশী সকলক চিনাক্ত কৰি বহিস্কাৰৰ ব্যৱস্থা ল'ব লাগে। তাৰ কাৰণে মই অনুৰোধ কৰিছো। এতিয়া মই ক'ব বিচাৰিছো স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনাৰ বিষয়ে। ৰাজ্যত মেলেৰীয়াই ব্যাপক ৰূপ ধাৰণ কৰিছে। আঠুৱা দিয়া হৈছে দৰব পাতিও দিয়া হৈছে বুলি কোৱা হৈছে কিন্তু যি ধৰণে ৰাইজে পাব লাগিছিল সেই ধৰণে পোৱা নাই। চৰকাৰী গুদামত আঠুৱা বিলাক পৰি আছে। এইটো কিয় হ'বলৈ পালে। ডি ডি টি ছতিওৱা হৈছে কিন্তু সকলো ঠাইতে হোৱা নাই। ২৯ মে তাৰিখে এখন দৈনিক বাতৰিৰ সেনাবাহিনীৰ সমীক্ষাত কৈছে যে ৮৫ জন লোক মেলেৰীয়াত আক্ৰান্ত হৈ ঢুকাইছে বুলি কৈছে। কিন্তু চৰকাৰৰ সমীক্ষা মতে আঠজন বুলি কৈছে। এইটো কেনেকৈ হ'ব?

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, পেপাৰৰ মতে নহয় সেনা বাহিনীৰ মতেহে হ'ব। আপুনি কিবা পেপাৰ পাইছে নেকি? সেনাবাহিনীৰ পৰা কিবা পাইছে নেকি? (সদনত হুলস্থুল)

অধ্যক্ষ মহোদয়, দৈনিক কাগজত ৮৫ জন বুলি কোৱা হৈছে। সেনাবাহিনীৰ মতে আঠ জন আৰু ৮৫ৰ মাজত বহুত পাৰ্থক্য।

(সদনত বহুকেইজন সদস্যই একেলগে থিয় হৈ কথা কোৱাৰ বাবে একো শুনা নগ'ল।)

**Mr. Speaker :** Mr. Dutta, my ruling is : যদি Authentic Report আছে you can lay on the table or with the permission of the chair you can say. Newspaper clipping in no the Authentie report as per direction of the speaker.

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী :** মাননীয় অধ্যক্ষ মহোদয়, আমাক পইন্ট অৱ অৰ্দাৰ উঠাব দিয়া নাই। এই বিলাক বেয়া কথা।

**শ্ৰীৰঞ্জিত দত্ত ঃ** মাননীয় নতুন স্বাস্থ্যমন্ত্ৰীক আদৰণি জনাইছো যাতে তেখেতেও নতুন স্বাস্থ্য পায় আৰু দীৰ্ঘায়ু হয়। বিভিন্ন কেন্দ্ৰীয় আঁচনি আছে সেইবোৰ নতুন চৰকাৰে আগবঢ়াই নিব লাগে। অসম, মেঘালয়, অৰুনাচল আদি ৰাজ্যত অসমৰ মাটিত বেদখল কৰি আছে। অসমৰ মাটি যাতে অন্য ৰাজ্যৰ সীমাত সোমাই নেযায় তাৰ ব্যৱস্থাৰ বাবে নতুন চৰকাৰক অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক ল'ৰা-ছোৱালীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত পাচ কৰিছে, সেইসকল স্কুলীয়া ছাত্ৰ-ছাত্ৰীক চৰকাৰৰ তৰফৰ পৰা বিনামুলীয়াকৈ একোটা কম্পিউটাৰ যোগান ধৰিছে, কিন্তু বিজুলী বাতিৰ সুবিধা যিমান ধৰণে হ'ব লাগে সিমান হোৱা নাই। কালি সদন চলি অৱস্থাতে বিজুলী নোহোৱা হৈছে। বৰ্তমান গাঁও অঞ্চলৰ ল'ৰাছোৱালীয়ে বিজুলী যোগান নহ'লে কম্পিউটাৰ ব্যৱহাৰ ভালদৰে কৰিব নোৱাৰিব। সেয়ে বিজুলী যোগান যাতে অধিক হয় তাৰ বাবে অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, অসমতে চাহ প্ৰচুৰ পৰিমানে উৎপাদন হয়, কিন্তু চাহৰ মুখ্য কাৰ্য্যালয়টো অসমত নাই। ফলত আমাৰ খেতিয়ক ইয়াৰ দ্বাৰা লাভান্বিত হ'ব পৰা নাই। গতিকে এই চাহৰ মুখ্য কাৰ্য্যালয় অতি শীঘ্ৰে অসমলৈ অনাৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, এইবাৰ আমাৰ নতুন চৰকাৰ গঠন হৈছে, ভালেসংখ্যক মাননীয় বিধায়ক নতুনকৈ নিৰ্বাচিত হৈ আহিছে। প্ৰথম বাৰলৈ, বিধান সভালৈ অহা এইসকলো মাননীয় সদস্য সকলকো শাসক পক্ষৰে হওক বা বিৰোধী পক্ষৰে হওক

সকলোকে সমানে কথা কোৱাৰ সুবিধা দিব লাগে। আমি ইয়াত যিখিনি সমালোচনা কৰিছো সেইখিনি গঠন মূলক হ'ব লাগে। এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

**Mr. Speaker :** Now, Dr. Aditya Langthasa to speak.

**Dr. Aditya langthasa :** Hon'ble Speaker, Sir, we could not be of the same opinion on the motion of thanks to his excellency the governor of Assam in his address moved by Hon'ble Member Shri Rameswar Dhanowar.

Sir, We think the address should have reflected the hopes and expectetions of all sections of the people covering all the important issues and problemes of the state. In this regard, I would like to highlight few points to your notice. Sir, regarding the positive cash balance in the state treasury, it is not a sign of good governance, it could be a result of many compromises. In the agriculture sectior, I would like to state that the quantitative agricultural production throught mechanisation has been emphasised ignoring the qualitive organic treaditional farming which has more value in the present day market.

Sir, regarding the health scenero of the state, I would like to state that the pathetic scenerio of the health sector is clearly evident as his excellency had rightly mentioned about the lack of transparency inthe entire department. Secondly, all levels of health care system i.e. primary, secondary and tertiary are lackng in infrastructure, effective and quality serviece and resources. The three existing medical colledges of the state are far behind the national standard so much so that therir IMC recognition are at state.

Sir, the address also failed to find out the reasons for the present problem and spread of malaria which is a great public health concern, lack of well preparedness to combat the epidemic by the health agency, lack of modern and quick diagnos-

tic facilities and lack of effective and modern antimalarial drugs.

Sir, regarding the socio-economic and political solution to the ethnic violence and the separatist movement of the hills districts have not found place in his excellencyes address. Unemployment is the root cause of all the problems in our state. Government should have a positive attitude and commitment to solve such a buring problem. Hon'ble Speaker Sir, the lingering delay in the rehabilitation of the thousands of the affected families in the Karbi Anglong ethnic violence is a great social concern.

Regarding power sector, Sir, I would like to say that our state could be a power house if the flood is effectively contrlled and the water resourses are utilized for more and more hydro-electricity projects which did not appear in his excellency's address.

Therefore, I on behalf of my party leders and colleagues of AUDF offer our thanks to the Governor of Assam for his address. I assure, on behalf of the party, that we will cooperate the Government in all respect in its work. Thank you very much.

**Mr. Speaker :** Hon'ble member, Shri Drupad Borgohain.

**শ্ৰীদ্ৰূপদ বৰগোহাঁই ঃ** মাননীয় অধ্যক্ষ মহোদয় ৰাজ্যপালৰ ভাষণ পঢ়ি-শুনি কেইটামান বিষয়ৰ ওপৰত আমাৰ ধাৰণা হৈছে যে ৰাজ্যপালৰ ভাষণত একো নতুনত্ব নাই। ইমাণ কম সময়ত বিষয় এটাৰ ওপৰত আলোচনা কৰিবলৈ অসুবিধা হয়। মই একমিনিট দুই মিনিট বেছিকৈ লম। মাননীয় অধ্যক্ষ মহোদয় এতিয়া নিদিলেও ভবিষ্যতে দিয়ে যেন সেই বুলি মই অনুৰোধ কৰিলো। ৰাজ্যপালৰ ভাষনত সকলোবোৰ কথা সম্পূৰ্ণ ভাবে আমি আশা কৰা মতে পোৱা নাই। দ্বিতীয়তে ৰাজ্যপালৰ ভাষণত আইন শৃঙ্খলা ভাল হোৱা বুলি দাবী কৰা হৈছে। আইন শৃঙ্খলাৰ পৰিস্থিতি আগতকৈ উন্নত হৈছে যদিও একেবাৰে ভাল হোৱা আমি দেখা নাই। উদাহৰণস্বৰূপে মই মাননীয় সদস্য প্ৰদীপ হাজৰিকাৰ কথাৰে আঙুলিয়াব খোজো। তেখেতক চামগুৰিত আক্ৰমণ কৰি গুলীবিদ্ধ

কৰিলে। কিন্তু আইন শৃঙ্খলাত জড়িত লোক সকলে আজিলৈকে এই আক্ৰমণত জড়িত সকলক উলিওৱাৰ বিশেষ চেষ্টা কৰাতো আমি দেখা নাই। ঠিক তেনেদৰে কাক পথাৰত যিখিনি ঘটনা হ'ল তাৰো ক্ষেত্ৰত আমি তৎপৰতা দেখা নেপালো। কেইদিনমান আগতে ভৈৰবকুন্দত এচ এচ বিৰ জোৱানক হত্যা কৰা হ'ল। গতিকে আমি কেনেকৈ কম আইন শৃঙ্খলাৰ উন্নতি হৈছে বুলি। ৰাজ্যপালৰ ভাষণত কোৱাৰ দৰে আইন শৃঙ্খলাৰ উন্নতি হোৱা নাই। এই বিষয়ে মই চৰকাৰক বিবেচনা কৰিবলৈ অনুৰোধ কৰিছো। উগ্ৰপন্থী গোট সমূহৰ লগত আলোচনা আৰম্ভ কৰাৰ প্ৰক্ৰিয়া ভাল হৈছে। বিশেষকৈ 'আলফাৰ লগত আলোচনাৰ প্ৰক্ৰিয়াটো। অসমকে ধৰি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল, উত্তৰ বঙ্গ , ভুটান আৰু বাংলাদেশলৈকে আলফাৰ বিচৰণ ভূমি আছে। গতিকে তেওঁলোকৰ লগত আলোচনা কৰাতো ভাল হৈছে। কিন্তু এফালে আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰি আনফালে দমন নীতি প্ৰয়োগ কৰিলে এই সমস্যাৰ সমাধান কৰাতো সম্ভৱ নহ'ব। তৃতীয়তে কৃষিৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত বহু কাম কৰাৰ কথা কৈছে। চৰকাৰে কিছু কাম কৰিছে কৃষিৰ ক্ষেত্ৰত। আমি ভাল পাইছো। কিন্তু কৃষিৰ ক্ষেত্ৰত মেকনাইজ কালটিভেচনৰ দৰকাৰ। চৰকাৰে গছৰ গুৰিত সাৰ-পানী দিয়াৰ পৰিবৰ্তে পাতত সাৰ দিয়া দেখা গৈছে। যোৱা বাৰ মৌচুমী বায়ু প্ৰায় অসমলৈ নাহিলেই। ফলত আমাৰ অসমৰ শালিখেতি নষ্ট হৈ গ'ল। এই ক্ষেত্ৰত চৰকাৰে একো ব্যৱস্থা নল'লে। চৰকাৰে কৃষকক বেংকৰ ঋন দিয়াৰ কথা কৈছে। কিন্তু তেওঁলোকে বাৰু কেনেকৈ মাৰিব তাৰ উল্লেখ নাই। তেওঁলোকৰ কেপাচিটি নাই আমি সেইটো লক্ষ্য কৰিব লাগিব। অধ্যক্ষ মহোদয় মই চমু কৰিছো দুটামান কথাহে কম, কৃষিৰ মূল্য নিৰ্দ্ধাৰণ বিষয়তো যথেষ্ট খেলি মেলি সেইটো চৰকাৰে চাব লাগে। আমাৰ ৰাজ্যৰো এটা নাতি থাকিব লাগে। আটাইতকৈ ডাঙৰ কথা আমাৰ বেছি ভাগ লোকৰে মাটিৰপট্টা নাই। চৰকাৰে মাটিৰ পট্টা যিখিনি দিয়াৰ ব্যৱস্থা কৰিছিল সেইটো ভাল কথা। কিন্তু সেই বিলাক তেনেই কম। বেছিভাগৰে মাটিৰ পট্টা নাই। এই চৰকাৰে পট্টা দিম বুলি কৈছে যদিও যোৱাবাৰ বহুতকে উচ্ছেদহে কৰিছিল। আমাৰ শিৱসাগৰ জিলাত জেৰেঙা পথাৰ আদিৰ কৃষক কাৱৈমাৰি আদিৰ কৃষকৰ মাটিৰ পট্টা নাই। গতিকে চৰকাৰে মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

২২ লাখ নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে? তেওঁলোকৰ ভৱিষ্যত অন্ধকাৰ হৈ পৰিছে। মাননীয় সদস্য ধানোৱাৰ ডাঙৰীয়াই যাতায়তৰ উন্নতিৰ কথা কৈছে। কিন্তু আমি যাতায়তৰ বিশেষ উন্নতি হোৱা বুলি ভবা নাই। কেইটামান ৰাস্তাৰ উন্নতি হ'লেই যাতায়তৰ উন্নতি নুবুজায়। দুটামান হাইৱেৰ

অৱস্থা ভাল। কিন্তু সকলোবোৰৰ ভাল নহয়। আমাৰ ধোদৰ আলিৰ অৱস্থাই নাই। এই ৰজাদিনীয়া আলিটো নেচনেল হাইওৱেৰ ঘোষণা কৰাৰ দৰকাৰ। শেষত চাহ বাগিচাৰ লোক সকলৰ অৱস্থাৰ কথা কৈছো। তেওঁলোকৰ খোৱা পানীৰ ব্যৱস্থা নাই। সকলোতে মেলেৰিয়া হৈছে। অলপ দিনৰ পিছতে কলেৰা, হাইজা হ'ব। এই ক্ষেত্ৰত সঠিক পদক্ষেপ ল'বলৈ চৰকাৰলৈ অনুৰোধ কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Now, Mr. Mohibul Hoque, Hon'ble member is to speak:

**শ্ৰীমহিবুল হক :** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় বিধায়ক শ্ৰীৰামেশ্বৰ ধনোৱাৰ ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰি মই দুই চৰিটামান কথা কবলৈ ওলাইছো। প্ৰথমে মই তৰুণ গগৈ চৰকাৰক ধন্যবাদ দিব খুজিছো। যোৱা ৫ টা বছৰে তৰুণ গগৈৰ নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰে অসমত যি শান্তি সম্প্ৰীতিৰ আৰু প্ৰগতিৰ জোৱাৰ আনিলে তাৰ কাৰণে তেখেতৰ চৰকাৰক দুবাৰকৈ শাসনত বহুৱাবলৈ অসমৰ ৰাইজ বাধ্য হ'ল। ইয়াৰ কাৰণে মই তেখেত ধন্যবাদ জনাইছো। তেখেতে যিখিনি পৰিকল্পনা হাতত লৈছে অহা বছৰবোৰত সেইবোৰ বাস্তৱত পৰিণত হ'ব বুলি আশা কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, এখন ৰাজ্যত যদি আইন শৃঙ্খলাৰ পৰিস্থিতি উন্নত নহয় তেনেহলে উন্নয়ন মূলক আঁচনিবোৰৰ সফল ৰূপয়ন কৰিব নোৱাৰি। কিন্তু আমাৰ ৰাজ্যত যোৱা ৫ বছৰে আইন শৃঙ্খলাৰ পৰিস্থিতি উন্নত হৈছে। সেইটো আমি নিশ্চিত। এই কথাটো আজি অসম বিধান সভাৰ প্ৰতিজন সদস্যই স্বীকাৰ কৰিব। আজি দুই এটা ঘটনাৰ কথা কোৱা হৈছে, সেইটো আমি অস্বীকাৰ কৰা নাই। এইবিলাক কথা অকল ভাৰতবৰ্ষতে নহয়, গোটেই পৃথিবীতে ঘটি আছে। সন্ত্ৰাসবাদ সকালোতে আছে। আমেৰিকাৰ নিচিনা ইমান উন্নত আৰু ডাঙৰ দেশৰ বিল্ডিং সন্ত্ৰাসবাদে ধ্বংস কৰি বহুত মানুহ মাৰিলে। আজি সন্ত্ৰাসবাদীয়ে ইৰাকৰ গভৰ্ণৰক কিডনেপ কৰিছে। আমাৰ ভাৰতবৰ্ষৰ জম্মু কাশ্মীৰত দিনক দিনে কি হৈ আছে সকলোৱে জানে। যোৱা ৫ টা বছৰে আইন শৃঙ্খলাৰ পৰিস্থিতি কিমান উন্নত হৈছে এই কথা আমি সকলোৱে স্বীকাৰ কৰিব লাগিব। সৰু সৰু ঘটনা নোহোৱা নহয়। বীৰছা কামাণ্ড ফৰ্চ, কাৰ্বি আংলঙৰ ডিমাছা হালং, এন ডি এফ বি আদিৰ লগত আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। আজি আমি আনন্দিত যে আলফাৰ লগতো আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। যথেষ্ট আগবাঢ়িও গৈছে। ইয়াৰ বাবে তৰুণ গগৈ চৰকাৰ ধন্যবাদৰ পাত্ৰ। মাননীয় বিধায়ক বৃন্দাবন গোস্বমীয়ে তৰুণ গগৈৰ নিৰপেক্ষতাৰ ওপৰত প্ৰশ্ন অৱতাৰণা কৰিছে, তৰুণ গগৈ দেৱ নিৰপেক্ষ আৰু উদাৰ হোৱাৰ বাবেই কল্পতৰু আঁচনিৰ যোগেদি সকলো দললৈকে সাহাৰ্য্য দিয়া হৈছে। ১০ লাখকৈ টকা কলেজ বিলাকক দিয়া হৈছে। অকল

---

* Speech not corrected

কংগ্ৰেছ দলৰ এম এল এ চেয়াৰমেন হৈ থকা কলেজে পোৱা নাই। ইয়াত এ জি পি, বি জে পি কোনো বাদ পৰা নাই। সকলোৱে পাইছে। সকলোকে নিৰপেক্ষ ভাবে সুবিধা দিয়া হৈছে। এ জি পিৰ দিনত কংগ্ৰেছ দলৰ এম এল এক একেবাৰে অদৃষ্ট কৰা হৈছিল। তৰুণ গগৈৰ নেতৃত্বত অসমত এতিয়া শান্তি, প্ৰগতিৰ এক জোৱাৰ আহিছে। ইয়াকে কৈ মই মোৰ ধন্যবাদসূচক প্ৰস্তাৱৰ সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker : Ripun Bora, Hon'ble Minister is to speak:**

* **শ্ৰীৰিপুন বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত বিভিন্ন সদস্যই মতামত আগবঢ়াইছে। যুক্তি তৰ্ক এই বিলাক চলিয়েই থাকিব। চৰকাৰৰ প্ৰতিনিধি হিচাবে মই দুটামান কথা কব খুজিছো। বৃন্দাবন গোস্বামী ডাঙৰীয়াই যি সংশোধনী অনাৰ কথা কৈছে, তাৰ মই তীব্ৰ বিৰোধিতা কৰো। কাৰণ ইয়াৰ প্ৰাংসগিকতা নাই। ১৫ মিনিট সময় যথেষ্ট নহয়। ৫ ঘণ্টা দিলেও শেষ কৰিব নোৱাৰি। প্ৰথম কথা হ'ল যোৱা ৩ টা দশকৰ ভিতৰত গোটেই ভাৰতবৰ্ষৰ ভিতৰতে কেৱল ৱেষ্টবেংগলৰ বাহিৰে এখন চৰকাৰে একেৰাহে দুবাৰকৈ ক্ষমতালৈ অহা নাই। আমাৰ অসমত তৰুণ গগৈ নেতৃত্বত কংগ্ৰেছ চৰকাৰ পুনৰবাৰ শাসনলৈ আহিছে। আমি যোৱা ৫ বছৰে নিৰ্বাচনী ইস্তাহাৰত যিবিলাক কথা কৈছিলো সেইবিলাক কাম দেখিয়েই ৰাইজে আমাক পুনৰবাৰ নিৰ্বাচন কৰিলে। বিকশিত অসমৰ কথা ৰাইজে হৃদয়ংগম কৰি আমাৰ চৰকাৰ পুনৰ প্ৰতিষ্ঠা কৰিলে। বাতৰি কাকতত বহু লিখিছিল। কাকপথাৰৰ ঘঠনাক বহুতে কিবা কিবি কৈছিল। বৃন্দাবন গোস্বামীক জ্যোতিষীয়ে ভাবী মুখ্যমন্ত্ৰী পাতিছিল। ইউ ডি এফ দল হোৱাত বিৰোধী সকল আনন্দিত হৈছিল। কিন্তু সকলো আশা ধূলিশ্যাত কৰি তৰুণ গগৈৰ নেতৃত্বত আমাৰ দলে পুনৰবাৰ চৰকাৰ গঠন কৰিলে। এয়া মেজিক নহয়।

মই এই সম্পৰ্কত মিচন সম্পৰ্কে ক'ব বিচাৰিছো। অৱশ্যে তেখেত থাকিলে ক'বলৈ ভাল নালাগে। তথাপি তেখেতৰ উদ্দেশ্য এই সন্মানিত সদনৰ জৰিয়তে ৰাইজক জনাব বিছাৰিছো। নিৰ্বাচনৰ আগতে অগপ যুব ছাত্ৰ পৰিষদে আমাৰ মুখ্য মন্ত্ৰীৰ মূৰ্তি জ্বলাই শ্ৰাদ্ধ পাতি পিণ্ড পৰ্য্যন্ত দিলে। ৰামনাম সত্য বুলি মুখ্যমন্ত্ৰীক জ্বলালে। তেতিয়া মই মুখ্যমন্ত্ৰীৰ ওচৰলৈ গৈ ক'লো যে আমাৰো যুব কংগ্ৰেছৰ ছাত্ৰ সকলে হাতী চোচোৰাই ৰাজ আলিয়েদি নি মূৰ্ত্তি দাহ কৰক। কিন্তু তেখেতে এই বিলাক সস্তীয়া কাম নকৰিব বুলি কলে। ৰাইজৰ মনত প্ৰতিক্ৰিয়া হ'ব। সেয়ে আজি মুখ্যমন্ত্ৰীক ৰাইজে ভাল পায়। যোৱা বাৰ এবছৰ আগতেই মুখ্যমন্ত্ৰী তিৰুপতিলৈ গৈছিল। তেওঁৰ লগত জেষ্ঠ বিষয়া এম জি কে ভানু গৈছিল। তেতিয়া কেন্দ্ৰত এন ডি এ চৰকাৰ চলি আছিল। তিৰুপতিত এডাল গছ আছে তাত সেৱা কৰিলে মনোবাঞ্চা পূৰ্ণ হয় বুলি কয়। মুখ্যমন্ত্ৰীয়ে সেৱা

---

* Speech not corrected

কৰাৰ পিছত ভানু ডাঙৰীয়াই সুধিলে যে আপুনি চেণ্ট্ৰেল মিনিষ্টাৰ হ'ল, অসমৰ মুখ্যমন্ত্ৰী হ'ল আপোনাৰ আৰু কি মনোকামনা আছে। তেতিয়া তেখেতে ক'লে যে এন. ডি. এ. চৰকাৰৰ কোনো বিধি পথালি নোহোৱাকৈ যাতে অসমখন উন্নতিৰ পথত চলাই যাব পাৰো এয়ে মোৰ কামনা। সেয়ে আজি তিনিটা দশক অসমত কংগ্ৰেছ চৰকাৰ সুকলমে চলি আছে। এইখিনিতে মই এটা কথা ক'ব বিচাৰিছো যে ইয়াৰ আগতে আমাৰ বৃন্দাবন গোস্বামী ডাঙৰীয়াই ২ খন কিতাপ সদায়ে লগত লৈ ফুৰে। আজি দেখিলো নাই। এখন হ'ল আমাৰ নিৰ্বাচনী ইস্তাহাৰ আৰু আনখন অভিযোগনামা। তেখেতে কৈছিল অতীতক পাহৰি যাব লাগে। মই ক'ব বিচাৰিছো অতীতক পাহৰি যাব নালাগে।

**শ্ৰীবৃন্দাবন গোস্বামী :** মাননীয় অধ্যক্ষ মহোদয়, মই কোৱা কথাটো তেখেতে ভূল অৰ্থত লৈছে। অতীতক পাহৰি আমি ভৱিষ্যতত আগবাঢ়ি যাম বুলি কথা দিলো।

* **শ্ৰীৰিপুণ বৰা :** অতীতক পাহৰি গ'লে বৰ্তমান নাথাকিব, বৰ্তমান নাথাকিলে ভৱিষ্যতো নাই, কোনো ইতিহাস নাথাকিব। অতীতক কেনেকৈ পাহৰি যাব। সেই গুপ্ত হত্যাৰ কথা, এল ও চি কেলেঙ্কাৰীৰ কথা। বিভিন্ন সময়ত বিভিন্ন কেলেঙ্কাৰীৰ কথা, অতীত থাকিব।

মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰসংগত মই শিক্ষা বিভাগটো আনিব বিচাৰিছো। ৰাজ্যপালৰ ভাষণত এই বিভাগৰ কথা পৰিস্কাৰ হৈছে। যোৱা ৫ বছৰ যিখিনি কাৰ্য্যৱলী হাতত লোৱা হৈছিল আৰু কেনেকৈ আগবঢ়াই নিয়া হৈছে, অহা পাঁচ বছৰতো কেনেকৈ আগবঢ়াই নিয়া হ'ব তাৰ প্ৰতিচ্ছবি স্পষ্ট ধৰণে ৰাজ্যপালৰ ভাষণত দাঙি ধৰিছে। যি শিক্ষা ব্যৱস্থা চুৰ্ণ বিচুৰ্ণ আছিল সেই বিভাগটো পুনৰ গঠন কৰি উন্নতিৰ পথত আগবঢ়াই নিয়া হৈছে। যোৱা ৫ বছৰত অন্যান্য বিভাগ সমূহকো আমাৰ মুখ্যমন্ত্ৰীয়ে সমভাৱে গুৰুত্ব দিছে। আমাৰ চৰকাৰৰ শিক্ষানীতিয়ে প্ৰৱেশিকা পৰীক্ষাৰ ফলাফল য'ত ৩৩ শতাংশ আছিল তাত আজি ৫৩ শতাংশ হৈছে। তাৰোপৰি হায়াৰ ছেকেণ্ডাৰী ৪৪ শতাংশৰ পৰা গৈ এইবাৰ ৭২ শতাংশ হৈছে। যিটো পুনৰ গঠন হৈছে সেইটো অসমৰ স্বাভাৱিক পৰিবেশ, শান্তিৰ বাতাবৰণে শিক্ষাৰ মানদণ্ড উন্নত কৰিছে। আমাৰ মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীক কম্পিউটাৰ দিছে। আন আন সা সুবিধাও দিছে। মুখ্যমন্ত্ৰীক জ্বলাই দিবলৈ ভৱিষ্যত প্ৰজন্মক শিক্ষা দিয়া নাই। সেই কাৰণে ৰাইজে গণ পৰিষদক নাকচ কৰিছে। আইন শৃঙ্খলাৰ কথা আছে। ইয়াৰ আগৰ বাস্তৱ পৰিস্থিতিৰ কথা মনত পেলাই চাব লাগে। ১৯৮৫ চনৰ নিৰ্বাচনত এ জি পিৰ বাহিৰে অন্য দলে প্ৰচাৰ কৰিবই নোৱাৰিছিল। ১৯৯১ চনত আৰু ১৯৯৬ চনৰ নিৰ্বাচনত ৰক্তাক্ত পৰিবেশ আৰু ২০০১ চনৰ নিৰ্বাচন মনত পেলাওক আৰু ২০০৬ চনৰ নিৰ্বাচন চাওঁক কিমান শান্তিপূৰ্ণ। প্ৰদীপ হাজৰিকাক

* Speech not corrected

গুলিওৱা কামটো আমি ভাল পোৱা নাই। এইটো আমাৰ কংগ্ৰেছ চৰকাৰে কনডেম কৰিছে। এনে দুই এটা ঘটনাৰ বাহিৰে সামগ্ৰীক ভাবে পৰিস্থিতি শান্তিপূৰ্ণ আছিল। ইয়েই আইন শৃঙ্খলা অটুট থকা প্ৰমাণ কৰে। মাননীয় বৃন্দাবন গোস্বামীয়ে কোৱাৰ দৰে অপৰাধ বঢ়া নাই। অসমত যিবিলাক চেলফ হেলপ ব্যৱস্থা কৰা হৈছে তাৰ দ্বাৰা বহুত উপকৃত হৈছে। ক্ৰাইম আছে। কিন্তু সেই বিলাক ডাউৰী চেক্স বা ৰিলেটেড ক্ৰাইম। তাৰ বাহিৰে চুৰি ডকাইটি ক্ৰাইম কমি গৈছে। তাৰ কাৰণ হৈছে পঞ্চায়তী ৰাজ ব্যৱস্থা। ছাব্বিশ হাজাৰ প্ৰতিনিধিয়ে বিভিন্ন উন্নয়নৰ কাম কৰিছে। এক লাখ চেলফ হেল্প আঁচনিত এক লাখ মানুহ জড়িত হৈ আছে। কল্পতৰু আদি আঁচনিতো বহুত লোক উপকৃত হৈছে। এইটোয়েই কথা যে অৰ্থনৈতিক ভাবে জীৱনৰ মানদণ্ড উন্নত হ'লে ক্ৰাইম বহুত কমি যায়। তাৰোপৰি মানুহ আইড'ল হৈ থাকিলে মনলৈ নানা ধৰণৰ বেয়া চিন্তা আহে। সেয়ে এই আঁচনি সমূহে মানুহক ব্যস্ত ৰখাত ক্ৰাইমো কমি গৈছে।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই বাৰ আমাৰ চৰকাৰখনে এটা অভিলেখ সৃষ্টি কৰিছে আৰু এইবাৰৰ চৰকাৰ খনে আগৰ সকলো ক্ষেত্ৰতেই থকা অভিলেখ ভঙ্গ কৰিছে। আমাৰ এইবাৰৰ চৰকাৰখনে এটা অভিলেখ ভঙ্গ কৰিছে সেইটো হ'ল এটা বৃহৎ জনেগোষ্ঠীয়ে আজি দীৰ্ঘ দিন ধৰি আন্দোলন কৰি আহিছিল। সেই গোষ্ঠীটো হৈছে বড়ো জনগোষ্ঠী। বড়ো জনগোষ্ঠীৰ প্ৰতিনিধি এ জি পি বা কংগ্ৰেছ দলতো আছে। সেই কথাটো আমি বাদ দিছো। কিন্তু বড়ো লোক সকলে সামগ্ৰীক ভাৱে আন্দোলন কৰি আহিছিল আৰু কেৱল তেওঁলোকে বাৰে বাৰে বিৰোধী দলৰহে আসনত বহিছিল আৰু চৰকাৰৰ লগত বহি কাম কৰাৰ অংশীদাৰ হ'ব পৰা নাছিল। আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত সুদীৰ্ঘ চাৰি বছৰৰ পিচত সেই বৃহৎ জনগোষ্ঠীটোৱে চৰকাৰৰ অংশীদাৰ হোৱাত এটা ডাঙৰ ইতিবাচক দিশ প্ৰতিফলিত হৈছে। লগতে আমাৰ ৰাজ্যখনৰ কাৰণে এটা ইউনিটি, ইউটিপ্ৰিটি, হাৰমনি আৰু অল ৰাউণ্ড ডেভেলপমেণ্টৰ ক্ষেত্ৰত ডাঙৰ ইতিবাচক কথা হ'ব। সেই কাৰণে আমি ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ জনাব খুজিছো। মই আৰু বেছি দীঘলীয়াকৈ ক'ব খোজা নাই। মাত্ৰ শিক্ষা বিভাগৰ ক্ষেত্ৰত অলপ কথা কব বিচাৰিছো। অহা পাঁচ বছৰৰ ভিতৰত শিক্ষা বিভাগৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব দিয়া হ'ব। অহা বছৰটোত আমি এই বিভাগটোত ব্যাপক সংস্কাৰ কৰিব বিচাৰিছো আৰু সেই সংস্কাৰৰ অংশ হিচাবে অসমত ৩৩ হাজাৰ প্ৰাথমিক পৰ্য্যায়ৰ স্কুলঘৰ নিৰ্মাণৰ কাৰণে যি লক্ষ্য নিদ্ধাৰণ কৰা হৈছিল তাৰ ভিতৰত ২৮ হাজাৰ স্কুলঘৰ ইতিমধ্যে সাজি উলিওৱা হৈছে। বাকী যি ৫ হাজাৰ স্কুলঘৰ পকীকৰণ কৰিবলৈ বাকী আছে সেই ৫ হাজাৰ স্কুলঘৰ পকীকৰণ কৰি সাজি উলিওৱাৰ উপৰিও আৰু অতিৰিক্ত ভাবে আমি এডিচনেল ক্লাছ ৰুম বনাবৰ কাৰণে

ঠিক কৰিছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যি সপোন আছিল সেই সপোন মতে ভৱিষ্যৎ প্ৰজন্মই যাতে মাটিৰ ঘৰ বা বাহৰ বেৰৰ ঘৰত বহি পঢ়িব লগা নহয় তাৰ কাৰণে প্ৰাথমিক স্কুল বিলাক পকীকৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও ইউনিচেফৰ পৰা এটা প্ৰগ্ৰেম উলিয়াইছে। তেওঁলোকে স্কুল বিলাকত চেনিটাৰী আৰু খোৱাপানী যোগান ধৰাৰ ক্ষেত্ৰত সা-সুবিধা আগবঢ়োৱাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ ৰাজ্যখনৰ কাৰণে ইয়াৰ দায়িত্ব পি এইচ ই বিভাগক দিয়া হৈছে। অহা পাচটা বছৰত আমি সেই কাম খিনি কৰিম। তেতিয়া আমাৰ আৰু বেছি সমস্যা নাথাকিব। এই বিলাকৰ উপৰিও যোৱা বছৰ প্ৰাথমিক বিদ্যালয়ৰ ৭৭ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ২কৌটি বিনামূলীয়া পাঠ্যপুথি বিতৰণ কৰি দিয়া হৈছিল। এই বিনামূলীয়া পাঠ্যপুথি ২০০৩ চনৰ পৰ ২০০৫ চনলৈ কণ্টিনিউ ৩ বছৰ ধৰি বিতৰণ কৰি আহিছো। তাৰোপৰি মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে চাহ বাগিছাৰ স্কুল আৰু ভেনচাৰ স্কুলবিলাককো এই ক্ষেত্ৰত আমি লৈছো। অহা বছৰো এই ক্ষেত্ৰত আমি ব্যাপক ভাৱে সামৰি লোৱাৰ কাৰণে ঠিক কৰিছো। যোৱা বছৰ ডিচেম্বৰ মাহত বিনামূলীয়া পাঠ্যপুঠি প্ৰকাশ কৰি উলিয়াইছিলো। এই বছৰ আমি টাৰগেট লৈছো নবেম্বৰ মাহতেই বিনামূলীয়া পাঠ্যপুথি প্ৰকাশ কৰি উলিয়াম। মাননীয় অধ্যক্ষ মহোদয়, আটাইতকৈ ডাঙৰ কথা আগৰ চৰকাৰৰ দিনত তেখেত সকলে বিনামূলীয়া পাঠ্যপুথি বিতৰণ কৰাতো বন্ধ কৰি দিছিল। আগতে তেখেত সকলে বিনামূলীয়া পাঠ্যপুথি কলিকতা তথা অসমৰ বাহিৰৰ প্ৰেছতহে ছপা কৰি আনিছিল। কিন্তু আমি আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশত ইমান বৃহৎ পৰিমাণৰ কিতাপ বাহিৰৰ ৰাজ্যৰ প্ৰেছত নচপাই অসমৰ ২১৪ টা থলুৱা প্ৰেছত ছপা কৰি উলিয়াইছো। দুপৰীয়াৰ আহাৰ যোগান ধৰা যিটো কাৰ্য্যসূচী প্ৰাথমিক স্কুলবিলাকত আছিল সেইটো প্ৰায় স্থবিৰ হৈছে আৰু সেইটো আমি উপলব্ধি কৰিছো। অতি কম দিনৰ ভিতৰতে আমি সেই আচনিটো কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম আৰু সেই কাৰ্য্যসূচী প্ৰণয়ন কৰিম। ভেকেণ্ট পোষ্ট যিবিলাক আছে সেই পোষ্ট বিলাক ফিল আপ কৰাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিম। প্ৰাইমাৰীৰ পৰা হায়াৰ ছেকেণ্ডাৰী এডুকেশ্বন লেভেললৈকে যিবিলাক ভেকেণ্ট পোষ্ট আছে সেই পোষ্ট বিলাক ফিল আপ কৰাৰ কাৰণে যিবিলাক প্ৰচেছ আছে সেই আটাই বিলাক প্ৰচেচেই আমি এক বছৰৰ ভিতৰত সম্পূৰ্ণ কৰি ফিল আপ কৰাৰ ব্যৱস্থা কৰিম। যিবিলাক হেড মাষ্টাৰ বা হেডমিষ্ট্ৰেচৰ পোষ্ট খালি হৈ আছে সেই বিলাক পোষ্ট ফিলআপ কৰাৰ কাৰণে আমি ব্যৱস্থা ল'ম। শিক্ষা ব্যৱস্থাটো জনমুখী কৰি তোলা যেহ'ব সেই কথাটো ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে। এইখিনিকে কৈ ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থৰ খাটিৰত বিৰোধী দলৰ সদস্য

সকলক এই সংশোধনী প্ৰস্তাৱ উঠাই লোৱাৰ কাৰণে অনুৰোধ জনাই আৰু ৰাজ্যপালৰ ভাষণখন বিপুল ভাৱে সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : চাৰ পইণ্ট অৱ অৰ্ডাৰ। চাৰ, অসত্য বুলি কোৱাৰ কাৰণে গেলেৰীৰ পৰা প্ৰেছ ৰিপোৰ্টাৰ সকল বয়কোট কৰি গুচি গ'ল। সেই কথাটো মই আপোনাৰ দৃষ্টিগোচৰ কৰিলো।

**Mr. Speaker : Mr. Chandra Mohan Patowary.**

* **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী :** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে কংগ্ৰেছ আৰু বি পি পি এফ (এইচ) লগ হৈ অসমত যিখন যুক্ত ফ্ৰণ্ট চৰকাৰ গঠন কৰা হৈছে সেই চৰকাৰখনৰ প্ৰতি মই শুভেচ্ছা জনাইছো। মই আমাৰ মাননীয় দলপতি বৃন্দাবন গোস্বামী ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ মাননীয় শ্ৰীযুত তৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত যিখন কুৱালিচন চৰকাৰ গঠন কৰা হৈছে সেই চৰকাৰৰ সকলো গঠনমূলক কাম কাজ আৰু ৰাইজৰ উন্নতিৰ ক্ষেত্ৰত আমি সকলো ধৰণৰ সহায় সহাযোগিতা আগবঢ়াম। সেই কথাখিনি আমাৰ দলপতি বৃন্দাবন গোস্বামী ডাঙৰীয়াই ইতিমধ্যে কৈ গৈছে আৰু আমি সেই কথাখিনি ৰক্ষা কৰিম। মাননীয় অধ্যক্ষ মহোদয়, মোৰো ২০ বছৰ বিধায়ক হোৱাৰ অভিজ্ঞতা আছে। আমাৰ চকুৰ আগতে বিধান সভাৰ মজিয়াত বিভিন্ন পৰিবেশ পাৰ হৈ গৈছে। আমি তেনেকুৱা এটা পৰিবেশৰ পুনৰাবৃত্তি হোৱাটো নিবিচাৰো। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সকলোৰে দিগনীতি থাকিব লাগিব। চৰকাৰে আৰু মাননীয় সদস্য সকলে এই সদনৰ দিগনীতি ৰক্ষা কৰি চলিব লাগিব। আমাৰ দল মত নিৰ্বিশেষে সকলোৰে গ্ৰিভেনচেচ আছে। গণতান্ত্ৰিক পদ্ধতিত অঙ্কৰ হিচাব নিকাচ হয় আৰু সেই মতে কংগ্ৰেছৰ লগত বি পি পি এফ (এইচ) লগ লাগি সংখ্যাত বেচি হোৱাত তেখেত সকলে চৰকাৰ গঠন কৰিছে। বৰ্তমানৰ চৰকাৰখনে ৰাইজৰ যিখিনি ভাল চিচটেম আছে আৰু যিখিনি ভাল চিচেটেম বৈ গৈছে সেইখিনি চৰকাৰে গ্ৰহণ কৰি কাম কাজ চলাই গ'লে ৰাজ্যখনৰ উন্নতিত সহায়ক হ'ব, আৰু এইখিনি কথা যদি আমি বিৰোধী পক্ষৰ আসনৰ পৰা ক'বলৈ যাওঁ তেতিয়া কোনোবাই যদি গন্দগোল কৰা বুলি কয় তেন্তে সেইটো উচিত নহ'ব। কমিটি এন এথিকচ কৰা হৈছে। এই ভুল যদি আমি নামানো তেন্তে অধ্যক্ষ মহোদয়, আমি আপোনাকে নমনাৰ নিচিনা কথা হ'ব। এইখন আমি মানিম বুলি আপোনাক প্ৰতিশ্ৰুতি দিছোঁ। .................. ৰাজ্যপালৰ ভাষণৰ ওপৰত আমি দুটা সংশোধনী দিছো, এইটো এটা পৰম্পৰা।

---

* Speech not corrected

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত ক'বলৈ গৈ শ্ৰীমহিবুল হক ডাাঙৰীয়াই কৈছে শান্তি অবিহনে কেতিয়াও দেশ এখনৰ প্ৰগতি হ'ব নোৱাৰে। শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই আৰম্ভনীৰে পৰা শান্তিৰ বাবে প্ৰচেষ্টা চলাই আহিছে। দেশখনলৈ যদি শান্তি নাহে তেন্তে অসমৰ প্ৰগতি হ'ব নোৱাৰে। এন. ডি. এফ. বিৰ লগত চিজ ফায়াৰ হ'ল, আৰু ৬ মাহলৈ বঢ়াই দিয়া হ'ল যাৰ বাবে আলোচনাৰ প্ৰক্ৰিয়া আগবাঢ়ি গৈছে। এইটো অসমৰ ৰাইজৰ কাৰণে ভাল আৰু চৰকাৰৰ কাৰণেও ভাল। দেশখনলৈ যিমান পইচা নাহক কিয় শান্তি অবিহনে সেইবোৰৰ উচিত প্ৰয়োগ হ'ব নোৱাৰে। শান্তি প্ৰতিষ্ঠাৰ বাবে এই চৰকাৰে দাবী কৰিব পাৰে সেইকথা আমি অস্বীকাৰ নকৰোঁ। বন্দী সকলক এৰি দিয়াৰ কাৰণে প্ৰচেষ্টা চলিছে, এই ক্ষেত্ৰত বিভিন্ন বিষয়াৰ লগত আলোচনা চলি আছে। একেদৰে পিচিজিৰ লগত যি আলোচনা চলি আছে এই ক্ষেত্ৰত আমাৰ কংগ্ৰেছ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত কথা পাতিলে বিষয়টো আৰু তৰান্বিত হ'ব। গগৈ ডাঙৰীয়া পূৰ্বতে কেন্দ্ৰীয় মন্ত্ৰী আছিল, তেখেতৰ লগত বৰ্তমানৰ ভালেমান মন্ত্ৰীৰ চিনাকী আছে, তাৰোপৰি বৰ্তমান কেন্দ্ৰত কংগ্ৰেছ চৰকাৰ হোৱা বাবে বৰ্তমানৰ গগৈ চৰকাৰৰ এটা ডাঙৰ সুবিধা হৈছে। গগৈ ডাঙৰীয়াই অসমৰ প্ৰাপ্যৰ বাবে কেন্দ্ৰক সৈমান কৰোৱাব পাৰিব।

পৰিকল্পনাৰ ক্ষেত্ৰত কোৱা হৈছে যে অষ্টম আৰু নৱম পাঁচ বছৰীয়া পৰিকল্পনাৰ ২.৮৪ শতাংশ আৰু ৩.০৪ শতাংশ বৃদ্ধিৰ হাৰৰ বিপৰীতে দশম পৰিকল্পনাৰ প্ৰথম তিনি বছৰত ৰাজ্যখনৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ (১৯৯৩-৯৪ চনৰ স্থিৰ মূল্যমানত) বৃদ্ধিৰ হাৰ হৈছেগৈ ৫.৪০ শতাংশ। গতিকে দেখা গল ঘৰুৱা আয় বৃদ্ধি হৈছে। এইটো একো নতুন কথা নহয়। মই এটা সৰু উদাহৰণ দিওঁ। ১৯৯৬ চনৰ পৰা অসম এগ্ৰিকালচাৰ মাৰ্কেটিং বৰ্ড গঠন হৈছিল। ১৯৯৬ চনত মই যেতিয়া কৃষি মন্ত্ৰী আছিলো তেতিয়া কৃষি আয় আছিল বছৰি ৩৫ লাখ, পিচৰ চৰকাৰৰ দিনত হ'লগৈ ১১ লাখ।

**মাননীয় অধ্যক্ষ ঃ** ..................... আপুনি কমাই কওক।

* **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** : অধ্যক্ষ মহোদয়, নিবনুৱাৰ ক্ষেত্ৰত কওঁ যে গনেশগুৰি চবজি বজাৰত একোটা বি এ পাছ লৰাই চবজিৰ দোকান দি আছে। আমাৰ দিনত তেনে হোৱা নাছিল। গতিকে আজি যিটো গ্ৰথ সেইটো এনেয়ে হৈছে। আজি যদি আমাৰ

* Speech not corrected

চৰকাৰ হ'লহেতেঁন তেন্তে আমিও এই দাবী কৰিব পাৰিলোহেঁতেন। দুই নম্বৰ কথাটো হ'ল যে ১৯৮৫ চনত যিটো গ্ৰথ হৈছিল তাৰ তুলনাত ১৯৮৭ চনত ১২ কোটিৰ ঠাইত ১৪ শ কোটি হৈছিল। ১৯৯১ ৰ পৰা ৯৬ ত আৰু বাঢ়িল। আজি কেন্দ্ৰৰ পৰা যিটো ভলিউম আহিছে সেইমতে এইটো হৈছে। ৰিচাৰ্চ মবালাইজ্যেশ্বন কিমান হ'ব লাগিছিল আৰু কিমান হৈছে সেই কথা সময় পোৱা হ'লে সুন্দৰকৈ ক'ব পাৰিলোহেঁতেন। গতিকে ৰিচাৰ্চ মবিলাইজেচন চেণ্টাৰ ওৱাইজ যি ধৰণে হ'ব লাগিছিল লেই ধৰণে হোৱা নাই। আজি কেন্দ্ৰৰ পৰা যিমান খিনি অনুদান আহি আছে তাৰ ভলিউম দিনক দিনে বাঢ়ি আছে। তাৰ লগত ৰাজ্যখনৰ অনুদান সমূহ যোগ দিলে এই ভলিউম আৰু বাঢ়িব। গতিকে এইবোৰ চৰকাৰৰ ক্ৰেডিট বুলি আমি নাভাবো। কিন্তু আমি এটা কথা কওঁ যে চৰকাৰে যিবোৰ আঁচনি হাতত লৈছে সেইবোৰত ভাল পাইছো। এই আঁচনিবোৰৰ সঠিক ৰূপায়ন হলেহে আমাৰ কামত আহিব। মই এটা কথা ক'ব খুজিছো যে ময়ো এটা সমষ্টিৰ পৰা আহিছো। তাত আমি দেখিছো যে আটাইবোৰ আঁচনি ঠিকমতে ৰূপায়ন হোৱা নাই। আমাৰ বৰ্তমানৰ শিক্ষামন্ত্ৰী গৰাকী ইয়াৰ আগেয়ে ৰুৰেল ডেভেলপমেণ্ট বিভাগৰ মন্ত্ৰী আছিল। তেখেতক মই এটা কথা কও যে কিছুমান ঠাইত এই বিভাগৰ একোটা আঁচনি তিনি-চাৰিবাৰকৈ কৰা হৈছে। কিন্তু তিনি চাৰিবাৰকৈ কৰাৰ পিচতো কামবিলাক ঠিকমতে হোৱা নাই। এই ক্ষেত্ৰত মই আপোনালোকৰ বিৰুদ্ধে অভিযোগ আনিব বিচৰা নাই। মই এই কথাবোৰ ভালদৰে চোৱা-চিতা কৰাৰ কাৰণেহে নতুন চৰকাৰখনৰ দৃষ্টি গোচৰ কৰিছো। আমাৰ চৰকাৰৰ দিনত আমি কিছুমান কাম হতত ল'ব নোৱাৰিলো; তাৰ বাবে আমি দুখিত। গতিকে মই পুনৰ বাৰ ক'ব খুজিছো যে এই আঁচনি বিলাক ভাল হৈছে। কিন্তু সকলো স্তৰতে কামবোৰ যাতে সুচাৰুৰূপে হয় তাৰ কাৰণে চৰকাৰে দৃষ্টি ৰখা উচিত। আজি শিক্ষামন্ত্ৰী, ৰিপুণ বৰা ডাঙৰীয়াই কৈছে যে এইবাৰ ইমান খিনি ল'ৰা -ছোৱালীয়ে সুখ্যাতিৰে মেট্ৰিকত লেটাৰ সহ প্ৰথম ডিভিজন পাইছে। মই এটা কথা কও যে তেখেত সকলৰ সম সাময়িক সময়ত আমিও মেট্ৰিক পাছ কৰিছিলো। সেই সময়ত এহাজাৰ মান ল'ৰা-ছোৱালীয়েহে মেট্ৰিকত প্ৰথম ডিভিজন পাইছিল। কিন্তু এতিয়া ১৪/১৫ হাজাৰ ল'ৰা-ছোৱালীয়ে মেট্ৰিকত প্ৰথম ডিভিজন পায় পাছ কৰিছে। তাৰ ভিতৰত আকৌ লেটাৰ, ডিষ্টিংচন, ষ্টাৰমাৰ্ক আদিও আছে। আমি এটা কথা ক'ব লাগিব যে ১৯৮৫ চনলৈকে ৰাজ্যখন কংগ্ৰেছ চৰকাৰৰ অধীনত আছিল। তেতিয়া মেট্ৰিকত পাছ কৰা হাৰ আছিল ২৮। কিন্তু আজি ইমানখিনি উন্নত হোৱাৰ কাৰণ সমূহো আমি ভালদৰে ফহিঁয়াই চাব লাগিব। আজিৰ ল'ৰা-ছোৱালী বিলাক মাক-দেউতাকে স্কুললৈ লৈ যায়। নগৰ চহৰবোৰত

* Speech not corrected

ল'ৰা-ছোৱালী অনা নিয়া কৰা গাড়ীৰ কাৰণে ট্ৰেফিক কন্ট্ৰোল কৰিব নোৱৰা অৱস্থা হয়। তাৰোপৰি ৫/৬ টা বিষয়ত ল'ৰা-ছোৱালী বিলাক টিউচন দিয়াৰ কাৰণেও অভিভাৱক সকলে ব্যৱস্থা হাতত লৈছে। আমাৰ দিনত ৮ম, ৯ম, ১০ম শ্ৰেণী পঢ়ি মেট্ৰিক পৰীক্ষা দিছিল। কিন্তু এতিয়া দশম শ্ৰেণীটোৰ ওপৰতে মেট্ৰিক পৰীক্ষাটো নিৰ্ভৰ কৰে। তাতে আকৌ প্ৰায়বোৰ বিষয়তে টিউচন লোৱাৰ পিছত। গতিকে পাছ কৰা হাৰ শতকৰা ৮৮ বা ৯০ হোৱাটো একো আচৰিত কথা নহয়।

**মাননীয় অধ্যক্ষ :** আপুনি সোনকালে শেষ কৰক। সময় বৰ কম। আৰু কেইবাজনো মাননীয় সদস্যই ক'বলৈ বাকী আছে।

*** শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী :** অধ্যক্ষ মহোদয়, মই কাকো গালি পৰা নাই। মই সোনকালেই শেষ কৰিম। আজি যিটো হাৰত মেট্ৰিক পাছ কৰিছে তাৰ বাবে চৰকাৰে ক্ৰেটিড ল'ব নোৱাৰে। মই এইখিনিতে আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি ক'ব খুজিছো যে তেওঁলোকে যিবিলাক কাম কাজ হাতত লয় তাত আমি পূৰ্ণ সহযোগিতা আগবঢ়াম। কোনোবাই কিবা ক'লে সেইবোৰ আপোনালোকে শুনি লওক। হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যেতিয়া বক্তৃতা দিব তেতিয়া আমাক থকা-সৰকা কৰিব, আমি তেতিয়া একো নকওঁ। এই সদনত আমাৰো ২০ বছৰীয়া অভিজ্ঞতা আছে। সেই অভিজ্ঞতাৰ ফালৰপৰাই কৈছো যে আজি অসমত যিখন কোৱালিচন চৰকাৰ হৈছে সেই চৰকাৰৰ প্ৰতি আমি পূৰ্ণ সহযোগ আগবঢ়াম। এইখিনিতে মই আৰু এটা ক'ব খুজিছো যে আজি আমাৰ প্ৰেছৰ বন্ধু সকলে বিধান সভা ত্যাগ কৰি গুছি গৈছে। এতিয়া অৱশ্যে আহিছে।

*** শ্ৰীহিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য মন্ত্ৰী) :** অধ্যক্ষ মহোদয়, তেওঁলোক কিয় গুছি গৈছে সেই বিষয়ে মাননীয় সদস্য গৰাকীয়ে ক'ব নেকি?

*** শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী :** অধ্যক্ষ মহোদয়, মই শ্ৰীহিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক এটা কথা সুধিব খুজিছো যে বাতৰি কাকতৰ কথা বিলাক যদি সত্য নহয় তেনেহলে সেই সম্পৰ্কে মুখ্যমন্ত্ৰী বা স্বাস্থ্যমন্ত্ৰী মহোদয়ে এটা স্পষ্টীকৰণ দিব লাগে।

*** শ্ৰীভৰত চন্দ্ৰ নৰহ (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) :** অধ্যক্ষ মহোদয়, আমি এটা নিৰ্দিষ্ট বাতৰিহে অথণ্টেচিটি নাই বুলি কৈছো। আমি সমগ্ৰ নিউজ পেপাৰৰ অথণ্টেচিটি নাই বুলি কোৱা নাই।

*** শ্ৰীৰঞ্জিত দত্ত :** আপোনালোকে নিউজটোৰ ওপৰত স্পষ্টীকৰণ দিব নেকি?

*** শ্ৰীহিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য মন্ত্ৰী) :** অধ্যক্ষ মহোদয়, আমি ঘৰুৱা কথা বিলাক ইয়াত ক'ব খোজা নাই। এই সংক্ৰান্তত মোক এখন চিঠি দিছে। গতিকে এইখনো মই সদনত দিব

* Speech not corrected

লাগিব নেকি?

* **শ্ৰীভৰত চন্দ্ৰ নৰহ (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) :** অধ্যক্ষ মহোদয়, আমি বাতৰি কাকতৰ সকলোবোৰ ৰিপৰ্টৰ অথণ্টেচিটি নাই বুলি কোৱা নাই। ভাৰতীয় জাতীয় কংগ্ৰেছে গনতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বাতৰি কাকতক সদায় সন্মান কৰি আহিছে।

* **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী :** অধ্যক্ষ মহোদয়, চাৰিটা স্তম্ভ ঠিকে থাকিলেহে গনতন্ত্ৰ ঠিকে থাকিব।

* **শ্ৰীহিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য মন্ত্ৰী) :** তেওঁলোকে ২০ বছৰীয়া অভিজ্ঞতাৰ কথা ক'ব নালাগে। তেখেত সকল কিমান বিজ্ঞ আমি ভালদৰে জানো।

* **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী :** এই বিলাক 'এথিকচ্ কমিটি'ৰ কথা। মই তাৰ ওপৰতে কথাখিনি কৈ আছো। মই আৰু দীঘলীয়া বক্তৃতা ৰাখিব খোজা নাই। অধ্যক্ষ মহোদয়ে মোক এইখিনি কথা ক'বলৈ সুযোগ দিয়াৰ কাৰণে মই তেখেতক ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** Hon'ble Member Mr. Parimal Suklabaidya.

* **শ্ৰীপৰিমল শুক্লবৈদ্য :** মাননীয় অধ্যক্ষ ডাঙৰীয়া, চৰকাৰৰ আৰম্ভনীটো ভাল হোৱাটো আমি কামনা কৰো। আমাৰ আগৰ দলৰ চৰকাৰেই আছে। এইবাৰ আকৌ এটা দল লগ লাগি এলায়েঞ্চ মন্ত্ৰীসভা হৈছে আমি ভাল পাইছো। যোৱাবাৰৰ এই এলায়েঞ্চৰ সদস্য সকল আমাৰ বিৰোধীপক্ষত আছিল তেখেত সকলে বহুত কথাই জানে। গতিকে তেখেত সকলে ভাল কাম কৰিব বুলিয়ে আশা কৰিছো। যোৱাটো চৰকাৰৰ দিনত এই চৰকাৰৰ ভালেকেইজন সদস্যৰে বহুত অভিজ্ঞতা আছে। অহা পাচ বছৰত এই অভিজ্ঞতাৰে আৰু বহুত ৰাইজৰ ভাল কাম কৰিব বুলি ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণখন বৰ দিঘলীয়া। এই ভাষণৰ ওপৰত বক্তৃতা ৰাখিবলৈ বহুত সময় লাগিব। এই ভাষণৰ ওপৰত আমাৰ মাননীয় মন্ত্ৰী শ্ৰীৰিপুণ বৰা ডাঙৰীয়াই সুন্দৰ ভাষণ ৰাখিলে। চৰকাৰৰ মন্ত্ৰী হৈ নথকা হ'লে তেখেতৰ বহুত কথাই হয়তো নজৰত আহিলহেতেন। কিন্তু চৰকাৰত থাকিলে সেইবিলাক নজৰত নাহে। সেই কাৰণে কয় 'কি যাতনা বিষে বুঝিবে কি সে কতুআশী বিষে দংশেনী যাৰে। গতিকে বিৰোধী পক্ষত থাকিলে এই যাতনা পোৱা যায়।

ৰাজ্যপালৰ ভাষণত আইন শৃঙ্খলাৰ কথা কোৱা হৈছে। আইন শৃঙ্খলাৰ উন্নতি হৈছে বুলি জানি আমি ভাল পাইছো। এই সন্দৰ্ভত মই এটা কথা ক'ব বিচাৰিছো যোৱা পৰহি আমি মুখ্যমন্ত্ৰী মহোদয়কো লগ ধৰি কৈছো কুৰচৰানী বুলি এটা ঠাইত উগ্ৰপন্থী

* Speech not corrected

সংগঠনে অস্ত্র-শস্ত্র লৈ আত্মসমৰ্পন কৰিলে। ৰাইজে আন্ধাৰ ৰেঙনি দেখিলে কিন্তু যোৱা ২১ তাৰিখে আকৌ পুলিচ, চি আৰ পিৰ সংঘৰ্ষত আৰু দুজন নিৰীহলোক মৃত্যুমুখত পৰিছে। শান্তি প্ৰক্ৰিয়া আৰম্ভ হৈ থকা অৱস্থাতে, যি সময়ত তেওলোকে আত্মসমৰ্পন কৰিবলৈ উদগ্ৰীৱ সেই সময়তে পুলিচৰ ফায়াৰিংত আৰু এজন লোকে মৃত্যু বৰণ কৰাটো দুৰ্ভাগ্যজনক। ৪/৫ জন আগতে মৰিছে, ধন বৰ্মন, কুতুবুদ্দিন বোলা মানুহদুজন মৰিছে। এই লোক সকলকআজিলৈকে একো সাহায্য দিয়া নাই। বিনা কাৰণত আনকি পথচাৰীও মৃত্যুবৰণ কৰিছে। গতিকে এই কথা বিলাক চালিজাৰি চাব লাগে। যি সময়ত শান্তিৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে সেই সময়তে চৰকাৰী যন্ত্ৰৰ দ্বাৰা অশান্তিৰ সৃষ্টি কৰাটো দুখজনক কথা। তাত এটা আউটপোষ্টৰ কাৰণে আমি অনুৰোধ কৰি আহিছো। আমি এই চৰকাৰৰ ভাল কাম বিলাকত সক্ৰিয় সহযোগ কৰিম বুলি আশ্বাস দিছো আৰু ভৱিষ্যতেও কৰি যাম। গতিকে শান্তি প্ৰক্ৰিয়াৰ স্বাৰ্থত অতি সোনকালে তাত এটা আউট পোষ্ট দিবলৈ অনুৰোধ জনালো।

শিক্ষাৰ বিষয়ে অলপ আগতে আলোচনা হৈ গৈছে। ৰাজ্যপালৰ ভাষণত শিক্ষাৰ বিষয়ে বহুত কথাই কোৱা হৈছে। যোৱা চৰকাৰৰ কাৰ্য্যকালতে শিক্ষানুস্থান সমূহলৈ বিত্তীয় সাহায্য দিয়াৰ কাৰণে আমি তালিকা দিছিলো আজিলৈকে আমি বিত্তীয় সাহায্য নাপালো আৰু তাৰকোনো উল্লেখ ৰাজ্যপালৰ ভাষণত নাই। গতিকে যিমান বিলাক হাইস্কুল এম ই স্কুল এই সকলো বিলাক ভেন্সাৰ পৰ্যায়ত আৰু এই সকলো বিলাক চৰকাৰী কৰণ কৰিব লাগে।

বিদ্যুতৰ বিষয়ে বিতং আলোচনা কৰিব নোৱাৰো কাৰণ সময় কম। গুৱাহাটীতে বিদ্যুতৰ যি অৱস্থা বৰাকত কি অৱস্থা হ'ব পাৰে আপোনালোকে অনুমান কৰিব পাৰে। চব্বিশ ঘণ্টাইনো লোড চেডিং হয়নে? চৰকাৰৰ কিছুমান কাৰ্যব্যৱস্থাৰ কাৰণে এনে পৰ্য্যায় পাইছেগৈ। মোৰ ধলাই সমষ্টিটো মিজোৰাম বৰ্ডাৰত পৰে। বৰ্তমান সীমা সমস্যাটো সকলোৰে। তেওঁলোকে আমাৰ দহ -পোন্ধৰ মাইল ভিতৰলৈ সোমাই আহিছে। তাত তেওঁলোকে আউট পোষ্ট বনাইছে। ইয়াৰ কাৰণে যি কোনো মূহূৰ্তত ভয়ংকৰ অৱস্থাৰ সৃষ্টি হ'ব পাৰে। এই সীমা বিবাদটো যিমান পাৰি সোনকালে নিস্পত্তি কৰিব লাগে।

(সময়ৰ সংকেত)

এই খিনিকে কৈ বক্তৃতাৰ আৰম্ভনিতে ন-পুৰণি সকলো মননীয় সদস্যক মোৰ হিয়াভৰা অভিনন্দন জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

---

* Speech not corrected

**Mr. Speaker : Dr. Kamala Kanta Kalita :**

*** ডাঃ কমলাকান্ত কলিতা** : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত আমাৰ বিৰোধী দলৰ ফালৰ পৰা যি সংশোধনী প্ৰস্তাৱ অনা হৈছে সেইটোৰ মানে এইটো নহয় যে আমি এই ভাষণখন ৰিজেক্ট কৰিছো। এইটো আমাৰ উদ্দেশ্য নহয়। আমাৰ উদ্দেশ্য হ'ল চৰকাৰী বিবৃতিত নথকা কিছুকথাৰ অলপমান সালসলনি কৰাটো বিচাৰিছো। সেইখিনি কথাকে মই অতি চমুকৈ ক'বলৈ ওলাইছো। ৰাজ্যপালৰ ভাষণত মেলেৰীয়া ৰোগৰ সক্ৰান্তত এই কথা স্বীকাৰ কৰিছে যে মেলেৰীয়াৰ ব্যাপক আক্ৰমনত চৰকাৰ উদ্দিগ্ন। এইটো কথা কৈছে। এইবাৰ মেলেৰীয়া আক্ৰান্ত অঞ্চলত হাজাৰ হাজাৰ মানুহ আক্ৰান্ত হৈছে। কিমানৰ মৃত্যু হৈছে, এইটো চৰকাৰেহে জানিব। কিন্তু এই ক্ষেত্ৰত এইটো কথা ঠিক যে সময়মতে প্ৰতিৰোধ ব্যৱস্থা নোলোৱাৰ কাৰণেই এই ৰোগ ইমান ব্যাপক ৰূপত হ'বলৈ পালে। মই এই ক্ষেত্ৰত অকল মন্ত্ৰী মহোদয়কে দোষাৰোপ কৰিব খোজা নাই বা চৰকাৰখনক দোষাৰোপ কৰিব খোজা নাই। নিৰ্বাচনৰ কাৰণে চৰকাৰ আৰু দলৰ মানুহখিনি হয়তো নিৰ্বাচন সম্পৰ্কীয় কথাত জড়িত হৈ আছিল কিন্তু এই ক্ষেত্ৰত বিভাগীয় চৰকাৰী কৰ্মচাৰী সকল যিসকলে সময়তে একো ব্যৱস্থাই নকৰিলে। আটাইতকৈ ডাঙৰ কথাটো হ'ল ডি ডি টি আদি যিবোৰ ছটিয়াইছে বুলি কোৱা হৈছে বা ধোঁৱা আদি দিয়া বুলি কৈছে সেই বিলাক প্ৰকৃতাৰ্থত দিয়া হৈছে জানো। তাৰোপৰি চৰকাৰে যি বিলাক ঔষধ আদি যোগান ধৰিছে সেই বিলাক কিমান কাৰ্যকৰী বা কাৰ্য্যক্ষম হৈ আছে সেইটো কোনাবাই চাইছে নে? তাৎপৰ্য্যপূৰ্ণ কথাটো হ'ল এই যিবিলাক ঔষধ দিছে, ক্লৰ'কুইন দিছে সেইটো আচলতে ব্লাড ৰেজিচষ্টেন্স। এই ক্লৰ'কুইন ব্লাডত ৰেজিচষ্টেন্স হোৱাৰ কাৰণে কাম নকৰে। এই ধৰণৰ ঔষধেই এতিয়া যোগান ধৰি থকা হৈছে। সেয়ে মই মন্ত্ৰী মহোদয়ক এই নিম্ন মানৰ ঔষধ যি যোগান ধৰিছে সেই বিলাক চাবৰ বাবে অনুৰোধ কৰিলো আৰু ঔষধৰ মানদণ্ড ৰক্ষাৰ কাৰণে স্বাস্থ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। আমাৰ ফুড এনালাইচিচ বুলি এটা বিভাগ আছে। সেইদৰে দৰবৰ বাবেও এটা ড্ৰাগ এনালাইচিচ বিভাগ কৰি ঔষধৰ মানদণ্ড পৰীক্ষা কৰি তাক ৰক্ষা কৰাৰ বাবে মই চৰকাৰৰ ওচৰত অনুৰোধ জনালো। মেলেৰীয়া প্ৰতিৰোধৰ বাবে যে সময় মতে ব্যৱস্থা লোৱা নাই তাৰ বিভিন্ন ঠাইৰ ডাটা যেনে, লক্ষীমপুৰ, ধেমাজী আদিৰ আমাৰ হাতত আছিল। ক'ত কিমান কি হৈছে সেইবোৰ ক'ব পাৰিলোঁহেতেন। কিন্তু সময়ৰ অভাৱৰ বাবে এতিয়া সেইখিনি নকও। কিন্তু মন্ত্ৰী মহোদয়ক বিশেষভাৱে অনুৰোধ জনাও যাতে এই ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰে। এইটো কোনো ৰাজনীতিৰ কথা নহয়। এইটো মানুহৰ জীৱনৰ কথা, ৰোগীৰ কথা। সকলোৱে এইটো কথাত জোৰ দিব লাগিব। আজি ঔষধ যোগান ধৰিলে কি হ'ব

ইফালে চিকিৎসালয় বিলাকৰ চিকিৎসক নাই, নাৰ্চ নাই। অকল ঔষধে ৰোগ ভাল কৰিবনোৱাৰে। তাৰোপৰি সকলোতকৈ ডাঙৰ কথা হ'ল মানুহৰ এই ক্ষেত্ৰত জ্ঞান বা সজাগতাৰ কথা। মানুহক এই ক্ষেত্ৰত সজাগ কৰি তুবি পাৰিব লাগিব। হেল্থ এডুক্যেশনৰ ওপৰত চৰকাৰে যথেষ্ট গুৰুত্ব দিব লাগিব। কাৰণ মানুহৰ এই ৰোগ কিয় হয়, কেনেকৈ হয় আৰু নহ'বলৈ কি কি কৰিব লাগিব এই কথা বিলাকৰ সম্যকজ্ঞান হ'লে বহুক্ষেত্ৰত এইৰোগ বহু পৰিমানে ৰোধ কৰিব পৰা যাব। আমাৰ বহুতো পৰিত্যক্ত চিকিৎসালয় আছে, পি.এইচ চি আৰু চি এইচ চি আছে, সেই বিলাকত ডাক্তৰ, নাৰ্চ আদি একো নাই। সেয়ে চৰকাৰক অনুৰোধ কৰো এটা পলিচী লৈ এই বিলাক ঠিক কৰি ব্যৱস্থা চৰকাৰে কৰিব পাৰিলেহেঁতেন। কিন্তু ৰাজ্যপালৰ ভাষণত এই ধৰণৰ কোনো ব্যৱস্থা কৰিব বুলি আশা কৰিলোঁ। আমি জনাত এটা ইউৰোপীয়ান কমিশ্যন আছে, এই ইউৰোপীয়ান কমিশ্যনে কৌটি কৌটি টকা দিছে সেই টকা বোৰ কলৈ গল? কি কৰিলে বা সেই টকাৰে কি কি ব্যৱস্থা কৰিছে সেইটো আমি জানিব লাগে। এই কমিশ্যনটো এটা দূৰ্নীতিৰ ভাণ্ডাৰ বুলি আমি জানো।

এইটো প্ৰতিৰোধ কৰাৰ কাৰণে এটা ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিলো।

মাননীয় অধ্যক্ষ ঃ আপোনাৰ সময় শেষ হৈছে।

*** ডাঃ কমলা কান্ত কলিতা :** মাননীয় অধ্যক্ষ মহোদয়, মোক দুই মিনিট সময় দিব। মই শেষ কৰিম। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলোঁ এই ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত চৰকাৰৰ যি দায়বদ্ধতা সেই দায়বদ্ধতাৰে এইৰোগ নিৰ্মূল কৰাৰ কাৰণে ক্ষীপ্ৰ ব্যৱস্থা ল'ব লাগে। এইখিনিকে আশা কৰি মই সামৰণী মাৰিলোঁ।

## ANNOUNCHMENT FROM THE CHAIR

**মাননীয় অধ্যক্ষ :** মই এইখিনিতে এটা কথা ক'ব বিচাৰিছো যে আজি এই সদনৰ প্ৰেছ গেলাৰীত উপস্থিত থকা সাংবাদিক বন্ধু সকলে মোৰ এক মন্তব্যৰ ওপৰত ক্ষুন্ন হৈ প্ৰেছ গেলাৰী ত্যাগ কৰা বুলি জনিব পাৰিছোঁ। মোৰ মন্তব্য সকলো বাতৰি কাকত বা সাংবাদিকৰ ক্ষেত্ৰত প্ৰযোজ্য বুলি ধৰি লোৱাটো ঠিক নহ'ব। এই ক্ষেত্ৰত মোৰ মন্তব্যই যদি সাংবাদিক বন্ধু সকলৰ মনত অসন্তোষ দিছে তাৰ বাবে মই দুখিঃত। সেই কাৰণে মই সাংবাদিক বন্ধু সকলক প্ৰেছ গেলাৰীলৈ উভতি আহিবলৈ অনুৰোধ কৰিলো।

---

* Speech not corrected

**Now, Shri Ataur Rahman Mazarbhuiya.**

✻ **শ্ৰীআতাউৰ ৰহমান মাঝাৰ ভূঞা :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহেদয়েৰ ভাষনে ৰাজ্যে শান্তি ও শৃংখলা ৰক্ষাৰ ক্ষেত্ৰে এবাং কেন্দ্ৰীয় ও ৰাজ্যিক বিভিন্ন পৰিকল্পানাৰ মাধ্যমে জনসাধাৰনেৰ কল্যান এবং সৰ্বোপৰি আগামী দুই বৎসৰেৰ মধ্যে NRC প্ৰস্তুত কৰা এসব ছাড়াও অন্যান্য জনগনেৰ হিতাৰ্থে যে সব বিভিন্ন পৰিকল্পনাৰ কথা বলা হয়েছে তাৰ প্ৰশংসা কৰছি এবং সঙ্গেই আমি লক্ষ্য কৰেছি যে ৰাজ্যপালেৰ ভাষনে বিগত পাঁচ বছৰে সৰকাৰেৰ সাফল্যেৰ কথা বেশী গুৰুত্ব পেয়েছে আগামী পাঁচ বছৰে কি কি কৰা হবে তাৰ গুৰুত্ব কম পেয়েছে।

মহোদয়, বিদ্যুতেৰ ক্ষেত্ৰে উল্লেখযোগ্য সাফল্যেৰ কথা বলা হয়েছে। কিন্তু বিগত কায়ক দিন ধৰে আমৰা লক্ষ্য কৰছি যে বৰাক উপত্যকা সত্ৰ সমগ্ৰ আসম ৰাজ্যে বিদ্যুতেৰ তীব্ৰ সংকট লক্ষ্য কৰছি। বৰাকভেলীতে বিদ্যুৎ থাকা মানে আলৌকিক ব্যাপাৰ, এখানে বিধান সবায় ৰাজ্যপালেৰ ভাষনেৰ সময়ও বিদ্যুৎ বিভ্ৰাট হয়েছে। এখন কল্পনা কৰতে পাৰেন ৰাজ্যেয় অন্যান্য পশ্চাদ পদ এলাকাৰ কি অৱস্থা! আমি সৰকাৰেৰ কাচে এই বিভাগেৰ সমস্ত ত্ৰুটি নিৰসন কৰে এই সমস্যা সমাধানেৰ জন্য অনুৰোধ কৰব।

শিক্ষা অনুষ্ঠান সৰকাৰীকৰনেৰ ব্যপাৰটি ৰাজ্যপাল মহোদয় তাৰ ভাষনে উল্লেখ কৰেচেন। বৰাক উপত্যকাৰ ঐতিহ্যবাহী শিক্ষানুষ্ঠান GC College কে চৰকাৰী কৰনেৰ জন্য আমি অনুৰোধ কৰছি। মাদ্ৰাসা শিক্ষাৰ জন্য অনেক ঢাক ঢোল পিটিয়ে যে আলদা Directorate খোলা হলো, আজওতা পূৰ্ণাঙ্গৰূপে পায়নি। মহোদয়, ৰাজ্যসৰকাৰ শিক্ষা বিভাগেৰ সাফল্যেৰ বিভিন্ন খতিয়ান তুলে ধৰলেও আমি বলতে চাই যে বিগত ১৫ বৎসৰ যাবৎ বিভিন্ন টোল, মাদ্ৰাসা স্কুল চালু থকা সত্বেও আজ পয্যন্ত সৰকাৰ থেকে কোনও সাহাৰ্য্য পায়নি। আমি দাবী কৰব যাতে অনতি বিলম্বে এই সব শিক্ষা প্ৰতিষ্ঠান গুলিকে যেন প্ৰদেশীকৰণ কৰা হয়।

মহোদয়, ৰাজ্যপালেৰ ভাষনে গ্ৰামাঞ্চলেৰ বিভিন্ন ৰাস্তাঘাটেৰ উন্নতি সাধন কৰা হয়েছে। কিন্তু বাস্তবে দেখা যায় গ্ৰামাঞ্চলেৰ বাস্তৱ মধ্যে বিভিন্ন গৰ্ত এবং ফিশাৰী গড়েছে, অৱেশ্য মাছ সেখানে নাই। এসব গৰ্ত বন্ধ কৰে বাস্তৱ উন্নতি কৰা দৰকাৰ যাতে লোকজন অন্ততঃ চলাচল কৰতে পাৰে।

অধ্যক্ষ মহোদয়, কেবল কল্পনা কৰলে চলবেনা বাস্তবেৰ সঙ্গে তাৰ মিল থাকা চাই। সংখ্যালঘুৰ উন্নয়নেৰ ব্যাপাৰে অনেক কথাৰই উল্লেখ ৰাজ্যপালেৰ ভাষনে ৰয়েছে কিন্তু কোনেও Specific Scheme নাই, সংখ্যালঘুদেৰ সত্যিকাৰ কোনে উন্নয়ন কৰতে হলেতো Specific Scheme নেওয়া দৰকাৰ।

✻ Speech not corrected

মহোদয়, সব শেষে একাটা কথা বলব যে যতই নেওয়া হোক আৰ যতই কোটী কোটী টাকা ধার্য্য কৰা হোক বাজেটে, আসলে সেই টাকাগুলি যদি সঠিক ভাবে ব্যৱহাৰ কৰা নাহয় তাহলে উন্নয়ন বাস্তবায়িত হবে কি কৰে। পাৰশী সাহিত্যে একটা গল্প আছে যে "চাবি দিয়ে গুদাম খুলে যখন দেখা গেল একশোমন লোহাৰ জিনিষ উধাও হয়েছে তখন বলা হলো যে পাশে ইদুৰেৰ গর্ত চিল সব ইন্দুৰ মিয়ে গেছে।" আমাদেৰওতো তাই হছে। শক্ত হাতে দূর্নীতি দমন না কৰলে ৰাজ্যে উন্নতি হবে কি কৰে?

মাননীয় অধ্যক্ষ, আপনাৰ বৰাদ্দ সময় শেষ।

* **শ্ৰীআতাউৰ ৰহমান মাঝাৰ ভূঞা :** ধন্যবাদ মহোদয়, আৰ সময় নষ্ট না কৰে কেৱল সৰকাৰেৰ সকল গঠনমূলক কাজে সহযোগীতাৰ আশ্বাস দিয়ে আমি আমাৰ বক্তব্য শেষ কৰছি।

**Mr. Speaker :** Now I request Shri Himanta Biswa Sarma.

**শ্ৰীহিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত ৰাজ্যপালৰ ভাষণৰ ওপৰত ইতিমধ্যে বিভিন্ন বিষয়ৰ ওপৰত মাননীয় সদস্য সকলে বক্তব্য ৰাখিছে। মই বিৰোধী দলৰ সদস্যসকলক ধন্যবাদ জনাইছো যে তেখেত সকলে আমাৰ চৰকাৰ খনৰ কাম কাজত সহযোগিতা কৰিম বুলি কৈছে। মই ভাবো যে বিৰোধী পক্ষ আৰু চৰকাৰী পক্ষ দুয়ো মিলি কাম কাজত আগবাঢ়ি গ'লে সুবিধা হ'ব। মাননীয় সদস্য শ্ৰীৰঞ্জিত দত্ত ডাঙৰীয়াই উল্লেখ কৰিছে যে শোনিত পুৰ জিলাত মেলেৰিয়াত ৮০ জন লোকৰ মৃত্যু হৈছে। এই কথাটো তেখেতে আৰ্মি চৰ্চৰ পৰা ক'ট কৰি লৈছে। আচলতে মাত্ৰ ৮ জন লোকহে শোনিতপুৰত মেলেৰিয়াত মৃত্যু হৈছে। তেখেতে যদি এনেকৈ সঠিক তথ্য নজনাকৈ ৮০ জন লোকৰ মৃত্যু হোৱা বুলি উল্লেখ কৰে তেন্তে বাকী থকা ৭২ জন লোকৰ মৃতদেহ কলৈ গ'ল? এই লৈ এক হাহাকাৰৰ সৃষ্টি হ'ব। সদনত এনেকুৱা ভুল তথ্য প্ৰকাশ হ'লে বাহিৰত বেয়াকৈ ৰিয়েকচন হ'ব। আমি সদনত এনে বক্তব্য ৰাখিব লাগে যাতে বাহিৰত তাৰ প্ৰতিক্ৰিয়া নহয়। কেতিয়াবা তথ্য পাতিত কিবা ভুল হ'লে শুধৰাই দি সহযোগিতা কৰা ভাল। অধ্যক্ষ মহোদয়, শ্ৰী বৃন্দাৱন গোস্বামী আৰু শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই আজি সদনত যি ধৰণৰ সহযোগিতাৰ কথা কৈছে, যোৱা পাঁচ বছৰৰ আৰম্ভনিতেও তেখেত সকলে একে ধৰণৰ কথাই কৈছিল। কিন্তু যোৱা পাচ বছৰত তেখেত সকলে সেই প্ৰতিশ্ৰুতি ৰাখিব নোৱাৰিলে। তেখেত সকলে ৰাজ্যপালৰ ভাষণ বৰ্জন নকৰো বুলি কৈছিল যদিও এবছৰৰ পিচতে তেখেত সকলে হাতত প্লেকাৰ্ড লৈ ৰাজ্যপালৰ ভাষণ বৰ্জন কৰিছিল। মাননীয় অধ্যক্ষ মহোদয়, এই

* Speech not corrected

পবিত্ৰ সদনত প্ৰতিশ্ৰুতি দিলে তাক ৰাখিব লাগে। তেখেত সকলে কমিটমেণ্ট দিছিল কিন্তু সেই কমিটমেণ্ট ৰাখিব পৰা নাছিল। শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই কেইবাটাও গুৰুত্বপূৰ্ণ কথা কৈছে। পাৰ কেপিটা ইনকাম ডাবোল হৈছে এইটো একো ডাঙৰ কথা নহয় বুলি কৈছে। নেচাৰেল গ্ৰথ ৪.২ ৰপৰা ৬.২ হৈছে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী :** অধ্যক্ষ মহোদয়, ভাৰতৰ পাৰ কেপিটা ইনকাম ১৯৯১ চন বেছ কৰি ১৯৯৬ চনলৈকে ০.১। এতিয়া কিমান ৰেটত নেচাৰেল গ্ৰথ হৈছে।

**শ্ৰীহিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, জি, ডি, পি, গ্ৰথ ডাবোল হৈছে। ভাৰতবৰ্ষৰ খুব কম ৰাজ্যত হে এনে গ্ৰথ হৈছে জি, ডি, পি, ডাবোল হ'লে পাৰকেপিটা ইনকাম ২.৪ ৰ পৰা ৬.২ হৈছে এইটো তেখেতে সাধাৰণ বিষয় বুলি কৈছে মোৰ তেখেতলৈ পুতৌ উপজিছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৫৩ শতাংশ পাছ হোৱাটো নতুন কথা নহয় বুলি শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই কৈছে। ১৯৮৫ চনৰ পৰা ১৯৯০ চনলৈকে এ, জি, পি চৰকাৰৰ শাসন কালত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ কমি গৈছিল। যোৱা বছৰ শ্ৰীহিতেন্দ্ৰ নাথ গোস্বমী ডাঙৰীয়াইও প্ৰত্যাহ্বান কৰিছিল, আমি প্ৰত্যাহ্বান গ্ৰহণ কৰিছো। আপোনাৰ প্ৰত্যাহ্বানো গ্ৰহন কৰিছো। দ্বিতীয় কথা হৈছে শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াৰ দিনত যদি এগ্ৰিকালছাৰ গ্ৰথ বৃদ্ধি পাইছিল সেইটো ভাল কথা, তেখেতে তাৰ কাৰণে ক্ৰেডিট ল'ব পাৰে কিন্তু এই বৃদ্ধি গাঁৱৰ খেতিয়ক সকলেহে কৰা নাছিল। এনে ক্ষেত্ৰত ৰিপুন বৰা ডাঙৰীয়াৰ মন্ত্ৰীত্বৰ কালত যদি হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাছৰ হাৰ বৃদ্ধি হয় তেখেতে তাৰ কাৰণে ক্ৰেডিট কিয় ল'ব নোৱাৰে? কিন্তু দুখৰ কথা হৈছে শ্ৰী পাটোৱাৰী ডাঙৰীয়াই যি জন নেতাৰ নেতৃত্বত এই গ্ৰথৰ কথা উল্লেখ কৰিছে, তেখেত আজি কিন্তু অকলশৰীয়াকৈ সদনত বহি আছে। আমি বাতৰি কাকতৰ সম্পাদকক কিন্তু সদনৰ কাঠগড়ালৈ আনি আমি থিয় কৰোৱা নাছিলো আৰু আগলৈকেও নকৰো। আমি চতুৰ্থ স্তম্ভৰ লোক সকলক সন্মান কৰো। যোৱা পাছ বছৰত আমাৰ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে বিভিন্ন বাতৰি কাকতে বৰ বেয়াকৈ সমালোচনা কৰিছিল, কিন্তু তেওঁলোকক জেললৈ পঠোৱাৰ কথা চিন্তা কৰা নাছিলো। ভৱিষ্যতেও নকৰো। এ, জি, পি, য়ে চতুৰ্থ স্তম্ভক সন্মান জনাওক।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নতুন প্ৰজন্মই আগবাঢ়িছে আমাৰ সমাজত পোহৰ বিলাবলৈ। সেই কাৰণে আজি আমি সদনে তেওঁলোকক অভিনন্দন জনাব লাগে। ৫৩ শতাংশ হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাছ কৰা কাৰণে আমি তেওঁলোকক অভিনন্দন জনাইছো। যিখন চৰকাৰৰ দিনত যি ভাল কাম হয় সেই কামৰ ক্ৰেডিট

* Speech not corrected

সেইখন চৰকাৰেহে পায়। সেই কাৰণে আমাৰ শিক্ষা মন্ত্ৰী শ্ৰীৰিপুন বৰা ডাঙৰীয়াই সেই ক্ৰেডিট পোৱাৰ যোগ্য। ইয়াৰ কাৰণে কাৰো গা জ্বলিব নালাগে। কৃষি উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত আগৰ কৃষি মন্ত্ৰী শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই ক্ৰেডিট লৈছে। কিন্তু সেই উৎপাদন বৃদ্ধি কৰিছিল কৃষক সকলে কপালৰ ঘাম মাটিত পেলাই। পৰীক্ষাৰ ক্ষেত্ৰতো শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই কৈছে যে ল'ৰা-ছোৱালীৰ কাৰণে হে পাছৰ হাৰ বৃদ্ধি হৈছে। এইটো সঁচা কথা। কিন্তু যি চৰকাৰৰ দিনত এই বৃদ্ধি হৈছে সেই চৰকাৰ তথা বিভাগীয় মন্ত্ৰীয়ে ইয়াৰ বাবে ক্ৰেডিট পোৱাৰ যোগ্য। আমি নব প্ৰজন্মৰ এই উঠি অহা যুৱক সকলক উৎসাহিত কৰিব লাগে। তেতিয়াহে তেওঁলোকে আৰু অধিক ভাল ফলাফল দেখুৱাব পাৰিব। আনহাতে তেখেত সকলে অৰ্থনৈতিক উন্নয়নৰ কথা কৈছে। তেখেত সকলৰ দিনত শিক্ষক কৰ্মচাৰীয়ে মাহৰ দৰ্মহাটো সময় মতে পোৱা নাছিল। যাৰ ফলত কৰ্মচাৰীয়ে আত্মহত্যাৰ নিছিনা ঘটনা সংঘটিত কৰিছিল। তেতিয়া হলে সেই চৰকাৰৰ উন্নতিৰ কথা ক'ব পাৰে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈৰ দিনত অৰ্থনৈতিক অৱস্থাৰ সুফল দেখা পাইছো তেখেতৰ সৰল নেতৃত্বৰ কাৰণে। যোৱা বিধান সভা নিৰ্বাচনৰ সময়ত শ্ৰীবৃন্দাবন গোস্বামী ডাঙৰীয়াই আস্থাৰ অসম গঢ়াৰ কথা কৈছিল। মই এবাৰ আমাৰ মাননীয় মন্ত্ৰী শ্ৰীৰকিবুল হুছেইন ডাঙৰীয়াৰ সমষ্টিলৈ যাওঁতে এখন সভাত এজন সৰু ল'ৰাক লগ পাইছিলো। তেওঁ মোক সুধিছিল যে আ পুনি বৃন্দাবন গোস্বামীক চিনি পাই নেকি? মই কলো যে পাওঁ। তেতিয়া তেওঁ মোক কলে যে বৃন্দাবন গোস্বামী ডাঙৰীয়াক ক'ব যে আমাক আস্থাৰ অসম নালাগে, আমাক ৰাস্তাৰ অসম হে লাগে। এসময়ত মইয়ো আছু আছিলো। আছুৰ ডাঙৰ ডাঙৰ নেতা সকলে বৰ বৰ ভাষণ হে দিয়ে। কিন্তু কামত একো নাই। কিন্তু আমাৰ চৰকাৰে যিটো কৰিছে সেইটোৱে জাতীয় সত্বাক মলিন ঘটাই বৰ অসম গঢ়াৰ প্ৰচেষ্টা হতত লৈছে। ইয়াৰ উদাহৰণ আপোনালোকৰৱ সন্মুখতে আছে। শ্ৰীমতী প্ৰমিলা ৰানী ব্ৰহ্মা আৰু চন্দন ব্ৰহ্ম আদি। ডাঃ লাংথাছাই এটা ভাল কথা কৈছে— ৩১ মাৰ্চত ১৩০০ কৌটি টকা চাৰপ্লাচ টকা থকাটো ভাল কথা। নহ'লে পহিলা এপ্ৰিলৰ পৰা আৰ্থিক অৱস্থা অন্ধকাৰ হৈ পৰিব। গতিকে এই চাৰপ্লাচ কেছৰ কথাটো উল্লেখ কৰাৰ কাৰণে ডাঃ লাংথাচাক ধন্যবাদ জনাইছো। যোৱা পাচ বছৰত আমাৰ অৰ্থনৈতিক অৱস্থা সুচল হোৱা কাৰণে আমি ষ্টেট চেয়াৰ দিব পাৰিছো। সেই কাৰণে আমি বয়নজোতি আঁচনি দিব পাৰিছো। যি আচনিৰ জৰিয়তে গোস্বামী ডাঙৰীয়াইও শিপিনীক সহায় কৰিব পাৰিছে। প্ৰতিজন বিধায়কেই এই আঁচনিব সুবিধা লৈছে। আমি ৰাজ্যখনৰ আৰ্থিক অৱস্থা অহা পাঁচ বছৰত আৰু টনকিয়াল কৰিম।

*** শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** : আমি আপোনাক এই ক্ষেত্ৰত ধন্যবাদ জনাইছো।

*** শ্ৰীহিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী)** : অধ্যক্ষ মহোদয়, অসম আন্দোলনৰ সময়ত বহুতো নেতা ওলাইছিল কিন্তু তেতিয়াৰ নেতা সকলে নৱ প্ৰজন্মৰ মানসিকতা বুজি নাপালে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই যোৱা বছৰ কম্পিউটাৰ প্ৰদান কৰিছে। ইয়াৰ কাৰণে বহুতে আমাৰ চৰকাৰক বেয়াকৈ সমালোচনা কৰিছিল। তেওঁলোকে যুৱ প্ৰজন্মৰ মানসিকতা বুজা নাছিল। যোৱা বছৰ প্ৰথম বিভাগত পাছ কৰা ১৩ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ ভিতৰত কাৰোবাক কম্পিউটাৰ লাগে নে নালাগে বুলি জাননি দিয়াত মাত্ৰ ৭৩ জন ছাত্ৰ-ছাত্ৰীয়ে কম্পিউটাৰৰ পৰিবৰ্তে টকা বিছাৰিছিল। বাকী ১২ হাজাৰে কিন্তু কম্পিউটাৰ ললে। ইয়ে নতুন প্ৰজন্মৰ পৰিবৰ্তিত মানসিকতাক প্ৰতিনিধিত্ব কৰিছে। নতুন প্ৰজন্মৰ কাৰণে আমি ভাবিব লাগিব। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে অহা পাচ বছৰত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব। শ্ৰী বৃন্দাবন গোস্বামী ডাঙৰীয়াৰ লগত এটা কথাতময়ো এক মত যে ইতিমধ্যে যি হ'ল তাৰ সমালোচনা কৰাতকৈ ভৱিষ্যতে কি হ'ব পাৰে তাৰহে পৰিকল্পনা কৰা উচিত। যোৱা নিৰ্বাচনৰ সময়ত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল ২০১০ চনৰ ভিতৰত বিকশিত অসম গঢ়াৰ কথা। এই কথাটোকে বিৰোধী পক্ষই ৰাইজক বিচলিত কৰিছিল। বিকশিত তথা শক্তিশালী অসম গঢ়াৰ কাৰণে নিৰ্ধাৰণ কৰি লৈছিলো। শিক্ষা, স্বাস্থ্য, আৰু উদ্যোগ আদি দিশত বিকশিত হোৱাৰ কথা কৈছিলো। কেন্দ্ৰত ইউ পি এ চৰকাৰৰ নেতৃত্বত ছোনীয়া গান্ধী, ড° মনমোহন সিংৰ নেতৃত্বত নেছনেল ফুড ফৰ ওৱাৰ্ক প্ৰগ্ৰেম আৰম্ভ কৰিছে। দ্বাদশ বিত্তীয় আয়োগৰ পৰা যথেষ্ট টকা পাইছো। ইয়াৰ আমি ৭ খন জিলাৰ ৩৫ লাখ জনসাধাৰণৰ কাৰণে ৰুৰেল হেল্থৰ কাৰণে সুবিধা দিব পাৰিম। এইদৰে আমি আগবাঢ়ি গ'লে ২০১০ চনৰ ভিতৰত অসম এখন বিকশিত ৰাজ্যত পৰিণত হ'ব। এই ক্ষেত্ৰত বিৰোধী পক্ষৰো পৰামৰ্শ গ্ৰহণ কৰিব লাগিব। মাননীয় সদস্যা সকলে মেলেৰীয়াৰ কথা কৈছে। স্বাস্থ্য মন্ত্ৰী ডাঃ বৰ্মণৰ নেতৃত্বত যোৱা পাচ বছৰত স্বাস্থ্য বিভাগত বিভিন্ন দিশত যথেষ্ট উন্নতি হৈছে। কিন্তু মেলেৰীয়াতএজন মানুহ মৰিলেও সেইটো ভাল লক্ষণ নহয়। মেলেৰীয়া মহে বিৰোধী পক্ষকো কাটিব। নিৰ্বাচনৰ পিচৰ পৰা যথেষ্ঠ মনিটৰ কৰা হৈছে। আমাৰ মননীয় মুখ্যমন্ত্ৰী মহোদয়ে সকলো বিলাক ভালদৰে মণিটৰ কৰিছিলে কাৰণে পৰিস্থিতি বহু পৰিমানে নিয়ন্ত্ৰণাধীন হৈছে। আমি আপোনালোক সকলোৰে সহযোগত চেষ্টা কৰিম যাতে ভৱিষ্যতেঅসমত মেলেৰীয়াত যাতে বৃহৎ সংখ্যক মানুহৰ মৃত্যু নহয়। মাননীয়, সদস্য শ্ৰী বৃন্দাবন গোস্বামী, চন্দ্ৰ মোহন পাটোৱাৰীয়ে ভাষণত বহু খিনি কথাই কৈছে। কিন্তু আমি কেন্দ্ৰীয় চৰকাৰক, প্ৰধানমন্ত্ৰী ড° মনমোহন সিং ডাঙৰীয়াক ধন্যবাদ জনাব লাগিব।

* Speech not corrected

গেছ ক্ৰেকাৰৰ আই আৰ আৰ ১২ পাৰচেণ্ট আছিল। ড০ মনমোহন সিঙে ৫ হাজাৰ কৌটি টকা দিয়াৰ বাবেই গেছ ক্ৰেকাৰ প্ৰজেক্ট আহিছে। ইয়াৰ বাবে আমি মনমোহন সিংৰ চৰকাৰক ধন্যবাদ জনাব লাগে। মাজতে সৰ্ব্বানন্দ সোণোৱালে পেপাৰত বিবৃতি দিছিল যে, তেওঁ গেছ ক্ৰেকাৰ প্ৰজেক্ট আনিলে। এনেকুৱা কাম বিলাক কৰিব নালাগে। আইন শৃঙ্খলাৰ কথা কৈছে, প্ৰদীপ হাজৰিকাৰ কথা কৈছে। প্ৰদীপ হাজৰিকাক আলফাই আক্ৰমণ কৰা বুলি স্বীকাৰ কৰিছে আৰু চৰকাৰে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছে। আলফা সমস্যা সমাধানৰ বাবে পি চি জি গ্ৰুপৰ লগত আলোচনা হৈছে। এতিয়া আপোনালোকে কৈছে যে, বন্দী কেইজনক এৰিব ৪ জনক নে ৫ জনক। পি চি জি গ্ৰুপৰ লগত কি কি আলোচনা হ'ল এই সকলো বোৰ ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা সম্ভৱ নহয়। আইন শৃঙ্খলাৰ কথা কোনো ১০০ শতাংশ ভাল বুলি ক'ব নোৱাৰে। আজি আমি আইন শৃঙ্খলা ভাল বুলি কম, কোনে ক'ত কি প্লেন কৰি আছে, কাইলৈ ক'ত বোমা ফুটে কেনেকৈ ক'ব। যোৱাবাৰ আমাৰ চৰকাৰৰ দিনতেই আমাৰ বিধান সভা চলি থাকোতে গণেশগুৰিত বোমা ফুটিবলৈ আৰম্ভ কৰিলে। বিধান সভা শেষ হোৱাৰ লগে লগে বোমা ফুটা বন্ধ। আমি total ইমপেক্ট চাব লাগিব। এইবাৰ নিৰ্বাচনৰ সময়ত কোনো আইন শৃঙ্খলাৰ পৰিস্থিতিৰ উদ্ভৱ হোৱা নাই। শান্তিপূৰ্ণ ভাৱে নিৰ্বাচনটো হৈ গ'ল। যোৱা অগপ চৰকাৰৰ সময়ত হোৱা নিৰ্বাচনত কিমান অপহৰণ হৈছিল, কিমান পোলিংবুথত ৰিগিং হৈছিল, এইবাৰ শান্তিপূৰ্ণ ভাৱে নিৰ্বাচন হৈ যোৱা বাবে আমি সাধাৰণ প্ৰশাসন, পুলিচ প্ৰশাসন আৰু নিৰ্বাচন আয়োগৰ শলাগ ল'ব লাগিব। আমি কেৱল সদনত আইন শৃঙ্খলাৰ পৰিস্থিতি বেয়া বুলি চিঞৰি থাকিলে অসমৰ ওপৰত বাহিৰৰ মানুহৰ ভাৱ কি হ'ব। বাহিৰৰ উদ্যোগ আদি অসমলৈ কিয় আহিব। আমি সকলোৱে চেষ্টা কৰিব লাগে যাতে অসমৰ আইন শৃঙ্খলাৰ প্ৰতি বাহিৰৰ মানুহৰ এটি ভাল ভাৱ হয়। অসমলৈ যদি উদ্যোগ নাহে, আমি ২০ লাখ, ২২ লাখ নিবনুৱাৰ কথা কৈ থাকিলে কি হ'ব। অসমলৈ যদি উদ্যোগ আহে তেতিয়াহে অসমৰ নিবনুৱা সকলৰ তাত সংস্থাপনৰ সুযোগ ওলাব। সকলোৰে এটা গঠন মূলক মনোভাৱ থাকিব লাগিব। আজি কেন্দ্ৰীয় চৰকাৰে অসমক কিমান পুজি দিছে। এক বছৰৰ ভিতৰতে বি টি পি এচ ৫ হাজাৰ কৌটি টকা মুঠতে ১১ হাজাৰ কৌটি টকা দিছে। আমি ৰাজ্যপালৰ ভাষনত সকলো বিলাক বিতং ভাৱে দিব নোৱাৰো। ৰাজ্যপালৰ ভাষনত তাৰ এটা ৰূপ ৰেখাহে দিয়া হৈছে। পাচ বছৰত আপোনালোকে কৈছিলে যে তৰুণ গগৈ আৰু অসমৰ শাসনত আহিব নোৱাৰে। তৰুণ গগৈৰ চৰকাৰৰ শ্ৰাদ্ধও পাতিছিলে, পিণ্ডও দিছিলে। আমাৰ মুখ্যমন্ত্ৰীয়ে কৈছিল যে ভূত হৈ হ'লেও শাসনত আহিম। এতিয়া ভূত নহয়, মানুহ হৈয়ে শাসনত আহিছে। অসমৰ মানুহে আমাৰ চৰকাৰে কৰা কামৰ বাবে পুনৰ আমাৰ

চৰকাৰক, দলক ভোট দিছে। মাননীয় মুখ্যমন্ত্ৰী শ্ৰী তৰুণ গগৈ ডাঙৰীয়াই ৰাজনৈতিক বিচক্ষণতাৰে কৰা কামৰ বাবে আমাৰ চৰকাৰক অভিলেখ ভঙ্গ কৰি ক্ৰমান্বয়ে ২য় বাৰৰ বাবে শাসনত বহুৱাইছে। আমি সেই কাৰণে কৈছো যে ঋণাত্মক ভাৱধাৰা পৰিহাৰ কৰি যোগাত্মাক ভাৱধাৰাৰে আমাৰ ৰাজ্যখনক আগবঢ়াই নিবলৈ চেষ্টা কৰিব লাগে। আমাৰ এ ইউ ডি এফ দলেও এই বাৰ ১০ খন আসনত জিকি আহিছে। আমি সংখ্যালঘু সকলৰ অভাৱ অভিযোগ বিলাক ভালদৰে পৰ্য্যালোচনা কৰি সেই বিলাক সমাধানৰ ব্যৱস্থা কৰিব লাগিব। সংখ্যালঘু অধ্যুষিত অঞ্চল বিশেষকৈ আমাৰ চৰ অঞ্চলৰ লোক সকলৰ বহুত অভাৱ অভিযোগ আছে। তেওঁলোক আৰ্থিক শৈক্ষিক আৰু স্বাস্থ্যৰ দিশৰ পৰাও অতি দুৰ্বল। আমাৰ চৰকাৰে সংখ্যালঘু সকলৰ উন্নয়নৰ ক্ষেত্ৰত সদায় গুৰুত্ব প্ৰদান কৰি আহিছে।

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ সংখ্যালঘু সকলৰ আৰ্থিক সামাজিক, ৰাজনৈতিক উন্নয়ন আমাৰ চৰকাৰৰ মূল লক্ষ্য। আজি ইউ ডি এফ আহিছে। সংখ্যালঘূ সকলৰ সমস্যা দূৰ কৰাৰ বাবে আমি দায়িত্ব লম। সাম্প্ৰদায়িক ৰাজনীতি আমি কৰা নাই। আমি কম্প্ৰমাইজ নকৰো। অসমৰ সকলো ক্ষেত্ৰতে সকলো স্তৰৰ বিকাশেই আমাৰ লক্ষ্য আৰু ইয়াৰ বাবে আমি চেষ্টা কৰিম।

**Mr. Speaker :** Now, Hon'ble Member, Shri Uddhab Barman will speak.

* **শ্ৰীউদ্ভৱ বৰ্মন :** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে ৰাজ্যপালৰ ভাষণৰ ওপৰত সদনত বহুতো আলোচনা - বিলোচনা হৈ আছে। চৰকাৰৰ এটা নীতি থাকে সেইমতে এটা ৰিপৰ্ট তৈয়াৰ হয়। ৰাজ্যপালৰ ভাষণত চৰকাৰৰ বিভিন্ন কামকাজৰ বিষয়ে উল্লেখ আছে এই সকলোবোৰেই যে কাম হৈছে সেইটো আমি বিশ্বাস নকৰো। আগৰ তুলনাত সামান্য এচিফমেণ্ট হৈছে। কিন্তু তাকে অৰ্থনৈতিক উন্নতি বুলি নকয়। বিত্তীয় পৰিস্থিতি যদি ইমানেই উন্নত হৈছে তেতিয়া হ'লে প্ৰাথমিক স্কুলৰ পৰা হাইস্কুললৈকে শিক্ষকৰ দৰমহা পোৱা নাই কিয়। ভেঞ্চাৰ স্কুলৰতো কথায়েই নাই। গাঁৱে-ভুঞে এল পি স্কুল বিলাকত এজনেই শিক্ষক। স্কুল-কলেজত নিযুক্তিৰ ব্যৱস্থা নাই। অসমৰ বহুতো কলেজত ইউ জি চি মতে দৰমহা নেপাই। কিছুমান কলেজত ৫০০০ টকাতো শিক্ষকে কাম কৰি আছে। বিত্তীয় অৱস্থা ভাল হোৱা হ'লে ইউ জি চি মতে দৰমহা দিব পাৰিব লাগিছিল। এতিয়া চাৰিওফালে মেলেৰিয়া হৈ আছে। হস্পিতালত ডাক্টৰ নাই। গাঁওত ৩০০ খন বিছনাযুক্ত হস্পিতালত ডাক্টৰ-নাৰ্চ-ঔষধ নাই। অসমৰ বহুতো চি এইচ চি, পি এইচ পি

* Speech not corrected

হস্পিতালৰ চিকিউৰিটি বাহিনীয়ে দখল কৰি আছে। এই বিলাক ক্ষেত্ৰত সকলোৱে আলোচনা কৰি দায়িত্ব লোৱা প্ৰয়োজন। ৰাজ্য পালৰ ভাষণৰ উন্নতিৰ কথা কৈছে। কিন্তু কৃষকে মাটিৰ পট্টায়েই পোৱা নাই। উদাহৰণ স্বৰূপে ধেমাজি, শদিয়াত কৃষকৰ মাটিৰ পট্টায়েই নাই। তেওঁলোকে চৰ অঞ্চলৰ কথা কৈছে। কৃষিৰ উন্নতিৰ লগত জলসিঞ্চনৰ আঁচনিয়েই মেৰামতিৰ অভাৱত জহি গৈছে। গড়কাপ্তানিৰ অধীনত ৰাস্তা-ঘাটৰ উন্নতি হোৱা নাই। আমাৰ ইয়াত মহিলাৰ ওপৰত নিৰ্য্যাতন এটা সামাজিক ব্যাধি হৈ পৰিছে। এই ক্ষেত্ৰত চৰকাৰে পদক্ষেপ ল'ব লাগে। শেষত শান্তিৰ কাৰণে উগ্ৰপন্থীৰ লগত আলোচনা হোৱাতো ভাল কথা। কিন্তু সামৰিক অভিযান আৰু আলোচনা একে লগেই চলাই থাকিলে, এই সমস্যাৰ সমাধান নহয়। চৰকাৰে আইন-শৃঙ্খলাৰ উন্নতি হৈছে বুলি আত্ম সন্তুষ্টি লভিলে নহ'ব। কাৰ্বি আংলং আদিত ঘটনা হৈ আছে এই ক্ষেত্ৰত শান্তি প্ৰগতি ঐক্যৰ বাবে সকলোৱে একেলগে কাম কৰিব লাগিব। ইয়াকে কৈ সামৰণি মাৰিলো।

* **শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী)** : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণ প্ৰসঙ্গত আলোচনা কৰিবলৈ গৈ মই চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াৰ প্ৰসঙ্গৰে ক'ব বিচাৰিছো যে তেখেতে কৈছে কংগ্ৰেছ চৰকাৰে ক্ষমতালৈ আহিছে বি পি বি এফৰ লগ হৈ। আমাৰ নেতা শ্ৰী হাগ্ৰামা মহিলাৰীয়ে বহল উদাৰ দৃষ্টিভংগীৰ তৰুণ গগৈৰ নেতৃত্বত জনগোষ্ঠীয় আশা আকাঙ্খা পূৰ্ণ কৰিবলৈ তেখেতৰ লগ হৈ আহিছে। জনজাতীয় সমস্যা সমাধানৰ কাৰণে তেখেতে যত্ন কৰিছে। আমি এটা সকলোৱেই বহল দৃষ্টিভংগী লৈছো। আমি বি টি চি এলেকাৰ উন্নতিৰ লগতে সমগ্ৰ অসমৰ উন্নতি বিচাৰিছো। শ্ৰীবৃন্দাবন গোস্বামী ডাঙৰীয়াই অসম চুক্তিৰ কথা কৈছে কিন্তু তেওঁ বি টি চি চুক্তিৰ কথা কোৱা নাই। যি চুক্তিৰ ফলত বি টি চি এলেকাত স্থায়ী শান্তি স্থাপন হৈছে। সকলো জনগোষ্ঠীৰ উন্নতি কৰিব লাগিব। সেই বিলাক সমস্যাৰ প্ৰতি আমি দৃষ্টি দিব লাগিব। আমি তৰুণ গগৈৰ উদাৰ দৃষ্টিভংগীৰ কাৰণে তেখেতক পুনৰ ধন্যবাদ দিছো। অসম খন সমস্যা জৰ্জৰিত। আমি সকলোৱে ইয়াক আগবঢ়াই নিবলৈ কথাৰে-যুক্তিৰে নহয় কামেৰেহে আগবঢ়াব লাগিব। পাটোৱাৰী ডাঙৰীয়াই কৈছে যে ডিপাৰ্টমেণ্টে শিল দি ৰাস্তা নবনাই চাউল দিহে বনায়। ৰিপুন বৰা ডাঙৰীয়াই বিগত দিনত বিভাগটো উন্নত কৰি বহুতো স্কীম লৈছিল। আমি বিভাগটো উন্নত কৰাৰ বাবে ইতিমধ্যে প্ৰচেষ্টা আৰম্ভ কৰি দিছো। এই খিনি কথাকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

---

* Speech not corrected

**Mr. Speaker :** Now, Hon'ble Chief Minister.

* শ্ৰীতৰুণ গগৈ (মুখমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা আলোচনাত ভাগ লোৱা সকলোলৈ মই ধন্যবাদ জনাইছো। এই ক্ষেত্ৰত যদি বিৰোধী দলে কিবা পৰামৰ্শ আগবঢ়াই আমি নিশ্চয় গ্ৰহণ কৰিম। অসমৰ সকলো জনসাধাৰণৰ সহায় সহযোগ পালেহে আমি বিকশিত অসম গঢ়িব পাৰিম। যোৱা ৫ টা বছৰে আমি যিবোৰ আঁচনি লৈছিলো সেইবোৰত সম্পূৰ্ণ সফল হৈছো বুলি আত্ম সন্তুষ্টি লাভ কৰা নাই। আমি ভীষণ ভাল কৰিছো বুলি কোৱা নাই। আৰ্থিক ক্ষেত্ৰত যোৱা ৫ টা বছৰে আমি বহুখিনি আগবাঢ়ি গৈছো। যদিও সৰ্বভাৰতীয় স্তৰত পাৰ কেপিটা ইনকামৰ তলত আছে। তথাপি আমি চেষ্টা কৰিম যাতে আগবাঢ়ি যাব পাৰো। ৰোড, কমিউনিকচেন, পাৱাৰ চেক্টৰ আদিৰ লক্ষ্যত উপনীত হ'বলৈ আমি চেষ্টা কৰিম। ৫ বছৰত সকলো কাম শেষ কৰিব নোৱাৰি। বিশেষকৈ অৰ্থনীতিৰ লগত ল' এণ্ড অৰ্ডাৰ জড়িত। অৰ্থনীতি যদি ভাল নহয় উগ্ৰপন্থী থাকিবই। সকলোৰে মূল কথা অৰ্থনীতি। আমি অৰ্থনীতি টনকিয়াল কৰিব নোৱাৰিলে কোনো সমস্যাৰ সমাধান কৰিব নোৱাৰিম। শান্তি উন্নতি দুয়োটা কথা ওতঃপ্ৰোত ভাৱে জৰিত। ডেভেলপমেণ্ট নহ'লে শান্তি নাহে। চন্দ্ৰমোহন পাটোৱাৰীয়ে কোৱাৰ দৰে গতানুগতিক নহয়। আপোনালোকৰ দিনত ১৫০ দিন ট্ৰেজাৰী বন্ধ আছিল। ২৫০ কৌটি টকাৰ অভাৰ ড্ৰাফট হৈছিল। আমাৰ চাৰপ্লাছ হৈছে। ট্ৰেজাৰী সদায় খোলা আছে। আপোনালোকৰ প্লেনিংত তললৈ আহিছিল। আমাৰ দিনত ডাবল হৈছে। আমাৰ ৩৫০০ হৈছে। এইবিলাক গতানুগতিক নহয়। ফিগাৰেই দেখুৱাই দিব। মই ডিটেইলচলৈ যাব খোজা নাই। কেন্দ্ৰীয় চৰকাৰৰপৰা টকা আহিছে আমি ষ্টেট চেয়াৰ দিব পাৰিছো। কাৰণআমাৰ পজ্যিশ্যন ভাল। আপোনালোকৰ দিনত নোৱাৰিলে কিয়। আমাৰ ষ্টেট পজিশ্যন ভাল হৈছে। দৰ্মহা ৬০ শতাংশ দিছো। ৱেষ্ট বেংগলক বাদ দিলে ভাৰতবৰ্ষত কেইখন ৰাজ্যই দিব পাৰিছে। আৰু ৭ শতাংশ আছে সেইটো দিম বুলি কৈছো। ভাৰতবৰ্ষৰ কেইখনমান ষ্টেটতহে ডি এ মাৰ্চ কৰি দিছে। আমি আত্মসন্তুষ্টি লাভ কৰা নাই। এই ক্ষেত্ৰত সকলোৰে সহায় সহাযোগিতা পালে আমি আৰু আগবাঢ়ি যাব পাৰিম। দায়িত্ব বহুতো আছে। আজি আমি বহুতো স্কীম লৈছো। ৱৰ্ল্ড বেংকৰ লগত স্কীম লৈছো। কেন্দ্ৰীয় চৰকাৰৰ লগতেই নহয় এচিয়ান বেংকৰ লগতো স্কীম লৈছো। সেইবিলাক আপোনালোকে কৰাহেঁতেন আগবাঢ়ি যাব পাৰিলোহেঁতেন। বেংকে ডেউলীয়া মানুহক ঋন নিদিয়ে। আমাৰ দিনত এটাৰ পিছত এটাকৈ স্কীম আনি থকা হৈছে। ডেভেলমেণ্ট নহ'লে ইনচাৰ্জেন্সি প্ৰব্লেম হ'বই। এন ডি এফ বিৰ সমস্যা, আলফাৰ সমস্যা এইবোৰ সমস্যা সকলো ডেভেলমেণ্টৰ লগত জড়িত। ইকনমিক ডেভেলপমেণ্ট

* Speech not corrected

নাথাকিলে প্ৰব্লেম হ'বই। বেচিক কথাটো হ'ল, কিছুমান পিছপৰি আছে আৰু কিছুমান আগবাঢ়ি আছে। আমাৰ ইকনোমিক ডেভেলপমেণ্ট হ'ব লাগিছে। এই ক্ষেত্ৰত গুৰুত্ব দিব লাগিব। আন এমপ্লইমেণ্ট ২০/২২ লাখ আছে। আৰু আগবাঢ়ি গৈ থাকিব গতিকে ইয়াক ৰোধ কৰা কি স্কোপ আছে সেইটো চাব লাগিব। এগ্ৰিকালচাৰটো ডেভলপমেণ্ট কৰিব লাগিব। যেতিয়ালৈকে খেতিয়ক সকলৰ উন্নতি নহয় অসমৰকেনেকৈ উন্নতি হ'ব? যোৰহাটৰ ৬০ ভাগ মানুহৰ উন্নতি হৈছে। কিন্তু এগ্ৰিকালচাৰে মানুহৰ ইনকাম বঢ়াব লাগিব। গাঁৱৰ খেতিয়ক সকলৰ ইনকাম বাঢ়িলে তেওঁলোকে নিজেই ইনভেষ্টমেণ্ট কৰিব পাৰিব। এইখন কমিটি মই আগতে কৰিছো, দ্বিতীয় বাৰ মুখ্যমন্ত্ৰী হোৱাৰ আগতে। কিন্তু বেলেগ দল আহিব বুলি তেওঁলোকে মোক দিয়া নাছিল। মই কলো মোক দিব লাগিব। গাঁৱৰ এগ্ৰিকালচাৰ, চেৰিকালচাৰ ইমপ্ৰোভ কৰিব লাগে। ল' এণ্ড অৰ্ডাৰৰ ইমপ্ৰোভ এবচলুট হোৱা নাই, ঘটনা ঘটি আছে। ইনচাৰজেন্সী আছে। বাহিৰৰ পৰা মানুহ আহি আছে। বিদেশৰ মানুহও আহে। তেওঁলোকৰ যিটো পাৰচনেল অসমৰ চিকিউৰিটি নাই। সেইটো অসমলৈ অহাৰ পাচত যেতিয়া ৰাতি বিয়লি ঘূৰি ফুৰা পাচত একো নাই। কোনো অসুবিধাই নাপায়। ইণ্ডিয়াৰ ভিতৰৰ মানুহো আহে তেওঁলোকে আহি কয় যে যিটো পাৰচেপচন আছে সেইটো গুচাব লাগে। ঘটনা ঘটিছে হয়। কিন্তু অসমৰ ঘৰ বেয়া, ল'ৰা ছোৱালী বেয়া বুলি কৈ থাকিলে নহ'ব। তেওঁলোকক আশা দিব লাগিব। বহু বছৰ পাছত যোৱা ইলেক্চনটো মোষ্ট পিচফুল আছিল। আপোনালোকে ১৯৮৫ চনৰ ইভে ণ্ট চাওক ল' এণ্ড অৰ্ডাৰ গাৰ জোৰেৰে মেইন টেইন কৰিব নোৱাৰি। সকলোৰে সহায় সহযোগ লাগিব। এই বাৰ অসমৰ মানুহে সহায় কৰিছে। তেওঁলোকেও জনা হৈছে আজি আইন শৃঙ্খলাৰ উন্নতি হৈছে আৰু কৰিবলগীয়া আছে। পুলিচ বিভাগ, এডুকেশ্বন ৰিৰ্ফম এডমিনিষ্ট্ৰেটৰৰ মনোভাৱ চেঞ্জ নকৰে তেনেহলে ল' এণ্ড অৰ্ডাৰ ঠিক নহ'ব । আজি পুলিচ বিভাগটোৱে বিভিন্ন দিশত ল'এণ্ড অৰ্ডাৰৰ এফোৰেট কৰি আগবঢ়াই আহিছে। সময় লাগিব। ধৈয্য লাগিব। বহু বছৰ ধৰি থকা সমস্যা বিলাক সমাধান কৰোতে কিছু কিছু সময় লাগিব। কনভিনিয়েণ্ট এটমোচফিয়াৰ হ'ব লাগিব। আজি বি এল টি তেওঁলোকে ৰিয়েলাইজ কৰিছে। তেওঁলোকক আদৰ্শ বুলি ল'ব পাৰি। ভাৰতবৰ্ষৰ ট্ৰাইবেল সমস্যা সমাধান কৰিবলৈ আন ৰাজ্য বিলাকৰ পৰাও, অলপতে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী আহিছিল, তেওঁ চন্দন ব্ৰহ্ম আৰু প্ৰমিলা ৰানী ব্ৰহ্মৰ লগ কৰি গৈছে। ট্ৰাইবেল বহুত আছে কেৱল বড়ো নহয়, ৰাভা হাচং আদি কৰি মই তেওঁলোকক কৈছে সকলোৱে সহযোগ কৰিব। তাৰোপৰি টি গাৰডেনৰ সমস্যা আছে। কিছুমান টি গাৰডেন মৰি যোৱা কাৰণে সমস্যা বাঢ়ি গৈছে। চাহৰ পৰা আমি যিটো ৰয়েলিটি পাব লাগে সেইটো পোৱা নাই। প্ৰায় ১০০ কৌটিমান টকা কমি গৈছে। অসমৰ নিচিনা

দুখীয়া ৰাজ্য এখনৰ কাৰণে এই টকাতো কম নহয়। সেই কাৰণে আমি টি ইণ্ডাষ্ট্ৰী ডেভেলপমেণ্টৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছো আমাৰ ৰাজ্যখনৰ চৰ এৰিয়া বিলাকো আটাইতকৈ বেকওৱাৰ্ড হিচাবে চিহ্নিত হৈছে। সেই এৰিয়া বিলাক ডেভেলপ কৰাৰ ক্ষেত্ৰতো আমি গুৰুত্ব আৰোপ কৰিছো। আমাৰ অসমত যিবিলাক এৰিয়াআছে প্ৰত্যেক এৰিয়াই ডেভেলপ হ'ব লাগে। কিন্তু চৰ এৰিয়া, ট্ৰাইবেল এৰিয়া আৰু টি এৰিয়া এই এৰিয়া কেইটাত ইলিটাৰেচীৰ ফালৰ পৰা বেছি পৰে। বাকী এৰিয়া বিলাকতো আমাৰ কৰিবলগীয়া বহুত কাম আছে। কিন্তু আমি সেই এৰিয়া বিলাকো ডেভেলপ কৰিব লাগিব। বাকী এৰিয়া বিলাকতো আমাৰ কৰিবলগীয়া বহুত কাম আছে। কিন্তু আমি সেই এৰিয়া বিলাকো ডেভেলপ কৰিব লাগিব। অৱশ্যে যোৱা ৫ বছৰ সেই এৰিয়া বিলাকৰ কিছু ইমপ্ৰোভ হৈছে। আমি আমাৰ ৰাজ্যখনৰ উন্নতিৰ কাৰণে সঠিক ভাবে লব লাগিব আৰু যিবিলাক ৰুলচ, নীতি নিৰ্দেশনা আছে সেইবিলাক মানি চলিব লাগিব। আমাৰ যি কেইখন বেকওৱাৰ্ড ডিষ্ট্ৰিক আছে সেই ডিষ্ট্ৰিক কেইখন আমি আগবঢ়াই নিয়াৰ কাৰণে চেষ্টা কৰিব লাগিব। আমি অসম চুক্তি ইমপ্লিমেণ্ট কৰিব বিচাৰিছো, বড়ো একৰ্ড ইমপ্লিমেণ্ট কৰিব বিচাৰিছো। আমি ভাৰতবৰ্ষত দেখুৱাই দিব বিচাৰিছো By implementing all the records, peace and development has taken place. আমাৰ উদ্দেশ্য সেইটো। আমি অসম চুক্তি ৰূপায়ন কৰাৰ ক্ষেত্ৰত জোৰ দিছো। আমাৰ ৰাজ্যখনত আই আই টি হৈছে, দুখন চেণ্ট্ৰেল ইউনিভাৰচিটি হৈছে, গেছ ক্ৰেকাৰ হৈছে মানুহৰ ৰিচেণ্টমেণ্টতো আছিল ইকোনমিক ডেভেলপমেণ্টৰ ওপৰত গুৰুত্ব দিছো, বেকওৱাৰ্ড ক্লাচৰ মানুহক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত গুৰুত্ব দিছো। এতিয়াও কিছুমান শ্ৰেণীৰ মানুহ পিছ পৰি আছে আৰু কিছুমান শ্ৰেণীৰ মানুহ আগবাঢ়ি গৈ আছে। আমি যাতে সকলোকে আগুৱাই নিব পাৰো সেইটোহে চাব লাগিব। দুখীয়া শ্ৰেণীৰ মানুহৰ কথাটোও আমি চাব লাগিব। তেওলোকেও পাব লাগিব। দুখীয়া সকলো শ্ৰেণীৰ লোকৰ কাৰণে আমি যাতে বিভিন্ন আঁচনি ল'ব পাৰো সেই কাৰণে আমি ইকোনমিক ডেভেলপমেণ্টৰ ওপৰত জোৰ দিছো। নিবনুৱা সমস্যাৰ কথাতো আছেই। কেৱল চৰকাৰী চাকৰি দি নিবনুৱা সমস্যা সমাধান কৰিব পৰা নেযায়। চৰকাৰী চাকৰিৰ জৰিয়তে কিছুমানক সুবিধা দিব পৰা যাব। অকল চাকৰিয়েই যে কৰিব লাগিব সেইটো কথা নহয়। অন্য কামো কৰিব লাগিব। আজি মাৰোৱাৰী আৰু বঙালীসকলে ব্যৱসায় বাণিজ্য কৰিছে। মাৰোৱাৰী সকল ব্যৱসায় বাণিজ্য কৰি কিমান আগবাঢ়ি গৈছে? আমাৰ ইয়াত যিমান ঠিকাদাৰ লাগে সিমান ঠিকাদাৰ নাই। এজনেই দুই তিনিটাকৈ কাম লৈছে। সেই বিলাক ক্ষেত্ৰতো আমি জোৰ দিব লাগে। আজি কালি সকলো ক্ষেত্ৰতেই ভাল হ'ব লাগিব। ভাল ঠিকাদাৰ হ'ব লাগিব, ভাল টেইলৰিং হ'ব লাগিব, ভাল কাঠ মিস্ত্ৰি

হ'ব লাগিব মুঠতে সকলো ক্ষেত্ৰতেই ভাল হ'ব লাগিব। তাৰ কাৰণে উপযুক্ত প্ৰশিক্ষণ দিব লাগিব। আজি আমি শিক্ষাৰ ওপৰত কিয় জোৰ দিছো? পাৱাৰ আমাক লাগিব সেই কথাটো হয়। বঙ্গাইগাঁও থাৰ্মেল প্ৰজেক্টটো আমি যোৱা ৫ বছৰ লাগি লাগি কৰিব নোৱাৰিলো। আপোনালোকেও হয়তো সেইটো কৰাৰ কাৰণে লাগিছিল। কিন্তু আমাৰ ভাগ্য আছিল কাৰণে কেন্দ্ৰত ইউ পি এ চৰকাৰ আহিল আৰু তাৰ কাৰণে আমি গেচ ক্ৰেকাৰ পালো। কেন্দ্ৰত ইউ পি এ চৰকাৰ নহ'লে আমি গেচ ক্ৰেকাৰ নাপালোহেঁতেন। তাৰ কাৰণে মই মাননীয় প্ৰধানমন্ত্ৰী মনমোহন সিং ডাঙৰীয়াক ধন্যবাদ জনাইছো। আমি বঙ্গাইগাঁও থাৰ্মেল প্ৰজেক্ট, কাৰ্বি লাংপি প্ৰজেক্ট, নামৰূপ তাপ বিদ্যুত প্ৰকল্প, লাকোৱা তাপ বিদ্যুত প্ৰকল্প আদি কৰাৰ কথা কৈছো। আমাৰ ইয়াত পাৱাৰ কম কাৰণে ইণ্ডাষ্ট্ৰিয়েলিষ্ট মাতিলেও নাহে। পাৱাৰ উৎপাদন কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আমাক সহায় কৰিব লাগিব। চাহ উৎপাদনৰ ক্ষেত্ৰতো কেন্দ্ৰীয় চৰকাৰে আমাক সহায় কৰিব। টুৰিজিমৰ ক্ষেত্ৰতো আমি ব্যৱস্থা লৈছো। অসমত কিমান টুৰিষ্ট আহিছে সেইটো চালেই অসমৰ আইন শৃঙ্খলাৰ পৰিস্থিতি ভাল হৈছে নে বেয়া হৈছে সেইটো ক'ত গম পাব। এটা সময়ত অসমৰ মাটিৰ দাম কমি গৈছিল। কিন্তু এতিয়া অসমত মাটিৰ দাম বৃদ্ধি হৈ গৈ আছে। অসময়ত মানুহে অসমত মাটি নিকিনিছিল। আজি গুৱাহাটীত মাটি কিনিবলৈ পাবলৈ নাইকীয়া হৈছে। এখন দেশৰ 'ল' এণ্ড অৰ্ডাৰ আৰু ইকোনমিক ডেভেলপমেণ্টতো চাব লাগে। আইন শৃঙ্খলা পৰিস্থিতি ভাল হোৱাৰ কাৰনে আৰু ইকোনমিক ডেভেলপমেণ্ট বাঢ়ি যোৱাৰ কাৰণে মাটিৰ দাম বৃদ্ধি হৈ গৈছে। আজি কলিকতাৰ পৰা গুৱাহাটালৈ ৯ খন ফ্লাইট আছে। কিন্তু তাতো টিকট পাবলৈ দিগদাৰ হ'ব। আজি গুৱাহাটীৰ পৰা মুম্বাই, হায়দৰাবাদলৈ একে দিনাই যাব পৰা হৈছে। আমি সকলো বিলাক ক্ষেত্ৰতেই জোৰ দিছো। বিশেষকৈ শিক্ষাৰ ওপৰত আমি বেছিকৈ জোৰ দিছো। কাৰণ Education is a basic need.। আমি শিক্ষা পলিচি বদলাব লাগিব। আগৰ নিচিনাকৈ অসমৰ উন্নতিৰ ক্ষেত্ৰত মই আজিও কেন্দ্ৰৰ লগত লাগি আছো। আগতে ৰাজীৱ গান্ধীৰ দিনত যেতিয়া বৰাক ভেলীত কেন্দ্ৰীয় বিশ্ব বিদ্যালয় দিয়াৰ কাৰণে কেন্দ্ৰৰ ওচৰত জোৰ দিছিলো আৰু সেই মৰ্মে কেন্দ্ৰীয় চৰকাৰে তেজপুৰত আন এখন কেন্দ্ৰীয় বিশ্ব বিদ্যালয় পাতিলে। আমি সেই ধৰণে আৰু ইউনিভাৰচিটি খুলিব বিচাৰিছিলো। আজি আমি আৰু মেডিকেল কলেজ, ইউনিভাৰচিটি, টেকনিকেল ইনষ্টিটিউট আদি খোলাৰ কাৰণে আমি চিন্তা কৰি আছো। সেইটো কৰাৰ কাৰণে আমাৰ স্কোপো আছে। আমাৰ ল'ৰা-ছোৱালী বিলাক ভেৰী ভেৰী কমপিটেণ্ট। আমি যেতিয়া কম্পিউটাৰ বিতৰণ কৰিছিলো তেতিয়া এজনী ছোৱালীয়ে ইলেকট্ৰিক লাইন নথকাৰ

* Speech not corrected

কাৰণে কম্পিউটাৰ নলও বুলি ক'লে। তেতিয়া আমি তাইক কম্পিউটাৰৰ সলনি টকা ল'বলৈ কলো। কিন্তু তাই ক'লে চাৰ, মোক টকা নালাগে ইলেকট্ৰিক কানেকচনহে লাগে। কিন্তু আমি ভাবো টকাতোহে ডাঙৰ। আজি মানুহৰ মেণ্টেলী মাইণ্ড চেঞ্জ হৈছে। মাইণ্ড চেঞ্জ নহ'লে ইমপ্ৰোভ কৰিব নোৱাৰে।

আমাৰ মানুহৰ মানসিকতাৰ পৰিবৰ্তন হ'ব লাগে। মানসিকতাৰ যেতিয়ালৈকে সলনি নহয় তেতিয়ালৈকে আমি প্ৰগ্ৰেছ কৰিব্ নোৱাৰো। সকলোৰে এটা প্ৰগতিমূলক মনোভাৱ হ'ব লাগে। পশ্চিম বঙ্গত আজি কি হৈছে। মই বুদ্ধদেৱক কৈছো যে মই কিবা এটা কৰিব খুজিলে সকলোৱে প্ৰটেষ্ট কৰে, কিন্তু আপোনাৰ ক্ষেত্ৰতটো সেইটো হোৱা নাই। সেই কাৰণে মই কৈছোঁ যে আমাৰ মাইণ্ড চেটটো সলনি কৰিব লাগে। আজি আমাৰ কিমান ল'ৰা-ছোৱালী দিল্লী - বোম্বাইত আছে। আমাৰ মাজত এটা চেল্ফ কনফিদেন্স থাকিব লাগে। আমাৰ মানুহে চেলেঞ্জ ফেচ কৰিব লাগিব, সদায়েই যে জিকি থাকিব লাগিব সেইটো নহয়। সেই ধৰণেৰে এগ্ৰিকালচাৰ, এডুকেশ্যন বা পাৱাৰেই হওক Why you confine to Indian? আমি আজি সৰু সৰু কথাত লাগি থাকিলে নহ'ব। ইনফৰমেশ্যন টেকন'লজিৰ ওপৰত আমি জোৰ দিছো যাতে আমাৰ ইফিচেয়েন্সি বাঢ়ে। আমাৰ মানুহে আজি ৰাস্তাৰ কথা কয়, ৰাস্তা থাকিলেও যদি দলং নাথাকে তেন্তে কি হ'ব? আজি মই আৰ চি চি দলঙৰ কথা কিয় কৈছো? এবছৰত নহ'ব পাৰে, কিন্তু প্লেনটো ল'ব লাগিব। আজি আমিও কৈছো যে এম এল এ সকলৰ দেইলি এলাউন্স বাঢ়ক। আগতে আমাৰ মানুহে ৰাস্তাৰ কথা কৈছিল, এতিয়া মানুহে পকী ৰাস্তাৰ কথা কয়। আমি যিমান পাৰোঁ কৰিবলৈ বিচাৰিছো। আমাৰ অসমখনত বিভিন্ন সমস্যা আছে সমস্যা ক'ত নাই? আৰৱৰ দৰে এখন দেশত যিমান সমস্যা আছে আমাৰ অসমত সিমান সমস্যা নাই। ট্ৰাইবেলৰ মাজত, কাৰ্বি আংলং আৰু চৰ এৰিয়াত নানান সমস্যা আছে। এইবিলাক বাদ দি বেচিক যি কেইটাৰ কথা আছে সেই কেইটা চাব লাগে। আমাৰ ৰাজ্যত বিদেশী সমস্যাৰ কথা কোৱা হৈছে। বিদেশীৰ নামত স্বদেশীক হাৰাশাস্তি কৰিবলৈ আমি কেতিয়াও নিদিওঁ। কিন্তু আইনমতে সকলো ব্যৱস্থা আমি আখৰে আখৰে পালন কৰিম। ১৯৭১ চনৰ মাৰ্চৰ পিছতঅহা সকলে যাতে ন্যায় বিচাৰ পাই সেই কথা টিবুনেলে চাব। ১৯৫১ চনৰ ভিতৰত আমি এন আৰ চি আমি ৰিভাইচ কৰিবলৈ বিচাৰিছিলো। আৰু এই প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰকো দিছিলো। আমাৰ ইয়াৰ মানুহৰে থাকিবলৈ মাটি নাই, চাকৰি দিব পৰা নাই এনে ক্ষেত্ৰত আমি বিদেশীক ৰাখো ক'ত? বিদেশী আছে বুলি প্ৰপগেন্দা চলি আছে। যদি আছে লিষ্ট দিয়ক, আমি মানি ল'ম।

---

* Speech not corrected

মেলেৰীয়াত ৮৫ জন লোক মৰা বুলি কোৱা হৈছে। যদি এই কথা সত্য হয় তেন্তে আমি অফিচাৰক কম আমাৰ পৰা আপোনালোকে কিয় লুকুৱাই ৰাখিছে?

অধ্যক্ষ মহোদয়, আমি এই কথা বিলাকৰ ওপৰত হিচাপ বিচাৰিছো। কিন্তু আজিলৈকে কোনোয়ে আমাক হিচাব দিয়া নাই। এই কথাবিলাক পেকটচ্ এণ্ড ফিগাৰ প্ৰমাণ কৰিব পাৰিলেহে কামত আহিব। আমি নেগলেকটেড হোৱা বুলি ক'লেই নহ'ব। ৰাজ্যত যি চৰকাৰেই নাথাকক কিয় কেন্দ্ৰই টকা দিবলৈ বাধ্য। আমি সকলোবোৰ কথা প্ৰমাণ কৰিব পাৰিব লাগিব। ক'ৰবাত কেতিয়াবা দুই এটা ভূল হ'ব পাৰে। কিন্তু সেই বুলি সকলোবোৰ ভুল হৈছে বুলি ক'লে নহ'ব। আজি ৰাজ্যখনলৈ শান্তি ঘূৰি আহিছেআৰু ক্ৰমে উন্নয়ণৰ পথ ক্ষীপ্ৰ হ'বলৈ ধৰিছে। আজি কাকপথাৰ ঘটনাৰ কথাও উল্লেখ কৰা হৈছে। কিন্তু সেই বুলি কাক পথাৰত নিৰ্বাচনত আমি হৰা নাই। এই সকলোবোৰ কথা ভালদৰে চিন্তা চৰ্চা কৰি চাব লাগিব। সকলো কথাতে চৰকাৰ দায়ী হ'ব নোৱাৰে। মাননীয় সদস্য পৰিমল শুক্লবৈদ্যইও মোৰ লগত কিছুমান কথা আলোচনা কৰিছে। আজি যোৰহাটতে হওক বা অন্য ঠাইতে হওক যিসকলে দোষনীয় কাম কৰিছে তেওঁলোকেউচিত শাস্তি ল'ব লাগিব। গতিকে সকলোবোৰ ক্ষেত্ৰত আপোনালোকে সহায় সহযোগ আগবঢ়ালে আমি সকলোৱে মিলি এখন নতুন অসম গঢ়িব পাৰিম। সেই কাৰণে ৰাজ্যপালৰ ভাষণৰ ওপৰত আলোচনা কালত আপোনালোকে যিটো এমেণ্ডমেণ্ট আনিছে সেইটো উঠাই ল'ব বুলি অনুৰোধ জনায় মোৰ ভাষণৰ সামৰণি মাৰিলো।

**Mr. Speaker :** There are four notices of Amendment to the Motion of thanks on the Governor's Address moved by Hon'ble Member, Shri Rameswar Dhanowar in the House.

The first notice of amendment motion stands in the name of Hon'ble Member, Shri Brindaban Goswami.

Now Hon'ble Member, Shri Brindaban Goswami, will you withdraw your Amendment?

* **শ্ৰীবৃন্দাবন গোস্বামী :** মাননীয় অধ্যক্ষ মহোদয় মই আজি সদনত এটা লিখিত প্ৰস্তাব উত্থাপন কৰিছিলো আৰু আজি অসমৰ যিবোৰ জলন্ত সমস্যা সেইবোৰৰ ওপৰত চিন্তা-চৰ্চা নকৰিলে প্ৰকৃত তথ্য উলিয়াব পৰা নহ'ব আৰু অসমৰ সৰ্বাঙ্গীন উন্নয়নৰ কাৰণে আমি

* Speech not corrected

সকলোৰে দায়বদ্ধ। এই ক্ষেত্ৰত আজি মুখ্যমন্ত্ৰী মহোদয়ে সদনৰ সকলোবোৰ মাননীয় সদস্যৰ সহায় সহযোগেৰে ৰাজ্যখনক উন্নয়নৰ পথত আগবঢ়াই নিয়াৰ কাৰণে যি প্ৰতিশ্ৰুতি দিছে তাৰ পৰিপ্ৰেক্ষিততে আমি সংশোধনী প্ৰস্তাৱটো উঠাই লৈছো।

**Mr. Speaker :** Is it the pleasure of the House to grant leave to with draw the Amendement motion?

( Voices : 'Yes' , 'Yes'.)

With the leave of the House the Amendement is withdrawn. The Second notice of Amendment motion stands in the name of Honble Member, Shri Drupad Borgohain. Will you withdraw your Amendment?

* শ্ৰীদ্ৰুপদ বুঢ়াগোহাঁই : মাননীয় অধ্যক্ষ মহোদয়, মই যি কেইটা কথাৰ ওপৰত এমেণ্ডমেণ্ট আনিছিলো সেই কেইটা মোৰ বোধেৰে সত্য। এই কথা বিলাক যদি ইনকু ৱাৰী হ'লহেঁতেন তেনেহ'লে কথাবিলাক স্পষ্ট হৈ থাকিলহেঁতেন। তথাপিতো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিহেতু আমাৰ সকলোকে এটা ঐক্যমতত আহিব লাগে বুলি এপিল কৰিছে সেয়েহে মই তেখেতৰ কথাৰ প্ৰতি সন্মান জনাই সংশোধনীটো উঠাই লৈছো।

**Mr. Speaker :** Is it the pleasure of the House to grant leave to withdraw the Amendment motion?

(Voice : 'Yes', 'Yes'.)

With the leave of the House, the Amendment is withdrawn.

* শ্ৰীমহিবুল হক : অধ্যক্ষ মহোদয় , আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো আৰু সেই পৰিপ্ৰেক্ষিততে মোৰ সংশোধনী প্ৰস্তাৱটো উঠাই লৈছো।

**Mr. Speaker :** Is it the pleasure of the House to great leave to withdraw the Amendment motion?

(Voice : 'Yes', 'Yes'.)

With the leave of the House, the Amendment is withdrawn. The fourth notice of Amendment motion stands in the name of Hon'ble Member, Shri Ananta Deka. Now, Hon'ble Member, Shri Ananta Deka. Will you withdraw your amendment?

---

* Speech not corrected

* **শ্ৰীঅনন্ত ডেকা :** অধ্যক্ষ মহোদয়, আমি অসমৰ জলন্ত সমস্যা কিছুমানৰ কথা উল্লেখ কৰিছো। আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি কেইটা বিষয়ৰ ওপৰত ক'লে তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো আৰু সেই পৰিপ্ৰেক্ষিতত সংশোধনী প্ৰস্তাৱটো উঠাই লৈছো।

**Mr. Speaker :** Is it the pleasure of the House to witdraw the amendment motion'

(Voice : 'Yes', 'Yes')

With the leave of the House, the Amendment is withdrawn.

I now come to the main motion of thanks moved by Shri Rameswar Dhanowar on the Address of the Governor.

The Motion is that :

"That the Member of the Assam Legislative Assembly assembled in this Session are grateful to the Governor for the Address he has been pleased to deliver to the House today, the 30th May, 2006."

Those who are in favour, say ,'Ayes' ;

Theose who are against, say, Noes'.

'Ayes' have it , 'Ayes' have it, Ayes have it.

The Motion is passed.

The Motion is adopted.

## ELECTION OF DEPUTY SPEAKER

**Mr. Speaker :** I now take up item No. 3 i.e. Election of Deputy Speaker. There are three nomination papers in favour of Smti. Pranati Phukan, M.L.A. I now read out the paritculars of the nominaiton papers as required under Sub-rule (5) of Rule 8 of the Rule of Procedures and conduct of Business in Assam Legisslative Assembly.

1. Nominaton Paper No.1- Member nominated Smti. Pranati Phukan, M.L.A. Propoesed by Shri Bharat

Ch. Narah, Seconded by Shri Gautam Roy.

2. Nominaiton Paper No. 2 - Member nominated Smti. Pranati Phukan, M.L.A. proposed by Shri Ripun Bora, seconded by Shri Dinesh Prasad Gowala.

3. Nomination Paper No. 3 - Member nominated Smti. Pranati Phukan, M.L.A. Proposed by Smti. Jonjonali Baruah seconded by Smti. Uttara Kalita.

Now as there is only one validly nomiated candidate.

I have much pleasure in declaring under Sub-rule (5) of rule 8 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly Smti. Pranati Phukan, M.L.A. to be duly elected as the Deputy Speaker of the twelfth Assam Lesigslative Assembly.

দ্বাদশ অসম বিধান সভাৰ সন্মানজনক উপাধ্যক্ষৰ আসনৰ বাবে আজি বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱা বিধায়িকা তথা ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মাননীয়া সদস্যা শ্ৰীমতী প্ৰণতি ফুকন ডাঙৰীয়ানীলৈ মই আন্তৰিক অভিনন্দন আৰু ওলগ জনাইছো।

ডিব্ৰুগড় জিলাৰ ১২০ নং নাহৰকটীয়া সমষ্টিৰ পৰা ক্ৰমে ১৯৯৬-২০০১,২০০১-২০০৬ আৰু ২০০৬ চনৰ অসম বিধান স ভাৰ সাধাৰণ নিৰ্বাচনত একে লেথাৰিয়ে তিনিবাৰকৈ ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপে অসম বিধান সভালৈ নিৰ্বাচিত হৈ অহা প্ৰণতি ফুকন ডাঙৰীয়ানীলৈ সংসদীয় বিধি বিধানৰ ক্ষেত্ৰত এগৰাকী অভিজ্ঞ জ্যেষ্ঠ বিধায়িকা। একাদশ অসম বিধান সভাৰ ২০০১ - ২০০৬ চনৰ কাৰ্য্যকালত তেখেতে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল।

বিধান স ভাৰ কাৰ্য্যক্ৰমণিকা সূচাৰুৰূপে পৰিচালিত হ'বলৈ হ'লে শাসকীয় আৰু বিৰোধী উভয় পক্ষৰে সম্পূৰ্ণ সহযোগিতাৰ প্ৰয়োজন। সংসদীয় গণতান্ত্ৰিক পৰম্পৰা অটুট ৰাখি বিধান সভাৰ প্ৰচলিত নীতি নিয়মৰ মাজেৰে সদন পৰিচালিত হ'লে সদনৰ মান মৰ্য্যদা ৰক্ষা পৰে। অসম বিধান সভাৰ এক সুস্থ গণতান্ত্ৰিক পৰম্পৰা

আছে। গণতন্ত্ৰত বিশ্বাসী আমি সকলোৱে সেই পৰম্পৰা মানি চলিলেহে সদনৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন হ'ব। সদনৰ কাম-কাজ পৰিচালনাত বিধান সভাৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা পুনৰ দোহৰাৰ প্ৰয়োজন নাই। মই আশা কৰো যে, এই গুৰু দায়িত্ব পালন কৰোতে নৱ নিৰ্বাচিত মাননীয়া উপাধ্যক্ষা শ্ৰীমতী প্ৰণতি ফুকন ডাঙৰীয়ানীৰ প্ৰতি দলমত নিৰ্বিশেষে সদনৰ সকলো মাননীয় সদস্য-সদস্যাই অসম বিধান সভাৰ গণতান্ত্ৰিক পৰম্পৰা অটুট ৰাখি সকলো প্ৰকাৰৰ সহায় সমৰ্থন আগবঢ়াব। মোৰ বিশ্বাস নৱ নিৰ্বাচিত বিধান সভাৰ উপাধ্যক্ষা শ্ৰীমতী ফুকন ডাঙৰীয়ানীয়ে সদনত শাসকীয়-বিৰোধী দল আৰু গোট সমূহৰ উপৰিও নিৰ্দলীয় সকলো মাননীয় সদস্য-সদস্যাৰ সম্পূৰ্ণ আস্থা আৰু সহযোগিতা লাভ কৰি নিৰপেক্ষ ভাৱে সদনত কাম কাজ পৰিচালনা কৰিবলৈ সক্ষম হ'ব। এই ক্ষেত্ৰত মাননীয়া উপাধ্যক্ষা গৰাকীয়ে মোৰ ফালৰ পৰা প্ৰয়োজনীয় সহযোগিতা, সমৰ্থন আৰু দিহা পৰামৰ্শ লাভ কৰিব।

শ্ৰীমতী ফুকন ডাঙৰীয়ানীলৈ পুনৰবাৰ মোৰ শুভকামনা আৰু অভিনন্দন জ্ঞাপন কৰি তেখেতৰ সম্পূৰ্ণ সফলতা কামনা কৰিলো।

*** শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)** : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ দ্বাদশ অধিবেশনৰ কাৰণে ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী শ্ৰীমতী প্ৰণতি ফুকন বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱাত মই মাননীয়া ফুকন ডাঙৰীয়ানীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো আৰু ওলগ জনাইছো। শ্ৰীমতী ফুকন এগৰাকী অভিজ্ঞতাপুষ্ঠ বিধায়িকা, তিনিবাৰকৈ বিধান সভালৈ নিৰ্বাচিত হৈ আহিছে, তেখেত জনপ্ৰিয়, অসম বিধান সভাৰ নীতি নিয়মৰ লগত পৰিচিত বিধান সভাত সকলো সময়তে দক্ষতা প্ৰমান কৰি আহিছে। মন্ত্ৰী হিচাবেও সেই দক্ষতা প্ৰমান কৰিব পাৰিব বুলি আশা কৰিছো। উপাধ্যক্ষ হিচাপে বিধান সভাৰ সকলো মাননীয় সদস্য/সদস্যাৰ প্ৰতি ন্যায় বিচাৰ কৰিব আৰু নিজৰ দক্ষতাৰে সকলো কাম কাজতে সকলোকে উপকৃত কৰিব পাৰিব বুলি আশা কৰি তেখেতক পুনৰবাৰ ধন্যবাদ জনালো।

*** শ্ৰীবৃন্দাবন গোস্বামী** : অধ্যক্ষ মহোদয়, বিধান সভাৰ অধ্যক্ষৰ লগতে উপাধ্যক্ষৰ আসনখনো সমানে মৰ্য্যদাপূৰ্ণ। মাননীয়া ফুকন ডাঙৰীয়ানী এগৰাকী স্পষ্ট নিৰ্ভিক দৃঢ় সম্পনা। যোৱা কেউটা বছৰত তেখেতক আমি পাইছো। তেখেত আজি উপাধ্যক্ষা পদত বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱাত আমি বিৰোধী পক্ষৰ ফালৰ পৰা আন্তৰিক অভিনন্দন

* Speech not corrected

জনাইছো। আৰু তেখেতক পূর্ণ সহযোগিতা আগবঢ়াম বুলি প্রতিশ্রুতি দিলো। তেখেতৰ নেতৃত্বত সদনৰ মৰ্য্যদা অক্ষুন্ন থাকিব। আমি আশা কৰিছো তেখেতে সকলো বিৰোধী পক্ষৰ সদস্যৰ প্রতি সমভাৱাপন্ন হ'ব সকলোকে ৰক্ষনাবেক্ষন দিব আৰু সকলোৱে তেখেতৰ পৰা ন্যায় পাব। মুখ্যমন্ত্রী মহোদয়ে কোৱাৰ দৰে তেখেতে সদনৰ মৰ্য্যদা অক্ষুন্ন সদায় ৰাখিব। সেই কাৰণে তেখেতক আমি পুনৰবাৰ ধন্যবাদ জনালো।

* শ্রীৰঞ্জিত দত্ত : মাননীয় অধ্যক্ষ মহোদয়, আমি বিজেপি দলৰ পৰা শ্রীমতী প্রণতি ফুকন উপাধ্যক্ষা নির্বাচিত হোৱাত আমি উষ্ম আদৰণি জনাইছো। আমি তেখেতৰ পৰা সকলো ক্ষেত্রতে পূর্ণ সহযোগিতা পাম বুলি আশা কৰি তেখেতক অভিনন্দন জনালো।

**Shri Parameswar Brahma :** I personally and on behalf of the BPPF (H) congratulate Smti Pranati Phukan on her selection as Duputy Speaker of the August House. I hope, She will discharge her responsibility as Deputy Spaker properly. I hope, all the Members will expect equal treatment and I request her to try to her best to keep the honour, dignity, tradition and spirit of the House allowing a discussion on various problems, where we can try to help solution of different problems for the development and prosperity, integrity of the state. We extend our heartiest thanks to her.

**Afzalur Rahman :** I, on behalf of the lokosanmilon, heartly congratulate Smti. Pranati Phukan to be selected as Deputy Speaker. I have found her as my colleague during last five years, as a very simple, knind hearted peronality. I congratulate her once again for selection to the prestigious Chair of Deputy Speaker.

* শ্রীহাফিজ বচিৰ আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যা শ্রীমতী প্রণতি ফুকন বিনা প্রতিদ্বন্দিতাৰে অসম বিধান সভাৰ উপাধ্যক্ষা নির্বাচিত হোৱাত আমি এ ইউ ডি এফ দলৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। আশা কৰো আগন্তুক দিন বিলাকত বিধান সভাৰ মজিয়াত দলমত নির্বিশেষে সকলোৱে তেখতৰ পৰা ন্যায় বিচাৰ

---

* Speech not corrected

পাব। আমি পুনৰবাৰ তেখেতক ধন্যবাদ জনালো।

* **শ্ৰীদ্ৰুপদ বৰগোহাঁই** : माननीय অধ্যক্ষ মহোদয়, শ্ৰীমতী প্ৰণতি ফুকন বিনা প্ৰতিদ্বন্দিতাৰে বিধান সভাৰ উপাধ্যক্ষ নিৰ্বাচিত হোৱাত মই অতিশয় আনন্দিত হৈছো। আমি আশা কৰিছো উপাধ্যক্ষা হিচাবে আমাৰ সদনৰ মৰ্যদা তেখেতে অক্ষুন্ন ৰাখিব আৰু যোৱা ৫ টা বছৰে যি দক্ষতাৰে তেখেতৰ সকলো কাৰ্য নিৰ্বাহ কৰিলে সেই দক্ষতাৰে এতিয়াও কাম কৰি যাব। মই এই ক্ষেত্ৰত এটা বেলেগ আনন্দও পাইছো, গৌৰৱ অনুভৱ কৰিছো কাৰণ প্ৰণতি ফুকন মোৰ নিজৰ গাঁওৰ ছোৱালী। তেখেতক সেই কাৰণে মই আৰু বেছিকৈ আনন্দিত হৈ অভিনন্দন জনালো।

* **শ্ৰীমহিবুল হক** : माननीय অধ্যক্ষ মহোদয়, শ্ৰীমতী প্ৰণতি ফুকন অসম বিধান সভাৰ উপাধ্যক্ষা হিচাবে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱাত আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। তেখেতৰ ওপৰত বিৰোধী দলৰ আৰু আন আন দলৰ সদস্য সকলেও যি ধৰণে আস্থা প্ৰদৰ্শন কৰিলে সেইটো আমি অনুভৱ কৰিছো আৰু তেখেতক অনুভৱ কৰিছো। বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱাটোৱে তাকেই সূচায়। ভাৰতীয় জাতীয় কংগ্ৰেছত মাতৃসকলৰ স্থান সদায় আগত। সেই কাৰণে ভাৰতীয় জাতীয় কংগ্ৰেছে সদায় তাৰ নিদৰ্শন দি আহিছে তাৰে উদাহৰণ প্ৰণতি ফুকনো। তেখেতৰ ওপৰত আমাৰ পূৰ্ণ আস্থা আৰু বিশ্বাস আছে।

অধ্যক্ষ মহোদয়, ধুবুৰী জিলাখন বাংলাদেশ সীমান্তবৰ্তী। ইয়াত বহুত বিলাক সমস্যা আছে সেই বিলাক বিধান সভাত উৎথাপন কৰোতে নিশ্চয় আপোনাৰ সহায় সহযোগ এতিয়াই কামনা কৰিলো আৰু পুনৰবাৰ অভিনন্দন জনায় বক্তৃতাৰ সামৰণি মাৰিলো।

* **শ্ৰীউদ্ধৱ বৰ্মন** : অধ্যক্ষ মহোদয়, শ্ৰীমতী প্ৰণতি ফুকন বিনা প্ৰতিদ্বন্দিতাৰে বিধান সভাৰ উ পাধ্যক্ষা নিৰ্বাচিত হোৱাত আমি আমাৰ দলৰ ফালৰ পৰা আন্তৰিক অভিনন্দন জনালো। এই বিধান সভালৈ তিনিবাৰ নিৰ্বাচিত হৈ অহা যি তেখেতৰ অভিজ্ঞতা, মন্ত্ৰী হোৱাৰ যি অভিজ্ঞতা এই সকলো অভিজ্ঞতাৰে বিধান-বিধিৰ ওপৰত যি অক্সিজ্ঞতা সেই সকলোখিনিয়ে তেখেতক উপাধ্যক্ষা হিচাবে কাৰ্য্যপৰিচালনা কৰাত সহায় কৰিব। মই আশা কৰিছো তেখেতৰ নেতৃত্বত আমাৰ সদনে সদায় গৌৰৱ বোধ কৰিব।

* **শ্ৰীদুলাল চন্দ্ৰ ঘোষ** : माननीय অধ্যক্ষ মহোদয়, শ্ৰীমতী প্ৰণতি ফুকন বিনা প্ৰতিদ্বন্দিতাৰে উপাধ্যক্ষ নিৰ্বাচিত হোৱাত আমি বৰ সুখী হৈছো। আশাকৰো উপাধ্যক্ষা হিচাবে বিধান

সভাৰ মজিয়াত সকলোকে সমদৃষ্টিৰে চাব আৰু সহায় সহযোগ আগবঢ়াব তাৰ কাৰণে তেখেতক পুনৰবাৰ ধন্যবাদ জনালো।

* **শ্ৰীমতী প্ৰমিলা ৰানী ব্ৰহ্ম (কৃষি মন্ত্ৰী)** : মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মাজৰ পৰা এগৰাকী মহিলা বিধায়িকাই বিনা প্ৰতিদ্বন্দ্বিতাৰে উপাধ্যক্ষা নিৰ্বাচিত হোৱাত আমি আমাৰ দলৰ ফালৰ পৰা তেখেতক আন্তৰিক শুভেচ্ছা যাছিলো। মই তেখেতক দুটা চেচন পাইছো আৰু বৰ আন্তৰিকতাৰে লগ পাইছো তেখেত সদনৰ মজিয়াত যি কোনো বিষয়ৰ ওপৰতে ভাগ লৈছিল তেখেতৰ কণ্ঠও সুমধুৰ আছিল সেই কাৰণে তেখেতে সকলোকে আকৰ্ষিত কৰিব পাৰিছিল। তেখেত এগৰাকী দক্ষ বিধায়িকা। সেই গুণৰ অধিকাৰতেই তেখেতক আজি উপাধ্যক্ষা নিৰ্বাচিত কৰা হ'ল। মহিলা সকলৰ পৰা তেখেতে শীৰ্ষস্থান দখল কৰিলে। তেখেতৰ পৰা আগন্তুক দিন বিলাক বহু সহায় পাম বুলি আশা কৰিছো। গতিকে মহিলা সকলৰ ফালৰ পৰা তেখেতক আমি আন্তৰিক শুভেচ্ছা জনালোঁ।

**মাননীয়া উপাধ্যক্ষা** : মাননীয় অধ্যক্ষ মহোদয়, দ্বাদশ অসম বিধান সভাৰ সন্মানীয় উপাধ্যক্ষ আসনৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে উক্ত পদত নিৰ্বাচিত হ'বলৈ সুযোগ দিয়াৰ বাবে মই অসম বিধান সভাৰ শাসকীয়, বিৰোধী দল আৰু গোট সমূহৰ মাননীয় সদস্য-সদস্যা সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

বিধান সভাৰ উপাধ্যক্ষৰ দৰে গুৰুত্বপূৰ্ণ পদৰ বাবে মোক প্ৰাৰ্থী মনোনীত কৰাৰ বাবে মই কংগ্ৰেছ দলৰ সন্মানীয় নেতা, সদনৰ দলপতি তথা অসমৰ জনপ্ৰিয় আৰু সুদক্ষ মুখ্যমন্ত্ৰী শ্ৰীযুত তৰুণ গগৈ ডাঙৰীয়ালৈ মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰিলো। কংগ্ৰেছ বিধায়িনী দল, বি পি পি এফ (হা) গোটৰ লগতে সদনৰ বিৰোধী দল আৰু গোট সমূহ তথা নিৰ্দলীয় সদস্য-সদস্যা সকললৈকো মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে অসম বিধান সভাৰ উপাধ্যক্ষা পদত নিৰ্বাচিত হোৱাত সহযোগিতা আগবঢ়োৱাৰ বাবে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বিধান সভাৰ উপাধ্যক্ষৰ দৰে গুৰুত্বপূৰ্ণ পদবীতকাৰ্য্যনিৰ্বাহ কৰোতে অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰীটংক বাহাদুৰ ৰাই ডাঙৰীয়াৰ অকুণ্ঠ সহায় সহযোগিতা আৰু সময়োচিত দিহা পৰামৰ্শ পাম বুলি আশা কৰিলো। তেখেতৰ দৰে এগৰাকী অভিজ্ঞ অধ্যক্ষৰ সৈতে কাম কৰিবলৈ পোৱাটো মোৰ বাবে এক গৌৰৱৰ বিষয়।

সদন পৰিচালনাৰ ক্ষেত্ৰতো মই সদনৰ নেতা মাননীয় মুখ্যমন্ত্ৰী মহোদয়,

---

* Speech not corrected

মাননীয় মন্ত্ৰীসকল, মাননীয় সংসদীয় সচিব সকল, শাসকীয় আৰু বিৰোধী দল/ গোট সমূহ তথা নিৰ্দলীয় মাননীয় সদস্য-সদস্যা সকলৰ পৰাও সময়োচিত সহায় সমৰ্থন পাম বুলি আশা কৰিলো। তেখেত সকলৰ সম্পূৰ্ণ সহযোগিতাৰেহে সদনৰ কাৰ্য্যক্ৰমণিকা সুচাৰু ৰূপে পালন কৰাতো সম্ভৱ হ'ব। লগতে সদনৰ ভিতৰে-বাহিৰে মোৰ ওপৰত ন্যস্তহোৱা গধুৰ দায়িত্ব সম্পাদন কৰোতে অসম বিধান সভাৰ সচিবকে ধৰি বিধান সভাৰ সকলো পৰ্য্যায়ৰ বিষয়া-কৰ্মচাৰীৰ সহযোগিতা কামনা কৰিলো। মোৰ দৃঢ় বিশ্বাস, আপোনাসকলৰ সম্পূৰ্ণ সহায় সহযোগিতাৰে মই উপাধ্যক্ষৰ দৰে গুৰুত্বপূৰ্ণ পদবীত পূৰ্বৰ গণতান্ত্ৰিক পৰম্পৰা সমূহ অটুট ৰাখি নিৰপেক্ষতাৰে সদনৰ ভিতৰে-বাহিৰে কাৰ্য্য পৰিচালনা কৰিবলৈ সক্ষম হ'ম।

সদৌ শেষত অসম বিধান সভাৰ সন্মানীয় উপাধ্যক্ষ পদত অধিষ্ঠিত হৈ পুনৰবাৰ বিধান সভাৰ মাননীয় অধ্যক্ষ ডাঙৰীয়া, অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়, মাননীয় মন্ত্ৰী সকল, মাননীয় সংসদীয়সচিব সকল, শাসকীয়-বিৰোধী আৰু নিৰ্দলীয় সকলো মাননীয় সদস্য-সদস্যাসকল, চৰকাৰী বিষয়া, বৰ্গ, সংবাদ মাধ্যমৰ প্ৰতিনিধি আৰু বিধান সভা সচিবালয়ৰ সচিব প্ৰমুখ্যে সকলোলৈকে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

জয় হিন্দ.

## CONSIDERATION AND PASSING OF GOVERNMENT BILL

**Mr. Speaker :** Now, Item No. 5(a) - Hon'ble Minister, Administrative Reforms & Training to move the motion for consideration.

**Dr. Bhumidhar Barman (Minister, Administrative Reforms & Training) :** Hon'ble Speaker Sir, I beg to move that the Assam Repealing Bill, 2006 be taken into consideration.

**Mr. Speaker :** I now put the motion before the House. The Motion is that "The Assam Repealing Bill, 2006" be taken into consideration.

Those who are in favour, say, 'Ayes' ;
Those who are against, say, 'Noes';
'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The Motion is passed.

**Now, item no. 5(b)**

I put clauses 2 and 3 of the Bill before the House. The question is that - clauses 2 and 3 of the Bill do stand part of the Bill.

Those who are in favour say, 'Ayes' ;

Those who are against, say, 'Noes' ;

'Ayes', have it, 'Ayes', have it, 'Ayes' have it.

Clauses 2 and 3 do form part of the Bill.

I now put clause I, preamble, short title and commencement of the Bill before the House.

The question is that–

Clause 1, Preamble,Short title and commencement do stand part of the Bill.

Those who are in favour, say, 'Ayes' ;

Those who are against, say, 'Noes';

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

Clause 1, Preamble, Short Title and Commencement do form part of the Bill.

**Now, itme no. 5 (c)** - Hon'ble Minisiter, Administrative Reforms & Training etc. to move the motion for passing of the Bill.

**Dr. Bhumidhar Barman (Minister) :** Sir, I beg to move that The Assam Repealing Bill, 2006 be passed.

Mr. Speaker, I now put the motion before the House for approval. The Motion is that - The Assam Rlpealing Bill, 2006 be passed.

Those who are in favour, say, 'Ayes' ;

Those who are against, say, 'Noes' ;

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The Motion is passed.

The Bill is passed.

## ANNOUNCEMENT FROM THE CHAIR

**Mr. Speaker :** Now, there is an announcement.

I hereby inform the House that Hon'ble Member, Shri Maneswar Brahma has informed that the Members belonging to the BPPF have formed a Legislature party with the following office bearers :

a) Shri Chandan Brahma - Leader
b) Shri Parameswar Braham - Deputy Leader
c) Shri Karendra Barumatary - Cheif whip
d) Shri Maneswar Brahma - Secretary

They have fulfilled the requirements laid down in the directions by the speaker, Assam Legislative Assembly, 3rd Edition, 2006 for recognition.

Accordingly, I recognize the BPPF to function as a legislature party in the Assam Legislative Assembly with effect form 31-5-2006. They will be granted facilities as per provisions of the Directions.

## RECOGNITION OF THE LEADER OF THE OPPOSITION

**Mr. Speaker :** I would like to inform the August House that the Asom Gana Parishad Legislature party having 24 numbers of members has been recognized to function as "Legislature Party" in the Assam Legislative Assembly with effect from 29-05-2006.

Whereas Hon'ble Member, Shri Brindaban goswami has been elected ad the Leader of the Asom Gana Parishad Legislateure Party and having members more than the required number and in pursuance of the Directions by the Speaker,

Assam Legislative Assembly, Third Edition, 2006, I recognize Hon'ble Member, Shri Brindaban Goswami as the Leader of the Opposition in the Assam Legislative Assembly with effect form today, the 31st May, 2006. Henceforth, Shri Brindaban Goswami will function as the Leader of the opposition in the Assam Legislative Assembly.

Cogratulations Mr. Goswsmi.

## LEAVE OF ABSENCE

**Mr. Speaker :** I have reaceived an application through FAX on 30th May, 2006 from Shri Pradip Hazarika, a newly elected Hon'ble Member of Twelfth Assam Legislative Assembly. The Fax message is–

To

The Hon'ble Speaker,

Assam Legislative Assembly,

Dispur, Guwahati.

Dear Sir,

**Leave of Absence from legislative Assembly.**

As you may be already aware, I was seriously injured in a shootout at Barahibari Mout Gaon near Amguri on 09th May, 2006 and was shifted to the AIIMS, Delhi in a critical condition for treatment on 10th May, 2006. I am still undergoing treatment at the AIIMS and not in a position to participate in the proceedings of the newly formed Assembly being commenced on 29 May 2006. I am also not in a position to take oath as a Member of the Legislative Assembly till being released from the hospital.

This is for your kind information and necessary action please.

Thanking You,

Yours faithfully

(Thumb Impression)
(Pradip Hazarika), MLA elect,
103, Amguri LAC
Camp. AIIMS, Ansari Nagar,
New Delhi.

Though the Hon'ble Member has not specified the period of leave, under rule 185 A(1) & (2) of the Rules of the Procedure and Conduct of Business in Assam Legislative Assembly, I have granted his leave provided that leave of absence applied for at any time shall not exceed a period of sixty days.

## CONSTITUTION OF LEGISLATURE COMMITTEES

**Mr. Speaker :** I have an announcement.

I have to announce the result of the elcetion to the committee on the committee on Public accounts of Assam Legislative Assembly. The number of candidates being equal to the number of members to be elected. The following members have been declared elected unanimously to the committee on pulbic Accounts.

1. Shri Brindaban Goswami, MLA
2. Shri Sarat Borkataki, MLA
3. Shri Rameswar Dhanowar, MLA

4. Shri Akon Bora, MLA
5. Shri Gobinda Chandra Langthasa, MLA
6. Shri Abdul Khaleque, MLA
7. Shri Rajib Lochan Pegu, MLA
8. Shri Chandra Mohan Patowary,MLA
9. Shri Phani Bhusan Choudhury,MLA
10. Smti. Kamali Basumatary, MLA
11. Shri. Parimal Suklabaidya, MLA
12. Shri Jagat Sign Engti, MLA
13. Shri Anwarul Hoque, MLA

And, In pursuance of Sub-Rule (1) of Rule 198 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I appoint Shri Brindaban Goswami, MLA as the Chairman of the said committee.

The newly elected committee will function for a term not exceeding thirty months with effect from 31st May, 2006.

Announcement - I have to announce the result of the election to the committee on the Public Undertakings of Assam Legislative Assembly. The number of candidates being equal to the number of members to be elected. The following members have been declared elected unanimously to the committee on the public undertakings.

1. Shri Membor Gogoi, MLA
2. Shri Ghana Buragohain, MLA
3. Dr. Malaya Barman, MLA
4. Shri Binanda Kumar Saikia, MLA
5. Shri Mohibul Hoque, MLA
6. Shri Drupad Borgohain, MLA
7. Shri Uddhab Barman, MLA

8. Shri Prabin Gogoi, MLA
9. Shri Ramendra Narayan Kalita, MLA
10. Shri Keshab Mahanta , MLA
11. Shri Kamal Shing Narzary, MLA
12. Shri Kartiksena Sinha,MLA
13. Shri Hafiz Bashir Ahmed, MLA

And, in pursuance of sub-rule (1) of rule 198 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I appoint Shri Membor Gogoi, MLA as the Chairman of the said committee.

The newly elected committee will funciton for a term not exceeding thirty months with effect form 31st May, 2006.

I have to announce the result of the election to the Committee on Estimates of Assam Legislative Assembly. The number of candidates being equal to the number of members to be elected. The following members have been declared elected unanimously to the committee on Estimate:

1. Captain Robin Bordoloi, MLA
2. Smti. Jonjonali Baruah, MLA
3. Shri Bhupen Kumar Bora, MLA
4. Shri Rana Goswami, MLA
5. Shri Rahul Roy, MLA
6. Shri Abu Taher Bepari, MLA
7. Shri Prafulla Kumar Mahanta, MLA
8. Dr. Kamala Kanta Kalita , MLA
9. Shri Girindra Kumar Baruah, MLA
10. Shri Prasanta Kumar Barua, MLA
11. Shri Majendra Narzary, MLA
12. Shri Ataur Rahman Mazarbhuiya, MLA
13. Shri Rameswar Teli, MLA

And, in pursuance of the Sub-Rule (1) of Rule 198... of the Rules of Procedure and Conduct of Business in Assam

Legislative Assembly, I appointed Captain Robin Bordoloi, MLA as the Chairman of the said Committee.

The newly elected Committee will function for a term not exceeding thirty months with effect from 31st May 2006.

I have to announce the result of the election to the committee on the Welfare of Scheduled Caste and Scheduled Tribes of Assam Legislative Assembly. The number of candidates being equal to the number of members to be elected. The following members have been declared elected unanimously to the Committee on the Welfare of Scheduled Caste and Scheduled Tribes :

1. Shri Karendra Basumatary, MLA
2. Shri Rajib Lochan Pegu, MLA
3. Dr. Mansing Rongpi, MLA
4. Smti Sumitra Patir, MLA
5. Shri Deben Daimary, MLA
6. Shri Jagat Singh Engti, MLA
7. Shri Rabin Banikya, MLA
8. Smti Sushila Hazarika, MLA
9. Shri Abhijit Hazarika, MLA
10. Shri Bhubon Pegu, MLA
11. Dr. Aditya Langthasa, MLA
12. Shri Chandi Basumatary, MLA
13. Shri Moneswar Brahma, MLA

And, in pursuance of the Sub-Rule (1) of Rule 198 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I apoint Shri Karendra Basumatary, MLA as the Chairman of the said Committee.

The Newly elected Committee will function for not exceeding thirty months with effect from 31st May, 2006.

I have to announce the result of the election to the

committee on the Welfare of other Backward Classes and More Other Backward Classes of Assam Legislative Assembly. The number of candidates being equal to the number of members to be elected. The following members have been declared elected unanimously to the Committee on the Welfare of other Backward Classes and More otherr Backward Classes.

1. Shri Rameswar Dhanowar, MLA
2. Shri Rupjyoti Kurmi, MLA
3. Shri Durga Bhumij, MLA
4. Shri Bolin Chetia, MLA
5. Shri Sanjay Raj Subba, MLA
6. Shri Abdur Rashid Mandal, MLA
7. Shri Joseph Toppo, MLA
8. Shri Binod Gowala, MLA
9. Dr. Rumi Nath, MLA
10. Shri Guneswar Das, MLA
11. Shri Raju Sahu, MLA
12. Shri Kushal Dowari, MLA
13. Shri Jiten Gogoi, MLA

And in pursuance of Sub-Rule (1) of Rule 198 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I appoints Shri Rameswar Dhanowar, MLA as the Chairman of the said Committee.

The newly elected Committee will function for a term not exceeding thirty months with effect from 31st May, 2006.

As per the resolution adopted by the House of 29th May, 2006, I hereby nominate the following Members to constitute the Employment Review Committee of Assam Legislative Assembly :

1. Shri Abdul Hai Nagori, MLA

2. Shri Rajendra Prasad Singh, MLA
3. Shri Kutub Ahmed Mazumder, MLA
4. Smti. Bithika Dev, MLA
5. Shri Siddaque Ahmed, MLA
6. Shri Nurul Hussain, MLA
7. Shri Padma Hazarika, MLA
8. Shri Thaneswar Basumatary, MLA
9. Shri Prasanta Phukan, MLA
10. Shri Hazi Salim Uddin Barbhuiya,
11. Dr. Tara Prasad Das, MLA
12. Dr. Motiur Rahman Mondal, MLA
13. Md. Ilias Ali, MLA

And, I hereby apointed Shri Abdul Hai Nagori , MLA as the Chairman of the said Committee. The duration of the Committee will be co-terminus with the life of the Twelfth Assembly and will function with effect from 31st May, 2006.

## VALEDICTORY SPEECH

মাননীয় অধ্যক্ষ : নৱ গঠিত দ্বাদশ অসম বিধান সভাৰ প্ৰথম অধিবেশন যোৱা ২৯ মে ২০০৬ তাৰিখে আৰম্ভ হৈ তিনিদিনীয়া সদনৰ কাৰ্য্যক্ৰমণিকা সম্পন্ন হোৱাৰ অন্তত আজি ৩১মে’ ২০০৬ তাৰিখে অন্ত পৰিছে। এইবাৰৰ অধিবেশনৰ প্ৰথম দিনা বিধান সভাৰ জেষ্ঠ্য মাননীয় সদস্য শ্ৰীগোবিন্দ চন্দ্ৰ.লাংথাছা ডাঙৰীয়াই অস্থায়ী অধ্যক্ষ হিচাপে দ্বাদশ অসম বিধান সভাৰ নৱ নিৰ্বাচিত ১২৪ গৰাকী মাননীয় বিধায়ক তথা বিধায়িকাক শপতবাক্য পাঠ কৰায়। এই সুযোগতে মাননীয় শ্ৰীলাংথাছা ডাঙৰীয়াক অসম বিধান সভাৰ হৈ ধন্যবাদ জনাইছে। অধিবেশনৰ প্ৰথম দিনটোতে দ্বাদশ অসম বিধান সভাৰ অধ্যক্ষ হিচাপে মোক সদনে বিনাপ্ৰতিদ্বণ্ডিতাৰে নিৰ্বাচিত কৰাৰ কাৰণে সদনৰ দলপতি তথা মাননীয় মুখ্যমন্ত্ৰীকে ধৰি অসম চৰকাৰৰ সকলো মন্ত্ৰী-ৰাজ্যিক মন্ত্ৰী আৰু অসম বিধান সভাৰ শাসকীয় আৰু বিৰোধী দল-গোট সমূহৰ সদস্য-সদস্যা সকলোলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। অধিবেশনৰ প্ৰথম দিনটোৰ অন্যান্য কাৰ্য্যসূচীৰ ভিতৰত আছিল।—

(ক) বিভিন্ন বিধায়িনী সমিতিৰ সদস্য নিৰ্বাচনৰ বাবে প্ৰস্তাৱ উপস্থাপন।

(খ) অধ্যাদেশ সমূহৰ উপস্থাপন।

(গ) প্ৰতিবেদন, নিয়মাৱলী, উপবিধি সমূহ উপস্থাপন।

(ঘ) চৰকাৰী বিধেয়ক সমূহৰ উপস্থাপন ইত্যাদি।

সদনৰ প্ৰাক্তন সদস্যকে ধৰি ১৪ গৰাকী বৰণ্যে ব্যক্তিৰ মৃত্যুত সদনে শোক প্ৰস্তাৱ পাঠ কৰি প্ৰয়াত ব্যক্তি সকলৰ আত্মাৰ সদ্‌গতি কামনা কৰা হয়।

নৱ-নিৰ্বাচিত দ্বাদশ অসম বিধান সভাৰ এইখন প্ৰথম অধিবেশন হোৱা হেতু সংবিধানৰ ১৭৪ (১) অনুচ্ছেদ মতে অসমৰ মহামান্য ৰাজ্যপাল ডাঙৰীয়াই ৩০ মে, ২০০৬ তাৰিখে সদনত তেখেতৰ ভাষণ প্ৰদান কৰে। মহামান্য ৰাজ্যপাল ডাঙৰীয়াই সদনত ভাষণ প্ৰদান কৰাৰ বাবে তেখেতক মই অসম বিধান সভাৰ হৈ ধন্যবাদ জ্ঞাপন কৰিলো। এইবাৰৰ অধিবেশনৰ কেউটা দিনেই চৰকাৰী কাৰ্য্যসূচী সম্পাদিত কৰা হয়। আজি ৩১ মে, ২০০৬ তাৰিখৰ দিনা সদনত অসমৰ মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কত শাসকীয় আৰু বিৰোধী দল-গোট সমূহৰ ফালৰ পৰা মাননীয় সদস্য-সদস্যা সকলে অংশ গ্ৰহণ কৰে। ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কৰ উত্তৰদান কৰি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নতুন চৰকাৰখনে আগন্তুক ৫ বছৰীয়া কাৰ্য্যকালত চৰকাৰৰ আঁচনি সমূহ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত চৰকাৰৰ দৃষ্টিভংগী সদনত দাঙি ধৰে। ৩১ মে, ২০০৬ তাৰিখৰ দিনা সদনত দ্বাদশ অসম বিধান সভাৰ উপাধ্যক্ষ হিচাপে বিধান সভাৰ মাননীয়া সদস্যা শ্ৰীমতী প্ৰণতি ফুকনক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচন কৰা হয়। অসম বিধান সভাৰ বৃহত্তম বিৰোধী ৰাজনৈতিক দল, বিধায়িনী দল অসম গণ পৰিষদ বিধায়ীন দলৰ দলপতি মাননীয় শ্ৰীবৃন্দাবন গোস্বামী ডাঙৰীয়াক অসম বিধান সভাৰ বিৰোধী দলৰ দলপতি হিচাপে মান্যতা প্ৰদান কৰা হয়। তদুপৰি সদনত ৬ খন বিধায়িনী সমিতিৰ সভাপতি আৰু সদস্য নিৰ্বাচনৰ ঘোষণা কৰা হয়। ২০০৬ চনৰ অসম বাতিলকৰণ বিধেয়ক খন সদনে পাৰিতকৰণ কৰে।

অধিবেশন কেউদিনৰ কাৰ্য্যসূচী পৰিচালনা কৰাৰ ক্ষেত্ৰত আমাক সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শ দি সহযোগিতা আগবঢ়োৱাৰ বাবে সদনৰ নেতা তথা অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈ ডাঙৰীয়ালৈ অসম বিধান সভাৰ হৈ বিশেষ ধন্যবাদ জ্ঞাপন কৰিলো। সংসদীয় পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী ভৰত চন্দ্ৰ নৰহ, অসম চৰকাৰৰ বিভিন্ন বিভাগৰ মাননীয় মন্ত্ৰী সকল, সংসদীয় সচিব সকল, শাসকীয় দলৰ মাননীয় সদস্য-সদস্যা সকল, বিৰোধী দল আৰু গোট সমূহৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি তেখেত সকলে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে অসম বিধান সভাৰ হৈ মই ধন্যবাদ জ্ঞাপন কৰিলো।

সদনৰ কাৰ্য্যসূচী পৰিচালনাৰ ক্ষেত্ৰত আমাক সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱাৰ বাবে মনোনীত বিধায়ক সভাপতি কেউগৰাকীৰ প্ৰতিও বিশেষ ধন্যবাদ জ্ঞাপন কৰা হ'ল।

অধিবেশনৰ কেউদিনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰোঁতে আগবঢ়োৱা সকলো প্ৰকাৰৰ সেৱা আৰু সহযোগিতাৰ বাবে অসম বিধান সভাৰ সচিবকে ধৰি সচিবালয়ৰ সকলো পৰ্য্যায়ৰ বিষয়া কৰ্মচাৰীলৈ আমাৰ আন্তৰিক শলাগ জনালো।

অধিবেশনৰ কেউদিনৰ কাম-কাজ নিয়াৰিকৈ সম্পন্ন কৰাত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ বাবে অসম চৰকাৰৰ মুখ্য সচিবকে ধৰি ৰাজ্যচৰকাৰৰ বিভিন্ন বিভাগৰ সকলো পৰ্য্যায়ৰ বিষয়া কৰ্মচাৰী, বিধান সভা চৌহদৰ ভিতৰে বাহিৰে নিৰাপত্তাৰ দায়িত্ব নিয়াৰিকৈ পালন কৰাৰ বাবে অসম আৰক্ষী বিভাগৰ সঞ্চালক প্ৰধান প্ৰমুখ্যে বিভাগটোৰ বিষয়া কৰ্মচাৰীৰ প্ৰতি অসম বিধান সভাৰ তৰফৰ পৰা মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

এইবাৰৰ অধিবেশনৰ প্ৰথম দিনা নৱ-নিৰ্বাচিত সদস্যসকলৰ শপত গ্ৰহণৰ দৃশ্যাৱলীৰ বাণীবদ্ধ ৰূপত প্ৰচাৰ কৰাৰ বাবে আৰু দ্বিতীয় দিনা অৰ্থাৎ ৩০ মে তাৰিখে মহামান্য ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণ গুৱাহাটী দুৰদৰ্শন কেন্দ্ৰ আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰই পোণপটীয়াকৈ সম্প্ৰচাৰ কৰাৰ বাবে মই বিধান সভাৰ হৈ উক্ত দুয়োটা অনুষ্ঠানলৈ বিশেষ ধন্যবাদ জ্ঞাপন কৰিলো।

গুৱাহাটী দুৰদৰ্শন, আকাশবানী গুৱাহাটী কেন্দ্ৰকে ধৰি ইলেকট্ৰনিক মাধ্যমৰ আন বেচৰকাৰী অনুষ্ঠানেও বিধান সভাৰ কাৰ্য্যসূচীৰ বা-বাতৰি প্ৰচাৰ কৰি সহযোগিতা আগবঢ়োৱাৰ বাবে উক্ত অনুষ্ঠান দুটালৈ অসম বিধান সভাৰ হৈ ধন্যবাদ জ্ঞাপন কৰিলো। অধিবেশনৰ কেউদিনৰ কাৰ্য্যসূচীৰ বা - বাতৰি প্ৰচাৰে সংবাদ মাধ্যমৰ সাংবাদিক বন্ধু সকলে আমালৈ আগবঢ়োৱা সহযোগিতাৰ বাবে তেখেত সকললৈ অসম বিধান সভাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিলো। শেষত সদনত উপস্থিত সকলোলৈকে পুনৰবাৰ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ ধন্যবাদ সূচক মন্তব্যৰ সামৰণি মাৰিলো।

ধন্যবাদ

জয়হিন্দ

The House Stands adjourned sine die.

## ADJOURNMENT

The House then stood adjouned sine -die at 1- 40 P.M.

Dispur :
The 31st May, 2006

G. P. Das
Secretary,
Assam Lessislative Assembly